ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৰৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ২৭/০৭/২০২৬ সোমবাৰ

**আজি ইংৰাজী ২৭-০৭-২০২৬ তাৰিখে ৯-৩০ বজাৰ পৰা মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পুনৰ সদনৰ কাম কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ২২১ শ্ৰীকমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰটো পালো ৪৫০ মেগাৱটৰ পৰা বৃদ্ধি কৰি ৮৪৫৭ মেগাৱট বিদ্যুৎ উৎপাদনৰ কাৰণে চৰকাৰে যিটো সিদ্ধান্ত লৈছে সেই যুগান্তকাৰী সিদ্ধান্তৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো । অধ্যক্ষ মহোদয়, উত্তৰটো পালো, গ্ৰিড সাব-ষ্টেশ্যন স্থাপন কৰাৰ কাৰণে পৰিকল্পনা কৰিছে। মই উত্তৰটো পালো, কাটিগড়া বিধান সভা সমষ্টিৰ অধীনত বিভিন্ন অঞ্চলত বিদ্যুতৰ ঘাটিত সেই সমস্যা বিলাক আছে। তাৰ কাৰণে আমি দেখিছো যে বহুতখিনি কাম কৰা হৈছে। Re- Conducting ৰ কাম চলি আছে আৰু বিভিন্ন কাম চলি আছে। অধ্যক্ষ মহোদয়, মোৰ প্ৰধান সমস্যাটো হৈছে কাটিগড়াত কালাইগাৱৰ পৰা ৪ টা আমাৰ বিদ্যুৎ বিতৰণ কেন্দ্ৰ আছে অৰ্থাৎ distribution Sub- Centre আছে। এটা Sub- Centre কালাই , এটা কাটিগড়া, এটা ৰাজপুৰ আৰু এটা নিলচেৰা এই যি ৪ টা বিতৰণ উপ-কেন্দ্ৰ আছে , তাৰে পাঁচগ্ৰাম বিতৰণ উপ-কেন্দ্ৰৰ পৰা ৩৩ কে ভি লাইন দুটা আহে। এতিয়া সমস্যাটো হৈছে যে এই যে দুটা লাইন আহে, অলপ কিবা বৰষুণ হ'লে বা কিবা অসুবিধা হ'লে যদি এটা লাইন বেয়া হৈ যায় তেতিয়া সমষ্টিৰ আধা মানুহ বিদ্যুতৰ পৰা বঞ্চিত হয় অধ্যক্ষ মহোদয়। আমি বিদ্যুৎ যোগান দিব নোৱাৰো, সেই কাৰণে মাননীয় মন্ত্ৰী

মহোদয়ক মই অনুৰোধ কৰিম যে আমাৰ এটা গ্ৰীড সাব ষ্টেশ্যন এটা লাগে। মন্ত্ৰী মহোদয়ে জানে যে ইতিমধ্যে আমাৰ Express High Way হ'ব। Greenfield airport হ'ব। বহুত বহুত নতুন নতুন উদ্যোগ আহিছে, যাতে তেওঁলোকে ইয়াতে investment কৰিব। যদি আমাৰ গ্ৰীড সাব ষ্টেশ্যন নাথাকে, তেতিয়া হ'লে আমি উদ্যোগখিনি স্থাপন কৰিব নোৱাৰিম। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম কলাইগাৱত এখন গ্ৰীড সাব ষ্টেশ্যন লাগে যাতে আমাৰ এইখিনি সমস্যা আমি সমাধান কৰিব পাৰো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষিঃ** মাননীয় অধ্যক্ষ মহোদয়,অসমৰ বিদ্যুৎ যোগানৰ ক্ষেত্ৰত যোৱা ৫ বছৰত অসমে যথেষ্ট সফলতা লাভ কৰিছে। অধ্যক্ষ মহোদয়, ২০১৪-১৫ চনত অসমত প্ৰত্যেক দিনেই average power supply আছিল,অৰ্থাৎ বিদ্যুৎ বিভাগে বিদ্যুৎ যোগান ধৰিছিল ১২ ঘন্টা গড়ে। অধ্যক্ষ ডাঙৰীয়া ২০১৫-১৬ ত বাঢ়ি হ'ল ১৫ ৰ পৰা ১৭ ঘন্টা। অধ্যক্ষ ডাঙৰীয়া এতিয়া বৰ্তমান অসমত বিদ্যুৎ যোগানৰ সময় ২৩.১৭ ঘন্টা। Almost ২৪ ঘন্টাই বিদ্যুৎ থাকে। অধ্যক্ষ ডাঙৰীয়া, কেতিয়াবা কেতিয়াবা মোৰ সমষ্টিটো কয় কাৰেন্ট নাই , ভল্টেজ নাই। তাৰ কেইটামান কাৰণ আছে , আমি সেই কাৰণ সমূহ বিশ্লেষণ নকৰো। কাৰণ কেইটা হৈছে অধ্যক্ষ ডাঙৰীয়া ক'ৰবাত electrical line ৰ problem হয়। ধুমুহা আহিলে খুটাটো পৰি যায়, তাঁৰডাল পৰি যায় ক'ৰবাত কেতিয়াবা। অধ্যক্ষ ডাঙৰীয়া, কেতিয়াবা মেচিন হয় বা যন্ত্ৰই হয়, ক'ৰবাত ক'ৰবাত ট্ৰেন্সফ'মাৰ বেয়া হয়, তেতিয়া মানুহে ভাবি লয় যে কাৰেন্ট নাই। অধ্যক্ষ ডাঙৰীয়া, আচলতে সেইটো নহয়, এইটো মই দৃঢ়তাৰে ক'ব পাৰো অসম চৰকাৰে বা অসমৰ বিদ্যুৎ বিভাগে ২৩.১৭ ঘন্টা প্ৰত্যেক দিনাই বিদ্যুৎ যোগান ধৰে। ক'ৰবাত ক'ৰবাত অনিয়ম হয়, ক'ৰবাত বিদ্যুৎ কমে তাৰ কাৰণটো মই আকৌ কৈছো, যে ক'ৰবাত বৰষুণ বেছি হয়, ক'ৰবাত ধুমুহা হয়, লাইনডাল বেয়া হয় তেতিয়া মানুহে ভাবে যে কাৰেন্ট নাই। কিন্তু আচলতে সেইটো এটা টেকনিকেল সমস্যা। অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত আমি আৰু সজাগ হ'ম যাতে যদি ক'ৰাবাত এডাল কাৰেন্টৰ লাইন পৰি

যায় অতি শীঘ্রে তাক ঠিক কৰিবলৈ আমি চেষ্টা কৰিম আৰু সজাগ হ'ম। অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যগৰাকীয়ে যিটো কথা কৈছে সেইটো এটা গুৰুত্বপূৰ্ণ কথা। তেখেতৰ তাত industrial corridor হ'বলৈ গৈ আছে। গতিকে ১৩২-৩৩ কে ভি গ্ৰীড চাব ষ্টেশ্যন এটা তাতে বনোৱা হ'ব আৰু সেইটো কৰিবলৈ আমি চেষ্টা কৰিছো আৰু এই গ্ৰীড চাব ষ্টেশ্যনটো অধ্যক্ষ ডাঙৰীয়া,প্লেনিংত আছে আৰু চৰকাৰে যদি এপ্ৰোভেল দিয়ে অতি সোনকালে নিশ্চয়কৈ কৰা হ'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, তাতে কালাইন SDE অফিচৰ নতুন কাৰ্য্যালয়ৰ কাৰণে ইতিমধ্যে আমাৰ MD Sir তাতে আছে। আমাক অনুৰোধ কৰিছিল যে যোগাৰ দিয়াৰ কাৰণে। ইতিমধ্যে আমি যোগাৰ কৰি দিলো, আৰু তাতে চেংশ্যনৰ কাৰণে ১ কোটি ১১ লাখ টকা চেংশ্যন হ'ব আমি ধন্যবাদ জ্ঞাপন কৰিছো মাননীয় অধ্যক্ষ মহোদয়। লগতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰি'কমেণ্ডেশ্যন কৰিছিল যে আমাৰ গ্ৰীড চাব ষ্টেশ্যনৰ কাৰণে । তাতে আমি ৩০ বিঘা মাটি এল'টমেন্ট কৰাৰ কাৰণে প্ৰপ'জেল দিছো। অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা যিমান ক'ৰিবলগা আছে, আমি কৰি দিছো। এতিয়া মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে আমাৰ এইখিনি কাম হয়।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষিঃ** মাননীয় অধ্যক্ষ মহোদয়, কামখিনিটো আৰম্ভ হৈছে , গতিকে সোনকালে নিশ্চয়কৈ কৰিবলৈ যত্ন কৰা হ'ব।

**মাননীয় অধ্যক্ষ** পৰৱৰ্তী প্ৰশ্ন নং ২২ সুৰেন ফুকন।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ডিগবৈ সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত বুঢ়ীদিহিং মৌজাৰ ৬ খন গাওঁ পঞ্চায়ত অন্তৰ্ভুক্ত হ'ল আৰু

এই ৬ খন গাওঁ পঞ্চায়তত যোৱাটো সময়ত মোৰ সতীৰ্থ বিধায়ক ভাস্কৰ শৰ্ম্মা ডাঙৰীয়াৰ দিনতে ২০২২ বৰ্ষত অসম মালা ১ ৰ দ্বাৰা ১৬২ কোটি ৯৮ লাখ ১০ হাজাৰ টকাৰে কাম আৰম্ভ হৈছিল। কিন্তু সেই কামখিনিৰ এতিয়া progress report টো একেবাৰে নিম্ন ৪১ শতাংশ হৈছে। তেওঁলোকৰ কামৰ সময় আছিল আঢ়ৈবছৰ। গতিকে চৰকাৰৰ ফালৰ পৰা মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে খুব শুদ্ধ উত্তৰ এটা দিছে তাৰ কাৰণে বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ দিছো যে অসম মালাৰ ১৩৩ কোটি টকা ডিগবৈৰ বৰডুমচা বা তাত ছিগনেচাৰ প্ৰজেক্টৰ অধীনত ডিগ্ৰী কলেজ বা SOPD ৰ দ্বাৰা প্ৰায় ৮০ লাখ মান টকাৰ মই সেই অঞ্চলত সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ পাছত কাম কৰিছো, তাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো। কিন্তু ঠিকাদাৰ এম এচ শিভম ভাৰাতীয়া নামৰ ঠিকাদাৰজনে কিন্তু অতি নিম্ন পৰ্য্যায়ৰ কাম কৰি আছে। তাৰ ফলত আমাৰ ছাত্ৰ-ছাত্ৰী আৰু খেতিয়ক, ব্যৱসায়ীক তেওঁলোক অহা-যোৱা কৰাত যথেষ্ট অসুবিধা হৈছে। ক'ৰবাত পুল ভঙা আছে, ক'ৰবাত কালভাৰ্ট দিয়া হোৱা নাই, অতি জৰাজীৰ্ণ হৈ আছে। গতিকে অতি নিম্নখাপৰ হৈছে , দুবাৰকৈ ন'টিচো দিয়া হৈছে ২০২৬ বৰ্ষৰ জানুৱাৰীৰ ২৩ তাৰিখে যোৱা জুন মাহতো ন'টিচ দিয়া হৈছে দুবাৰকৈ ন'টিচ দিয়াৰ পাছটো তেওঁলোকৰ কাম ৪১.৫ শতাংশ হৈছে। গতিকে কি কাৰণত ইমান নিম্নগামী হৈছে, এই কথাটো বোধহয় মন্ত্ৰী ডাঙৰীয়াই গম পাব। মইটো শুদ্ধ উত্তৰ পাইছো। গতিকে অতি শীঘ্ৰে তেওঁলোকৰ ওপৰত ব্যৱস্থা ল'ব লাগে আৰু কামখিনি খৰতকীয়াকৈ কৰিব লাগে বুলি মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা দেৱক মই ধন্যবাদ দিম এই অঞ্চলৰ যিখিনি সমস্যা আছিল ৰাস্তা-ঘাট এইখিনি মই তেখেতৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষিঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া কামটো পলম হোৱাটো সত্য মই অস্বীকাৰ নকৰো। অধ্যক্ষ ডাঙৰীয়া প্ৰথম অৱস্থাত land acquisition ৰ সমস্যাৰ কাৰণে কামটো

পলম হ'ল। মাননীয় সদস্যগৰাকীৰ কামটো নিম্নমানৰ হোৱা বুলি কৈছে, আমি নিশ্চয়কৈ অধ্যক্ষ ডাঙৰীয়া enquiry কৰিম আৰু যদি নিম্নমানৰ হোৱা বুলি প্ৰমান হয় নিশ্চয়কৈ একশ্যন ল'ম। অধ্যক্ষ ডাঙৰীয়া আৰু যিমান সোনকালেই ৰাস্তাটো কৰিব পাৰি কৰিবলৈকে আমি যত্ন কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** মাননীয় অধ্যক্ষ মহোদয়,মোৰ সৰু কথা এটা থাকি গ'ল, আমাৰ তাত আচলতে যিখিনি ক্ষতিপূৰণ আছে, ক্ষতিপূৰণ প্ৰায় ৯৮.৫ শতাংশ, টকাটো দিয়া হ'ল ইতিমধ্যে। 1 কোটি 12লাখ আৰু এতিয়াওঁ দিব আছে, কাগজ পত্ৰ সঠিক নথকাৰ কাৰণে। সেই টকাখিনিও অতি শীঘ্ৰে দিয়াৰ ব্যৱস্থা কৰিলে ভাল পাম।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া**,** total land acquisition cost আছিল ৭৫ কোটি ৮৭ লাখ আৰু ৮৮২ টকা ক'ৰবাত আধা বিঘা, ক'ৰবাত ১ বিঘা তেনেকৈ মাটি ল'ব লগা হৈছিল। অধ্যক্ষ ডাঙৰীয়া, ৭৫ কোটি ৮৭ লাখৰ ৭৪ কোটি ৭৪ লাখ টকা দিয়া গ'ল আৰু খুব বেছি ১ কোটি ২০ লাখ টকা মান দিবলৈ বাকী আছে। অধ্যক্ষ ডাঙৰীয়া তাত ৬৫ টা ঠাই আছে, কম পইচা, ১ কোটি ২০ লাখ মানহে আছে ৬৫ জন মানুহক দিব লাগিব। অধ্যক্ষ ডাঙৰীয়া issue টো হৈছে তেওঁলোকৰ ৱাৰিচ certificate বা mutation এইবোৰ হোৱা নাই। আমাৰ পইচা জমা আছে। PWD ফালৰ পৰা DC মহোদয়ক পইচা দি দিয়া হৈছে। কিন্তু তেওঁলোকৰ সমস্যাৰ বাবে এইখিনি পইচা দিব পৰা নাই। গতিকে এই সমস্যাখিনি যদি বিধায়ক ডাঙৰীয়াই অকণমান নিজে দায়িত্ব লৈ চম্ভালি লয়, আমি নিশ্চয়কৈ সোনকালে দিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে , mutation ৰ camp কৰিব আপুনি তেতিয়া সোনকাল হৈ যাব।

পৰৱৰ্ত্তী প্ৰশ্ন নং ২২৩। শ্ৰী মহিবুৰ ৰহমান।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে

**শ্ৰী মহিবুৰ ৰহমান, মানকাছাৰঃ** অধ্যক্ষ মহোদয়, আমাৰ জিলাখনত যদি দেখা যায়, মুঠ ১২৯২ vacant post আছে। মই জানো যে আমি ইতিমধ্যে plan কৰি আছো চৰকাৰেও জনাইছে যে plan কৰি আছে লাহে লাহে vacancy বিলাক পূৰণ কৰা হ'ব । মোৰ প্ৰশ্নটো হ'ল যে আমাৰ কেইটামান বিভাগ আছে যেনেকুৱা Home and Political Department য'ত আমাৰ DC ডাঙৰীয়াই আছে, লগতে ADC atleast চাৰিজন থাকিব লাগে, অকল দুজন আছে তাৰ ভিতৰত এজনক CO ৰ দায়িত্ব দিয়া হৈছে। গতিকে যিবিলাক চৰকাৰী কাম কাজ আছে বহুত লেহেম গতিত চলি আছে অধ্যক্ষ মহোদয়। মই আশা ৰাখিম যে আমাৰ atleast DC অফিচৰ যিখিনি vacancy আছে সেইখিনি যাতে সোনকালে পূৰণ কৰি দিয়া হয়। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, হয় মানকাছাৰ জিলাত যথেষ্ট প'ষ্ট খালী আছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া ২০২১ চনৰ নিৰ্বাচনত ঘোষণা কৰিছিল যে আমি যদি চৰকাৰলৈ আহো এক লাখ ল'ৰা-ছোৱালীক চৰকাৰী চাকৰি দিম। অধ্যক্ষ ডাঙৰীয়া আমি দিয়া প্ৰতিশ্ৰুতিৰ ওপৰত গৈ ১ লাখ ৬৫ হাজাৰ নিবনুৱাক চাকৰি দিলো । গতিকে অধ্যক্ষ ডাঙৰীয়া তাৰ ফলত কি হৈছে অসমৰ প্ৰত্যেক জিলাত এই খালী থকা প'ষ্টসমূহ fill up হৈ হৈ গৈ আছে। অধ্যক্ষ ডাঙৰীয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবাৰ নিৰ্বাচনত ঘোষণা কৰিছিল, প্ৰতিশ্ৰুতি দিছিল যদি আমি চৰকাৰলৈ আকৌ আহো আমি দুই লাখ নিবনুৱাক চৰকাৰী চাকৰি দিম। প্ৰক্ৰিয়া ইতিমধ্যে অধ্যক্ষ ডাঙৰীয়া আৰম্ভ হৈছে গতিকে আমি পৰ্য্যায়ক্ৰমে অসমৰ গোটেই জিলাত কিন্তু বিশেষকৈ যিহেতু আমাৰ সন্মানীয় সদস্যগৰাকী দক্ষিণ শালমাৰা মানকাছাৰ জিলাৰ কথা কৈছে, আমি পৰ্য্যায়ক্ৰমে দিবলৈকে চেষ্টা কৰিম। তেখেতৰ যিটো CO প'ষ্ট দহ মাহে খালী হৈ থকা বুলি কৈছে, অধ্যক্ষ ডাঙৰীয়া এগৰাকী ADC Incharge হৈ আছে, এতিয়া কাম চলি আছে, কিন্তু অতি সোনকালে আমি সেই CO প'ষ্টটো fill

up কৰিবলৈকে চেষ্টা কৰিম। অধ্যক্ষ ডাঙৰীয়া তেখেতৰ যেতিয়া মই প্ৰশ্নটো পঢ়ি আছিলো, তেতিয়া মই দেখিছিলো Agriculture, Irrigation Department তো খালী প'ষ্ট আছে। মই যিহেতু Agriculture, Irrigation Department ৰ মন্ত্ৰী মই যিমান পাৰো, তাৰৈ মানুহ পঠাবলৈ যত্ন কৰিম।

**মাননীয় অধ্যক্ষঃ** আৰু কিবা আছে ? ধন্যবাদ,

**শ্ৰী মহিবুৰ ৰহমান, মানকাছাৰঃ** ধন্যবাদ মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়া। লগতে আপুনি যদি পাৰে Water resource ত 55 টা post খালী আছে, আমাৰ সমষ্টি বা জিলাৰ কাৰণে Water resource এক অত্যন্ত গুৰুত্বপূৰ্ণ Department আৰু লগতে Vaterinary Department. এই দুটা বিভাগো যদি পাৰে আপুনি অলপ চাই দিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** সন্মানীয় সদস্যগৰাকীক ধন্যবাদ দিছো। Water resource Department ৰ মন্ত্ৰী আৰু Vaterinary Department ৰ মন্ত্ৰী বাইদেউ ইয়াত আছেই, বাইদেউ দক্ষিণ শালমাৰা মানকাছাৰ জিলাত অলপ প'ষ্ট fill up কৰিবলৈ আছে যিমান পাৰে আপুনি চেষ্টা কৰিব। আৰু Water resource Department ৰ মন্ত্ৰী ইয়াতে নাই, মই তেখেতক অনুৰোধ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। পৰবৰ্তী প্ৰশ্ন ২২৬। শ্ৰী জাকাৰিয়া

আহমেদ।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মাজিয়াত ৰখা আছে।

**শ্ৰী জাকাৰিয়া আহমেদ (উত্তর শ্ৰীভূমি)** মাননীয় অধ্যক্ষ মহোদয়, উত্তরগুলো পেয়েছি। আমার উত্তর শ্ৰীভূমি সমষ্টি বা অন্য যে কোন সমষ্টি হোক না কেন আমাদের গ্রামঞ্চলের রাস্তার প্রস্ত খুব কম থাকে, তিন মিটার চার মিটার বা তার চেয়েও কম থাকে। সেগুলো রাস্তা PWD guideline থাকার কারণে

সেগুলো  PWD আওতায় নেওয়া যায়না এবং সীমিত ফাণ্ড থাকার কারণে পঞ্চায়েতের অধীনস্ততায় রাস্তাগুলোর কাজ করা যায় না। সেজন্য আমি বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করবো রাস্তাগুলো PWD হোক বা অন্য কোন বিভাগের হোক যাতে গ্রামঞ্চলের ছোট ছোট রাস্তাগুলো  PWD এর অধীনস্তাতায় আনা যায়।

দ্বিতীয়তঃ হলো আমাদের গ্রামঞ্চলের সবসময় বৃষ্টি হওয়ার ফলে জল নিষ্কাশনের জন্য বিশাল অসুবিধার সৃষ্টি হয়, সেজন্য গ্রামাঞ্চলে ড্রেইনের জন্য মাষ্টারপ্লেন নেওয়ার কোন পরিকল্পনা সরকার নিয়েছেন কিনা ?

তৃতীয়তঃ আমাদের বদরপুর থেকে সুতারকান্দি National high way রাস্তা যেটা সেই রাস্তার অবস্থা খুবই বেহাল। সেই রাস্তাগুলো কাজ খুব তাড়াতাড়ি যাতে শুরু করা যায় , বিশেষ করে শ্রীভূমি শহরে যে রাস্তা সেই রাস্তার অবস্থা খুবই বেহাল। প্রতিদিন আমাদের যেগুলো ই-রিক্সা আছে  সেগুলো  প্রত্যেকদিন ৩-৪ টা করে accident হয় এই রাস্তার কারণে। আমি মন্ত্রী মহোদয়কে অনুরোধ করবো এই রাস্তাগুলো মেরামত করার জন্য খুবই তাড়াতাড়ি যাতে  কাজ করা হয়।

**মাননীয় অধ্যক্ষঃ** Answer please .

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, PWD বিভাগে ৰাস্তা কৰে সেই ৰাস্তাটো মিনিমাম ছয় মিটাৰ হ'ব লাগিব। কিন্তু PWD বিভাগে  তিনি চাৰি মিটাৰ ৰাস্তা পকী নকৰে, যদি ক'ৰবাত ৰাস্তা কৰিবলগীয়া হয়, আমি Land acquisition কৰিব লাগিব বা আমি land donate কৰিব লাগিব।  অধ্যক্ষ ডাঙৰীয়া আপোনাৰ যোগেদি সকলোকে কৈছো আৰু সকলোৱে জানেই, এতিয়া আমি অসমমালাৰ ৰাস্তাত  Land aquisition cost টো নিদিও। যদি মানুহে ৰাস্তা বনাবলৈ বিচাৰে  ইচ্ছাকৃতভাৱে যদি মাটি এৰি দিয়ে, বা য'ত Land aquisition cost নাথাকে তাত আমি অসমমালাৰ ৰাস্তা বনাও। অসমমালা ৰাস্তাৰ এনেকুৱা এটা পৰ্য্যায় হৈছিল প্ৰথম পৰ্য্যায় অসমমালা 1.0

ৰাস্তা নিৰ্মাণৰ cost তকৈ Land acquisition ৰ cost বেছি হৈছিল । গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই Land aquisition costটো দ্বিতীয় আৰু তৃতীয় পৰ্য্যায়ত বন্ধ কৰি দিলে । গতিকে Land aquisition কৰি কৰি ৰাস্তা বনাবলৈ বহুত অসুবিধা হয় । যদি ক'ৰবাত specific ৰাস্তা বনাই দিবলৈ মাননীয় সদস্যগৰাকীয়ে কয়, আৰু মাটিখিনিৰ ব্যৱস্থা কৰি দিয়ে, নিশ্চয়কৈ তেতিয়া সেই ৰাস্তাটো কৰিব পৰা যাব। কৰিমগঞ্জ টাউনৰ কথা যিহেতু তেখেতে কৈছে, কৰিমগঞ্জ টাউনখনত কিছু ৰাস্তা আমি কৰোঁ, কিন্তু মেজৰ ৰাস্তা ড্ৰেইন DoHUA ডিপাৰ্টমেণ্টে কৰে, তেখেতে নতুন বিধায়ক গতিকে তেখেতৰ ভুল হোৱাটো স্বাভাৱিক, DoHUA ডিপাৰ্টমেণ্টৰ মন্ত্ৰী ডাঙৰীয়াক ক'ম, যে কৰিমগঞ্জ টাউনৰ ড্ৰেইন আৰু ৰাস্তাৰ যি সমস্যা আছে তেওঁ যিমান পাৰে সমাধান কৰিব।

ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন নং ২২৫। শ্ৰী ধৰ্মেশ্বৰ ৰয়।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, ক্ৰীড়া মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ধৰ্মেশ্বৰ ৰয়, বজালীঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি তৰাচিহ্নিত প্ৰশ্ন এটা ভাগ্যত পালো, আপোনাক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য প্ৰশ্নটো আপুনি লটাৰীত পাইছে, মোৰ কাৰণে পোৱা নাই।

**শ্ৰী ধৰ্মেশ্বৰ ৰয়, বজালীঃ** অধ্যক্ষ মহোদয়, আমাৰ ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে অসমত এতিয়ালৈকে কিমানখন ক্ৰীড়া ষ্টেডিয়াম আছে, আৰু এই তথ্যটো সমষ্টি ভিত্তিক দিলে মই ভাল পাম আৰু দ্বিতীয়তে বজালী সমষ্টিত নতুনকৈ গ্ৰাম্য ষ্টেডিয়াম নিৰ্মাণৰ কোনো ব্যৱস্থা কৰা হৈছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো । কাৰণ আমাৰ বজালী আপুনি নিজেও জানে অধ্যক্ষ মহোদয় ক্ৰীড়া ক্ষেত্ৰত যথেষ্ট আগবঢ়া বহুতো

ক্ৰীড়া সংগঠন আছে, আৰু আমাৰ গাঁৱলীয়া অঞ্চলত খেল-ধেমালি অনুষ্ঠিত কৰাৰ বাবে বহুত ফিল্ডো আছে। কিন্তু আমাৰ সেই ষ্টেডিয়ামবিলাকক নতুনকৈ চৰকাৰীভাৱে খেলুৱৈসকলৰ উপযোগী হোৱাকৈ নিৰ্মাণ কৰিব নেকি মই জানিব বিচাৰিছো আৰু তৃতীয় প্ৰশ্নটো হৈছে, আমাৰ বজালী যিহেতু নতুনকৈ জিলা হৈছে, আপোনাৰ নেতৃত্বত অধ্যক্ষ মহোদয় জিলাখন গঠিত হৈছিল গতিকে বজালী জিলা আমাৰ জিলা কাৰ্যালয়ৰ নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিছে নেকি মই জানিব বিচাৰিছো।

**माननीय অধ্যক্ষ :** Minister, please reply .

**শ্ৰী বিশ্বজিৎ দৈমাৰী (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱকল্যাণ ইত্যাদি) :** অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰশ্নকেইটাৰ উত্তৰ ইতিমধ্যে দিয়া আছে, মাননীয় সদস্যগৰাকীয়ে হয়তো লক্ষ্য কৰা নাই। বৰ্তমান বজালীৰ জিলা ষ্টেডিয়ামখনৰ নিৰ্মাণকাৰ্য্য চলি আছে। অসমত মুঠতে ২৩৩ খন ক্ৰীড়া ষ্টেডিয়াম বা খেলপথাৰ আছে আৰু ইয়াত গোটেই তথ্যখিনি দিয়া হৈছে। ঠিক তেনেদৰে 'উত্তৰণ' আঁচনিৰ অধীনত বৰ্তমান ৩১ টা ক্ৰীড়া প্ৰকল্পৰ ভিতৰত কিছুমানৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হৈছে আৰু কিছুমানৰ কাম বৰ্তমান চলি আছে। ৰাজ্যখনৰ সমষ্টি সমূহত নিৰ্মাণ কৰা ৪০খন মিনি ষ্টেডিয়ামৰো বিতং তথ্যসমূহ দিয়া হৈছে। নতুনকৈ গঠন হোৱা বজালী জিলাত যি ক্ৰীড়া কাৰ্য্যালয় স্থাপনৰ কথা কোৱা হৈছে তাৰবাবে আমাৰ ক্ৰীড়া বিভাগে ব্যৱস্থা লৈছে, মই ভাবো অতিশীঘ্ৰে এইখিনি কাম আৰম্ভ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ :** ধৰ্মেশ্বৰ ৰয় ডাঙৰীয়া, আপোনাৰ কিবা supplementary আছে নে কি?

**শ্ৰী ধৰ্মেশ্বৰ ৰয় (বজালী) :** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি মোৰ এটা সৰু আহ্বান আছে- পাঠশালাৰ উত্তৰ দিশত থকা ৰোহিংৰি গাঁৱৰ এখন খেলপথাৰত ৪০ বিঘা মাটি আছে, সেই ষ্টেডিয়ামখন যদি আমাৰ মহিয়সী নাৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নামত নিৰ্মাণ কৰিব পৰা যায় তেনেহ'লে বজালী

জিলাখনৰ বিশেষকৈ উত্তৰ অঞ্চলটোৰ খেলুৱৈসকলৰ যথেষ্ট উপকাৰ হ'ব। এইটোৱে মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ বিশেষ অনুৰোধ।

**শ্ৰী বিশ্বজিৎ দৈমাৰী (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱকল্যাণ ইত্যাদি) :** অধ্যক্ষ মহোদয়, তেখেতে যদি প্ৰস্তাৱটো দিয়ে তেনেহ'লে নিশ্চয়কৈ আমি বিবেচনা কৰিম আৰু তাৰ ওপৰত ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ :** এই বিষয়টোৰ ওপৰত ময়ো মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে, বজালী ষ্টেডিয়ামখন নিৰ্মাণৰ কাৰণে ইতিমধ্যে ৫০ কোটি টকা আবন্টন দিয়া হৈছিল। তাত কামো কৰি আছে আৰু তাৰবাবে মাটিও ল'লে, মই সেই সময়ত সমষ্টিটোৰ বিধায়ক আছিলো আৰু এই বিষয়ে মোক বিভাগে জনাইছিল যে তাত প্ৰায় ৯-১০ কোটি টকাৰে earth-filling নকৰিলে ষ্টেডিয়ামখন নিৰ্মাণ কৰিবপৰা নাযাব। তাত গেলাৰী নিৰ্মাণ হৈ গ'ল কিন্তু মূল ষ্টেডিয়ামখনত খেলা-ধূলা কৰিব পৰা পৰিৱেশটো নাই, বিভাগে সেই ঠাইত মটিডোখৰ লৈ এতিয়া সমস্যাত পৰিছে, গতিকে additional fund এটা দি ষ্টেডিয়ামখন নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ ময়ো আহ্বান জনাইছো আৰু সেই ষ্টেডিয়ামখন যদি চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নামত দিয়ে, তেনেহ'লে সেয়াও কৰিব পাৰে। ৰোহিংৰিত সুন্দৰ পথাৰ এখন আছে, তাত additional scheme এটা ল'লে ভাল হ'ব।

এতিয়া আবুল কালাম ৰছিদ আলম।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূৱ গোৱালপাৰা) :** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো নতুনকৈ গঠন হোৱাৰ পিছত তাত বৰ্তমান এখনো গ্ৰাম্য ষ্টেডিয়াম নাই। মই আশা কৰিছো তাত ষ্টেডিয়াম এখন দিব আৰু গোৱালপাৰা চহৰত CIDF ৰ অধীনত indoor stadium দিয়া হৈছিল, তাৰ নিৰ্মাণকাৰ্য্য কেতিয়ালৈ সম্পূৰ্ণ হ'ব, লগতে তাত ৮ কোটিৰে এটা swimming pool নিৰ্মাণ কৰা হৈছে, কিন্তু সেইটো এতিয়া এনেই পৰি আছে, কোনেও ব্যৱহাৰ কৰা নাই, সেই swimming pool টো কোনে চলাব, কোনে maintain কৰিব সেই বিষয়ে জিলা আয়ুক্ত গৰাকীও নিশ্চিত নহয়। মই এটা পৰামৰ্শ

দিছিলো যে  স্থানীয় সাংসদ আৰু বিধায়কক adviser হিচাপে লৈ জিলা আয়ুক্তক সভাপতি, sports officer গৰাকীক Member Secretary কৰি  PHE বিভাগৰ ইঞ্জিনিয়াৰ, PWD ৰ ইঞ্জিনিয়াৰ, Municipality Executive Officer সকলক লৈ সমিতি গঠন কৰি যদি সেই swimming pool টো চলোৱাৰ ব্যৱস্থা কৰা হয় তেনেহ'লে ভাল হ'ব, নহ'লে ৬ মাহৰ ভিতৰত ৮ কোটি টকা পানীত পৰিব। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, গোৱালপাৰা জিলালৈ গৈ তাত চৰজমীন তদন্ত কৰি এই ক্ষেত্ৰত বিহীত ব্যৱস্থা লওঁক।

**মাননীয় অধ্যক্ষ :** Minister, please. Swimming pool টো কোনে maintain কৰিব ?

**শ্ৰী বিশ্বজিৎ দৈমাৰী (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱকল্যাণ ইত্যাদি) :** অধ্যক্ষ মহোদয়, কেৱল Swimming pool য়েই নহয় আমাৰ আন বহুত sports infrastructure নিৰ্মাণ কৰা হৈছে, গতিকে যিমানবোৰ ষ্টেডিয়াম, Swimming pool আছে, athletics ৰো কিছু infrastructure নিৰ্মাণ কৰা হৈছে, এই গোটেই infrastructure সমূহ কেনেদৰে ব্যৱহাৰ কৰা হ'ব, কি ধৰণে চলোৱা হ'ব তাৰ ওপৰত আমি ক্ৰীড়া বিভাগে ইতিমধ্যে আলোচনা কৰিছো আৰু আলোচনা কৰি সেই গোটেই sports infrastructure সমূহ যাতে আমি ব্যৱহাৰ কৰিব পাৰো তাৰ কাৰণে জিলা আয়ুক্তকে ধৰি স্থানীয় বিভাগীয় বিষয়াসকল আৰু Sports Association বোৰক লগত লৈ দায়িত্বটো কাক দিব পৰা যায় যাতে নিয়মীয়াকৈ ক্ৰীড়া কাৰ্য্যসমূহ চলি থাকে তাৰকাৰণে চিন্তা-চৰ্চা কৰি থকা হৈছে আৰু মই ভাবো যে এই বছৰৰ ভিতৰতে বা কম দিনৰ ভিতৰতে আমি সিদ্ধান্তত উপনীত হ'ব পাৰিম। আপোনাৰ জৰিয়তে মই বিধায়ক ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে তেখেতেও  Swimming pool টোৰ running and maintenance ৰ কৰ্তৃত্ব কাক দিলে ভাল হ'ব যিয়ে সেইটোক এটা resource হিচাপে  ব্যৱহাৰ কৰিব পাৰিব সেই ক্ষেত্ৰত যদি আমাক suggestion দিয়ে তেনেহ'লে নিশ্চয় তাৰ ওপৰত আমি ব্যৱস্থা গ্ৰহণ কৰিম। তেখেতে rural stadium ৰ কথা কৈছে, এই

বিষয়ত আমি বিবেচনা কৰিম। ইতিমধ্যে আমি mini stadium আৰু অন্যান্য ষ্টেডিয়ামসমূহ বিভিন্ন সমষ্টিবোৰত নিৰ্মাণ কৰি থকা হৈছে আৰু প্ৰতিটো সমষ্টিতে অতিকমেও এখনকৈ ষ্টেডিয়াম নিৰ্মাণ কৰা হ'বই- সেয়া হ'ল আমাৰ চৰকাৰখনৰ সিদ্ধান্ত। সেয়ে তেখেতে যি ঠাইত ষ্টেডিয়াম নিৰ্মাণৰ কথা কৈছে সেই ঠাইতেই দিয়া হ'ব। ইতিমধ্যে যিসমূহ sports infrastructure নিৰ্মাণ কৰা হৈছে সেইবোৰ চলোৱাৰ ব্যৱস্থাটোত আমি কিছু আগবাঢ়িছো, যেনেদৰে শুৱালকুছিত যিটো sports infrastructure নিৰ্মাণ কৰা হ'ল তাত JSW  ৰ লগত আমি MoU কৰি athletics, Taekwondo আৰু Judo ৰ উন্নয়ণ আৰু প্ৰসাৰৰ বাবে এটা আৱাসিক উৎকৰ্ষ কেন্দ্ৰ স্থাপন কৰিব বিচাৰিছো আৰু এইক্ষেত্ৰত যথেষ্ট কাম আগবাঢ়িছে। ঠিক তেনেধৰণে উত্তৰ গুৱাহাটীত এটা Swimming pool নিৰ্মাণ কৰা হৈছে, সেইটো  Centre of Excellence হিচাপে কৰিবলৈ লোৱা হৈছে। গতিকে আন্ত:গাঁথনি যেনেধৰণৰে নহওঁক কিয় আমি গোটেইখিনি operate কৰিম আৰু তাত স্থানীয় Sports Association, District Authority আৰু বিধায়কসকলৰ লগতো আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ । এতিয়া শ্ৰী দীপক কুমাৰ দাস।

**শ্ৰী দীপক কুমাৰ দাস (বৰপেটা) :** মাননীয় অধ্যক্ষ মহোদয়, মোক পৰিপূৰক প্ৰশ্ন এটা সুধিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। ধৰ্মেশ্বৰ ৰয় ডাওঁৰীয়াই শুধা প্ৰশ্নৰ পৰিপূৰক হিচাপে মই আৰম্ভ কৰিছো যে বৰপেটা জিলাত এখন ষ্টেডিয়াম আছে এগৰাকী ঐতিহাসিক পুৰুষৰ নামত –'ৰামৰায় ষ্টেডিয়াম'। কিন্তু তাত বৰ্তমানলৈ কেৱল এটা ভৱন হে নিৰ্মাণ হ'ল, track, swimming pool, boxing court আদিবোৰ নিৰ্মাণ কৰা হোৱা নাই। গতিকে সেইখন জিলা পৰ্য্যায়লৈ উন্নীতকৰণ কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিছে নে কি জানিব বিচাৰিছো। মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল যে বৰপেটাৰ ৰামৰায় ষ্টেডিয়ামখন ইতিমধ্যে  Directorate of Sports য়ে  অভিজিৎ ভট্টাচাৰ্য্য নামৰ এগৰাকী ব্যক্তিক লীজত দিছে। তেওঁ তাত ২০০০ টকাত এটা coaching আৰম্ভ কৰিছে, কিন্তু আগতে আমাৰ স্থানীয় সংগঠনে তাত ৭০০ টকাত শিকাইছিল, যাৰ

ফলত এতিয়া তাত প্ৰশিক্ষাৰ্থীৰ সংখ্যা কমি গৈছে। এইক্ষেত্ৰত যদি ষ্টেডিয়াম মেনেজমেন্টৰ কাৰণে কাৰোবাক লীজত দি পইছা আদায় কৰিব লাগীয়া হ'লে আমি কেনেকৈ skilled player সৃষ্টি কৰিব পাৰিম সেইটো আমাৰ বাবে আৰু বৰপেটাবাসীৰ বাবে এক ডাঙৰ প্ৰশ্ন হৈছে। বৰপেটাত খেলৰ ক্ষেত্ৰত এক বিশেষ সুনাম আছে।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া, ৰামৰা ষ্টেডিয়াম সন্দৰ্ভত উত্তৰ দিব।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তাত নিৰ্মাণৰ যিখিনি কাম হ'বলগীয়া আছিল সেইখিনি হৈ আছে। তেখেতে যি বিষয়ে অৱগত কৰিছে মই যিজন বিভাগীয় কৰ্তৃপক্ষ ইয়াৰ দায়িত্বত আছে, তেখেতক জনাই দিম আৰু মাননীয় সদস্যজনৰ পৰামৰ্শ লৈ ইয়াৰ ওপৰত কি কৰিব পৰা যায় তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিম। বাকী ক্ষেত্ৰত মই ইতিমধ্যে কৈছোৱেই যে আমাৰ ষ্টেডিয়ামসমূহ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বিভিন্নধৰণৰ যো-জা কৰি থকা হৈছে। তেখেতে এটা ব্যক্তিগত প্ৰতিষ্ঠান দিয়াৰ কথা কৈছে ইয়াৰ ওপৰত বৰ্তমান মোৰ হাতত তথ্য নাই। তেখেতে যিহেতু কৈছে আমি এইবিষয়ে আলোচনা কৰিম আৰু ইয়াতকৈ কিবা ভাল পদক্ষেপ লোৱাৰ বাবে বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে প্ৰত্যেকখন বিধান সভা সমষ্টিতে ষ্টেডিয়াম দিব বুলি কৈছে আৰু এই কথাখিনি যোৱাবাৰো চৰকাৰে কৈছিল। কিন্তু এইক্ষেত্ৰত তেনেকুৱা ধৰণৰ কোনো অগ্ৰগতি আমি দেখিবলৈ পোৱা নাই। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো যে ২৬ হাজাৰ খন গাওঁত এখনকৈ খেলপথাৰ নিৰ্মাণৰ কথা যোৱাবাৰ চৰকাৰে ঘোষণা

কৰিছিল । আজি উত্তৰ দিছে যে এতিয়ালৈকে অসমত ২৩৩ খন ক্ৰীড়া খেলপথাৰ আছে। ২৬ হাজাৰ খন গাওঁত খেলপথাৰ নিৰ্মাণ কৰাৰ পৰিকল্পনা কিমানদূৰ আগবাঢ়িল ? আৰু মোৰ বিধান সভা সমষ্টিত বৰবলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এখন ষ্টেডিয়াম নিৰ্মাণ কৰাৰ প্ৰস্তাৱ চৰকাৰৈল আহিছে। এই বিষয়ে মন্ত্ৰী মহোদয় অৱগত নেকি ?

**মাননীয় অধ্যক্ষ :** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, (মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যিটো কথা কৈছে, হয় । এতিয়ালৈকে সমষ্টি অনুপাতে এটাকৈ ষ্টেডিয়াম নিৰ্মাণ কৰাটো নতুনকৈ সমষ্টি হোৱাৰ বাবে কিছুমান এতিয়া ষ্টেডিয়াম বিহীন সমষ্টি হৈ আছে। এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মাননীয় সদস্য গৰাকীয়ে যি field development ৰ কথা কৈছে সেইক্ষেত্ৰত ইতিমধ্যে ৫০০ খনৰ কাৰণে ব্যৱস্থা লোৱা হৈছে আৰু পৰ্য্যায় ক্ৰমে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি থকা হ'ব। তেখেতে যিখন বিদ্যালয়ৰ কথা কৈছে এইবিষয়ে মোৰ হাতত তথ্য নাই আৰু মই পিছত তেখেতক এই বিষয়ে অৱগত কৰিম। ইয়াৰ ওপৰত নিশ্চয়কৈ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ :** এতিয়া পৰৱৰ্তী প্ৰশ্ন ২২৬। শিবু মিশ্ৰ ডাঙৰীয়াই ক'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী শিবু মিশ্ৰ, (লামডিং) :** মাননীয় অধ্যক্ষ মহোদয়, যদিও বিষয়টো ৰাষ্ট্ৰীয় ঘাইপথৰ বিষয়, তথাপিও চৰকাৰ তথা মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো যে NH-54 ত বহুবছৰ আগতে Manderdisa আৰু লামডিং ৰ মাজত এখন দলং নিৰ্মাণ কৰিছিল। তাত ৰাষ্ট্ৰীয় ঘাইপথ আৰু দলং নিৰ্মাণ কৰা হ'ল। এইখন Two way দলং আছিল। কিন্তু যোৱা ৩ বছৰৰ পৰা বাওঁফালৰ অংশটো বন্ধ হৈ আছে । ইয়াত ৰাষ্ট্ৰীয় ঘাইপথ সম্পৰ্কে বহুখিনি উত্তৰ দিছে । আমি

যেতিয়া গুৱাহাটীৰ পৰা লামডিঙত প্ৰৱেশ কৰো, আৰু যেতিয়া টাৰ্ণিং লওঁ, য'ত আমাৰ sub-way কাৰ্বি আংলং, ডিফুলৈ গৈছে। বাওঁফালে গ'লে লামডিং আৰু ডিফুলৈ যায় আৰু টাৰ্ণিং লোৱাৰ লগে লগে পোনে পোনে ডিমা হাচাও, মাইবং লৈ যাব পাৰো। টাৰ্ণিং লোৱাৰ লগে লগে তাত এগালমান মাটি পেলাই থোৱা আছে আৰু সৰুকৈ এখন ৰাস্তা বন্ধৰ চাইন বোৰ্ড লগাই থোৱা আছে। তাত গাড়ী সমূহে instantly right turn ল'ব লগা হয়। গাড়ী সমূহ যেতিয়া এটা গতিত গৈ থাকে আৰু হঠাতে যেতিয়া ৰাস্তা বন্ধ দেখা পায় আৰু instantly টাৰ্ণিং ল'বলগীয়া হয় তেতিয়া তাত গাড়ী সমূহ দূৰ্ঘটনাগ্ৰস্ত হয়। আমাৰ বিশেষকৈ ২-৪ চকীয়া বাহনসমূহে পোনপটীয়াকৈ মাটিত গৈ খুন্দা মাৰে। ইয়াৰ ফলত বহু দূৰ্ঘটনা হয়। ৰাষ্ট্ৰীয় ঘাইপথে ট্ৰেফিক মেনেজমেণ্ট লোৱা হৈছে বুলি উত্তৰ দিছে। টেকনিকেলি এই সমস্যাটো হোৱা ৩ বছৰমান হ'ল। প্ৰত্যেক মাহে অতি কমেও প্ৰায় ১-২ টা মান দূৰ্ঘটনা হৈ থাকে। এই বিষয়ে বহুকেইবাৰ ৰাষ্ট্ৰীয় ঘাইপথ অথ'ৰিটীৰ লগত কথা-বতৰা পতা হৈছে। কিন্তু তেওঁলোকে ইমান response নকৰে। আগতে তেওঁলোকৰ বৰাকভেলীত আছিল আৰু এতিয়া তেওঁলোকৰ মূল অফিচ কাজিৰঙালৈ গ'ল। এই দলং খন অতি সোনকালে NH Authority ৰ লগত যোগাযোগ কৰি নিৰ্মাণ কৰাৰ বাবে বিভাগীয় মন্ত্ৰী তথা চৰকাৰলৈ অনুৰোধ থাকিল। ধন্যবাদ।

**माननीय অধ্যক্ষ :** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, (সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, এই অঞ্চলটো ভূমিস্খলন প্ৰৱল এলেকা। কেৱল এইখিনিয়েই নহয়, আমি যেতিয়া হাফলং লৈ যাওঁ বহু অঞ্চলত ভূমিস্খলন হৈ থকা দেখিবলৈ পাওঁ। কিন্তু ভূমিস্খলন হৈ থকাৰ বাবে আমি ৰাস্তা নিৰ্মাণ নকৰাকৈ থাকিব নোৱাৰো। NHAI এ RITES Ltd. নামৰ এটা অৰ্গেনাইজেশ্যনক ইয়াৰ ওপৰত চাৰ্ভে কৰিবলৈ দিছে। অহা ৬ মাহৰ ভিতৰত তেওঁলোকৰ চাৰ্ভে ৰেকৰ্ড দাখিল কৰিবলৈ দিছে। মই ভাৱো যে তাৰ পিছত এই দলং খন অতি সোনকালে নিৰ্মাণ কৰা হ'ব আৰু তেতিয়া এই অসুবিধাখিনি নাইকিয়া হ'ব। এতিয়া চাৰি লেনযুক্ত পথটো ব্যৱহাৰ

কৰিব পৰা নাই বুলি মাননীয়  সদস্য গৰাকীয়ে বিতংভাৱে ক'লে, তাত যি দুৰ্ঘটনা হৈ আছে তাৰ ওপৰত ব্যৱস্থা লোৱা বুলি বিভাগে জনাইছে। মই ইয়াৰ ওপৰত আৰু ভালকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক নিৰ্দেশ দিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** এতিয়া পৰৱৰ্তী প্ৰশ্ন ২২৭। পৱিত্ৰ ৰাভা ডাঙৰীয়াই ক'ব।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, ( মন্ত্ৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো আচলতে জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ অন্তৰ্গত। কাৰণ স্বায়ত্ত্ব শাসিত পৰিষদ খন ষষ্ঠ অনুসূচীৰ যি প্ৰপোজেল এই বিষয়ে সেই বিভাগে জানে। আমি ইতিমধ্যে প্ৰশ্নটো forward কৰি দিছো আৰু এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**ডা: ৰণোজ পেগু, ( মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম)  ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী পৱিত্ৰ ৰাভা,  (প: গোৱালপাৰা) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিহেতু পূৰ্ব  পুৰুষৰ পৰা ভূমি পুত্ৰ হিচাপে আমাৰ সুকীয়া নাম আছে আৰু ৰাভা হিচাপে আমি পৰিচয় দি আহিছো। আমি ১৯৯৫ চনৰ পৰা ষষ্ঠ অনুসূচীৰ কাৰণে বিগত ৩০ বছৰে আন্দোলন কৰি আহিছো। আমাৰ জাতিটোৰ মৰ্য্যদাৰ কাৰণে আন্দোলন কৰি আহিছো। আমাৰ ইয়াত টংকেশ্বৰ ৰাভা ডাঙৰীয়া আছে। তেওঁৰ নেতৃত্বত প্ৰায় ২০ বছৰ ধৰি আমি আন্দোলন কৰি আহিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আমি সকলো জাতি-জনগোষ্ঠীক একেলগে লৈ জাতিটো আগবাঢ়িবলৈ গৈ আছে। তাৰ প্ৰেক্ষাপটত আমাৰ  ষষ্ঠ অনুসূচীটো যাতে অতি সোনকালে হয় তাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ৰ দ্বাৰা আহ্বান কৰিব বিচাৰিম। কেন্দ্ৰীয় চৰকাৰে এটা মধ্যস্থতাকাৰী অতি সোনকালে আমাৰ তাত পঠিওৱাৰ কথা আছিল। এই মধ্যস্থতাকাৰী যাতে অতি সোনকালে আমাৰ ষষ্ঠ অনুসূচীৰ মৰ্য্যদা দিয়াৰ বাবে আমাৰ তালৈ পঠিয়ায় তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**ডা: ৰণোজ পেগু, ( মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) ইত্যাদি ) :** মাননীয় অধ্যক্ষ মহোদয়, মিচিং, ৰাভা হাচং আৰু তিৱা এই ৩ খন স্বায়ত্ত্ব শাসিত পৰিষদক ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰাৰ দাবী কৰি থকা হৈছে আৰু শেহতীয়াভাৱে সোণোৱাল, ঠেঙালকছাৰী আৰু দেউৰী স্বায়ত্ত্ব শাসিত পৰিষদক ষষ্ঠ অনুসূচীত অন্তৰ্ভূক্ত কৰা হৈছে। ইতিমধ্যে অসম চৰকাৰে বিষয়টো পৰীক্ষা কৰাৰ বাবে এখন উপ-সমিতি গঠন কৰি দিছিল। এই কেবিনেট উপ-সমিতিখনে ২০২৪ চনত ইয়াৰ প্ৰতিবেদন দাখিল কৰে আৰু সেই প্ৰতিবেদনৰ ভিত্তিত যেতিয়া ভাৰত চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা যায় যে এই ৩ খন স্বায়ত্ত্ব শাসিত পৰিষদক সাংবিধানিক মৰ্য্যদা প্ৰদান কৰিব লাগে আৰু এই বিষয়ে কেন্দ্ৰীয় চৰকাৰে এটা সিদ্ধান্ত গ্ৰহণ কৰিব লাগে । ষষ্ঠ অনুসূচী পোনপটীয়াকৈ উল্লেখ কৰি ষষ্ঠ অনুসূচী প্ৰদান কৰিব লাগে কথাটো প্ৰতিবেদনত নোকোৱাৰ মূল কাৰণটো হ'ল ভাৰতীয় সংবিধানৰ যি ষষ্ঠ অনুসূচী অন্তৰ্ভুক্ত স্বায়ত্তশাসন, সেইটো এক Area ভিত্তিক বা Territorial স্বায়ত্তশাসিত পৰিষদ। ইয়াৰ কাৰণে প্ৰধান চৰ্ত হৈছে যে এখন জিলা গঠন কৰিব লাগিব আৰু সেই জিলাখনৰ কাৰণে স্বায়ত্তশাসিত পৰিষদ। আমি যদি কাৰ্বি আংলং বা ডিমা হাছাওৰ ক্ষেত্ৰতো যাওঁ, যে ইয়াৰ মূল চৰিত্ৰটোৱেই হৈছে যে ই জিলাভিত্তিক স্বায়ত্তশাসিত পৰিষদ। এতিয়া মিচিং স্বায়ত্তশাসিত পৰিষদ অসমৰ ১১ খন জিলাতেই বিয়পি আছে। ঠিক তেনেকে তিৱা স্বায়ত্তশাসিত পৰিষদ ৩-৪ খন জিলাত বিয়পি আছে। কিন্তু ৰাভা স্বায়ত্তশাসিত পৰিষদৰ ক্ষেত্ৰত, ৰাভা হাছংৰ ক্ষেত্ৰত তেওঁলোক কেৱল South কামৰূপ আৰু South গোৱালপাৰাৰ এটা নিৰ্দিষ্ট অঞ্চল বা এটা Territorial Council অঞ্চলত পৰিষদখন আছে। এতেকে মিচিং, ৰাভা বা আনকি মিচিং, তিৱা স্বায়ত্তশাসিত পৰিষদ, আনকি নতুনকৈ যি দাবী উত্থাপিত হৈছে, যিবোৰ Satellite Autonomous Council, তাত কেনেধৰণে জিলা গঠন কৰা হ'ব বা জিলা গঠন কৰাৰ বিকল্প ভাৰত চৰকাৰে ষষ্ঠ অনুসূচী সংশোধন কৰি কৰিব নেকি? District Autonomous Council 6th Schedule ৰ কাৰণে সুচল, কিন্তু

জিলা নোহোৱাকৈও ষষ্ঠ অনুসূচীত স্বায়ত্তশাসিত পৰিষদ গঠন কৰিব নেকি, এই সিদ্ধান্ত ভাৰত চৰকাৰে গ্ৰহণ কৰিব লাগিব। দ্বিতীয়তে, অধ্যক্ষ মহোদয়, আন এটা ব্যৱস্থা আছে ভাৰতবৰ্ষৰ সংবিধানত, এইটো হ'ল পঞ্চম অনুসূচী। যি পঞ্চম অনুসূচীত জনজাতীয় প্ৰধান অঞ্চল সমূহক তেওঁলোকক Scheduled Area হিচাপে ভাৰত চৰকাৰে স্বীকৃতি দিয়ে আৰু সেই অঞ্চলৰ মাটি-বাৰীৰ ক্ষেত্ৰত মূলত জনজাতীয় ৰাইজে এক সুৰক্ষা লাভ কৰে আৰু ইয়াৰ কাৰণে বিশেষ পঞ্চায়তী ব্যৱস্থা এটা এই পঞ্চম অনুসূচীত লাভ কৰে। আৰু যিটো এখন নতুন আইন, Panchayat Extension to Scheduled Areas Act, যাক আমি PESA Act বুলি কওঁ, PESA Act পঞ্চম অনুসূচীৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। আমাৰ ছত্তীশগড়, ঝাৰখণ্ড, মধ্যপ্ৰদেশ আদি অঞ্চলত পঞ্চম অনুসূচী আছে, কিন্তু অসমত পঞ্চম অনুসূচী নাই। কিন্তু ইয়াৰ কিবা সংশোধিত ৰূপ অসমৰ এই জনজাতীয় স্বায়ত্তশাসিত পৰিষদ সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পাৰে নেকি, এই বিষয়টোও আমি পৰীক্ষা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক আমি উনুকিয়াই দিছোঁ। তৃতীয় এটা ধাৰা ভাৰতবৰ্ষৰ সংবিধানত আছে যে ৰাজ্যসমূহলৈ বিশেষ ক্ষমতা। 371A ৰ পৰা Z লৈকে যিখিনি সূচী আছে, তাতে বিভিন্ন ৰাজ্যক তেওঁলোকৰ ভাষা, কৃষ্টি, সংস্কৃতি বা তেওঁলোকৰ নৃগোষ্ঠীগত অধিকাৰ ইত্যাদিৰ ক্ষেত্ৰত বিশেষভাবে ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে সংবিধানে Article 371 ত empower কৰিছে। ইয়াক Article 370 ৰ লগত confuse কৰিব নালাগে। Article 370 সম্পূৰ্ণৰূপে পৃথক। Article 371 বিভিন্ন ৰাজ্যৰ কাৰণে দিয়া বিশেষ ক্ষমতা। এতিয়া ইয়াত কি কৰিলে আমি এই অসমৰ জনজাতীয় পৰিষদ সমূহৰ সমস্যাক এক সাংবিধানিক মৰ্যাদা দিব পাৰিম, এইটোৰ ক্ষেত্ৰত ইতিমধ্যে মাননীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ লগত মই আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, তেখেতৰ লগতে আমি স্বায়ত্তশাসিত পৰিষদ সমূহৰ প্ৰতিনিধি সকলক লৈ আমি আলোচনা কৰিছোঁ। আলোচনাৰ সময়ত মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই বিষয়টোৰ গভীৰতা উপলব্ধি কৰিছে আৰু উপলব্ধি কৰি কৈছে যে মই এজন উচ্চ পৰ্য্যায়ৰ বিষয়া তৎকালে মই এজন নিযুক্তি দিম, যি বিষয়খিনি সম্পূৰ্ণ ইয়াত বহুতখিনি Data লাগিব,

Information লাগিব, বহুতখিনি সাংবিধানিক Provision, Legal Expert ৰ Opinion লাগিব, গোটেই বিষয়খিনি পৰীক্ষা কৰাৰ বাবে তেখেতে আমাক আশ্বাস দিছে। আমি আশ্বস্ত হৈছোঁ। কেইদিনমান আগত মাননীয় মুখ্যমন্ত্ৰীয়েও মই নিজেই জানোঁ, তেখেতে গৃহমন্ত্ৰীৰ লগত পুনৰ কথাখিনি আলোচনা কৰিছে। গতিকে সাংবিধানিক মৰ্যাদাৰ ফালে আমি ইয়াৰ এটা Logical Conclusion ৰ কাৰণে আমি খুব সোনকালে আগুৱাই যাম আৰু বৰ্তমান যি পৰিষদ বৰ্তি আছে, তেওঁলোকলৈ অসম চৰকাৰৰ পূৰ্ণ সহায়-সহযোগিতা এইখিনি অব্যাহত থাকিব। ধন্যবাদ।

**শ্ৰী পবিত্ৰ ৰাভা, পশ্চিম গোৱালপাৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আশাবাদী, মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমাৰ যাতে যিবোৰ ক্ষুদ্ৰ- ক্ষুদ্ৰ জাতি-জনগোষ্ঠী আছে, তেওঁলোককো যাতে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আমি নিশ্চয় আশাবাদী। অতি সোনকালে যাতে সমাধান হয়, আমি আশাবাদী।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ I supplementary?

**শ্ৰী টংকেশ্বৰ ৰাভা, দুধনৈঃ** মাননীয় অধ্যক্ষ মহোদয়, ২২৭ ত supplementary ক'ব কাৰণে সুযোগ দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিলোঁ। মন্ত্ৰী মহোদয়ে উত্তৰটো দিছে, মই এই মুহূৰ্তত সুখী। কিন্তু এটা কথা উনুকীয়াই দিব বিচাৰিছোঁ যে, এই প্ৰশ্নটোৰ লগতে মই এটা কথা ক'ব বিচাৰিছো যে ২০২৪ ৰ ৯ ফেব্ৰুৱাৰীত অসম চৰকাৰৰ পৰা ৰাভা হাছং, মিছিং আৰু তিৱাক Constitutional Status দিব লাগে বুলি Union Ministry of Tribal Affairs লৈ এখন চিঠি গৈছিল I Union Ministry of Tribal Affairs ৰ পৰা Home Ministry লৈ চিঠিখন গ'ল আৰু Union Home Ministry ৰ পৰা Tribal Affairs লৈকে ১৮ জুনত চিঠিখন back হ'ল আৰু Union Tribal Affairs Ministry এ অসমৰ Tribal Affairs লৈকে ২৯ চেপ্টেম্বৰত আমাৰ চৰকাৰলৈকে চিঠিখন ঘূৰি আহিল। সেই চিঠিখনত mention কৰি দিলে যে অসম চৰকাৰে যিখন চিঠি কেন্দ্ৰ চৰকাৰলৈ প্ৰেৰণ কৰিছে regarding Constitutional Status ৰ সংক্ৰান্তত ৰাভা হাছং,

মিছিং আৰু তিৱা Autonomous Council ৰ চিঠিখনত দুটা point উল্লেখ কৰিছে। শেষৰ point টোত উল্লখ কৰিছে যে অসম চৰকাৰে ৰাভা হাছং, মিছিং আৰু তিৱা Autonomous Council ক Constitutional Status টো দিয়া বুলি কৈছে, কিন্তু যিটো appropriate action, বিশেষকৈ কি schedule ত হ'ব বা যদি clearly mention কৰি চিঠিখন আকৌ back কৰি Reportটো দিবৰ কাৰণে কৰিছে । মই এই কথাখিনি ক'ব বিচাৰিছোঁ যে সেইটো হ'ল ২৪ চনৰ চেপ্তেম্বৰ মাহৰ কাহিনী। মন্ত্ৰী মহোদয়ে কৈছে যে ২৫ চনৰ ২৫ ডিচেম্বৰত মাননীয় গৃহমন্ত্ৰীৰ পৰ্যায়ত আলোচনাখন সুন্দৰ হ'ল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, তেখেত আৰু মই নিজেও সেই মিটিংখনত আছিলোঁ। ২৫ তাৰিখৰ পিছত ২৬ তাৰিখে মাননীয় গৃহমন্ত্ৰী মহোদয়ে এটা tweet কৰিলে যে ইয়াৰ ওপৰত এটা appropriate step ল'ব i.e., within the month of January 2026 দি দিব আৰু আজি জুলাইৰ মাহ শেষ হ'বৰ হ'ল। মোৰ প্ৰশ্নটো এইটো যে Union Home Ministry য়ে যিখিনি ক'লে যে তাৰ উত্তৰটো গৈছে নে যোৱা নাই, সেইটো মই জানিব বিচাৰিছো। দ্বিতীয় কথাটো হ'ল যে যিহেতু কেন্দ্ৰীয় চৰকাৰে এটা সুন্দৰ পদক্ষেপ লৈছে আৰু মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, তেখেতে এইটো কৰিব আৰু যোৱা নিৰ্বাচনৰ সময়ত দুবাৰ-তিনিবাৰ মোৰ সৈতে campaign কৰিবলৈ আহোঁতেও উল্লেখ কৰিছে যে এই অঞ্চলৰ ৰাইজৰ অভাৱ-অভিযোগৰ সংক্ৰান্তত ইতিমধ্যে মই আলোচনা আৰম্ভ কৰিছোঁ আৰু আপোনালোকে আমাক জিকাই পঠাওক, BJP শাসনলৈ আনক, আমি ইয়াৰ ওপৰত appropriate step ল'ম। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে Union Home Ministry য়ে যি appropriate step ল'ম বুলি নিৰ্বাচনৰ সময়ত কৈছিল, যোৱা ৬ মাহত কি appropriate step গ্ৰহণ কৰিলে সেই বিষয়ৰ ওপৰত মই জানিব বিচাৰিছো ?

**মাননীয় অধ্যক্ষঃ** যোৱা ৬ মাহত কি কৰিলে?

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) ইত্যাদি):** মাননীয় অধ্যক্ষ মহোদয়, কিছুমান আলোচনা কেৱল কাগজৰ চিঠিপত্ৰৰ আদান-প্ৰদানৰ

জৰিয়তে হয়। কিছুমান আলোচনা মুখামুখি, face-to-face বহি পেলাই আলোচনা হয়। গতিকে হয়, গৃহ মন্ত্ৰালয়ে আমাক বিচাৰিছিল আমাৰ পৰা নিৰ্দিষ্ট কিবা উত্তৰ আছে নেকি যে আমি Sixth Schedule directly ক'ম নে Fifth Schedule ক'ম, নে Article 371 কম, নেকি। আমি এই বিষয়টোৰ ওপৰতে আলোচনা বিচাৰিছোঁ আৰু সেইকাৰণে আমি গৃহমন্ত্ৰীক লগ কৰি তেখেতক আমি অনুৰোধ জনাইছিলোঁ। যোৱা ৬ মাহত মাননীয় মুখ্যমন্ত্ৰীয়ে এখন চিঠিও draft কৰিছে আৰু তেখেতে গৃহমন্ত্ৰীৰ লগত কথা পাতিছে যে এই বিষয়টো সোনকালে আমি আগুৱাই নিব লাগে। যিহেতু বিষয়টোত কিছু বিভিন্ন sensitive দিশ কিছুমানো জড়িত হৈ আছে, সেইকাৰণে আমি মুখামুখিকৈ আলোচনা কৰি আগুৱাই লৈ যাম। লগতে মই এই কথা পবিত্ৰ সদনক জনাইছোঁ যে যেতিয়া এটা চূড়ান্ত মীমাংসাৰ ফালে যাম, আমি all stakeholder ৰ লগত, সকলো পক্ষৰ লগতে আমি আলাপ-আলোচনা কৰিম। আমি এটা শান্তিপূৰ্ণ, amicable, সকলোৰে বাবে গ্ৰহণযোগ্য আৰু count effective, ই যাতে এটা চিৰস্থায়ী সাংবিধানিক ব্যৱস্থা হয়, তাৰ কাৰণে আমি প্ৰচেষ্টা চলাম, ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** পৰৱৰ্তী প্ৰশ্ন ২২৮। মাননীয় সদস্য শ্ৰী আশ্ৰাফুল ইছলাম শ্বেখ।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি):** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মোঃ আশ্ৰাফুল ইছলাম শ্বেখ, পৰ্বতঝোৰাঃ** মাননীয় অধ্যক্ষ মহোদয়, My first supplementary question, former President of ABMSU, martyr Lafikul Islam Ahmed was brutally killed by miscreants in 2017, 1st August. অধ্যক্ষ মহোদয়, ABMSUৰ প্ৰয়াত সভাপতি বীৰ শ্বহীদ লাফিকুল ইছলাম আহমেদ তেখেত কেৱল ছাত্ৰ নেতাই নাছিল, he was a voice of BTC and he was a strong pressure group of Assam. অধ্যক্ষ মহোদয়, আজিও বুকুখন বিষায় যেতিয়াই আমাৰ শ্বহীদ লাফিকুল ইছলাম আহমেদৰ হত্যাকাৰী

আজিলৈকে গ্ৰেপ্তাৰ নহ'ল, ইয়াৰ মন্ত্ৰী মহোদয়ৰ উত্তৰত লিখা হৈছে যে ০১-০৮-২০১৭ তাৰিখে তিতাগুৰি বজাৰত গুলি চালনাৰ ঘটনা সংঘটিত হয় । সেইটো গুলি চালনা অকল লাফিকুল ইছলাম আহমেদৰ লগতে সংঘটিত হৈছিল। ইয়াত উত্তৰত লিখা হৈছে, যে Under Section 120(B), 302, 326, IPC r/w Section 25 sub-clause (a) ত CBI য়ে গোচৰ দিছে কিন্তু আজি ইয়াতে স্পষ্টকৈ লিখিত দিছে যে, ৪ জন অভিযুক্ত আছিলে । কিন্তু ৪ জন অভিযুক্তৰ এজনো এতিয়ালৈকে গ্ৰেপ্তাৰ নহ'ল । কি কাৰণত আৰু কিহৰ বিসংগতিৰ কাৰণে গ্ৰেপ্তাৰ নহ'ল ? Is this case framed or fabricated? কাৰণ এই case টোত এজন অভিযুক্তৰ বাহিৰে আন তিনিজন অভিযুক্ত পলাতক বুলি charge sheet ত উল্লেখ কৰিছে। এই ৪ জন অভিযুক্তৰ ভিতৰত এজনো গ্ৰেপ্তাৰ নহ'ল । অসম চৰকাৰৰ বিভিন্ন সময়ৰ বিভিন্ন investigation ত দেখা গৈছে যে, প্ৰয়োজন হ'লে out of State গৈও পেলাইও সেই অভিযুক্ত সমূহক ধৰি অনা হয় কিন্তু ইয়াতে ৪ জনৰ ভিতৰত এজন অভিযুক্তও যদি বাহিৰত আছে, তেখেতকো এতিয়ালৈ গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে। এই এমছুৰ প্ৰয়াত সভাপতি গৰাকীৰ ন্যায়ৰ অপেক্ষাত সমগ্ৰ BTC ৰ'লাগি চাই আছিল। Not a single drop of justice has been paid to his family. আজিও মোৰ বুকুখন বিষাই এই কথা ভাবিলে যে, এই অভিযুক্ত কেইগৰাকীক কেতিয়া গ্ৰেপ্তাৰ কৰা হ'ব, এই বিষয়টোৰ ওপৰত মই মাননীয় সংসদীয় বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী please reply.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, গ্ৰেপ্তাৰ নোহোৱা বুলি কোৱাটো ভুল হ'ব । এই case টো প্ৰথমতে অসম চৰকাৰৰ SIT য়ে চাইছিলে আৰু ৬ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছিলে। তাৰ পাছত ঘটনাটোৰ গুৰুত্ব উপলব্ধি কৰি অসম চৰকাৰে কেচটো CBI লৈকে হস্তান্তৰ কৰিছিল । CBI য়ে কেচটো তদন্ত কৰি ৪ জন ব্যক্তিৰ বিৰুদ্ধে চাৰ্জশ্বীট দিলে। তাৰে ৩ জন ব্যক্তি পলাতক আৰু তেওঁলোকৰ বিৰুদ্ধে standing warrant বা স্থায়ী warrant জাৰি কৰা হৈছে। কেচটো বৰ্তমান চলি আছে আৰু হয়টো তেওঁ জামিনত আছে। বৰ্তমান

গোচৰটো CBI ৰ বিশেষ মহামান্য ন্যায়াধীশৰ আদালতত চলি  আছে। যিহেতু কেচটো এতিয়াও চলি আছে আৰু কেচটো সমাপ্ত হ'লে নিশ্চয়কৈ দোষীয়ে শাস্তি পাব।

**মাননীয় অধ্যক্ষঃ** কেচটো Sub-judice হৈ আছে।

**মোঃ আশ্ৰাফুল ইছলাম শ্বেখ, পৰ্বতঝোৰাঃ** মোৰ দ্বিতীয় supplementary এটা আছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ইয়াত ৬ জন আচামী গ্ৰেপ্তাৰ কৰা হৈছে। কিন্তু যেতিয়া Special Investigation Team এটা গঠন কৰা হ'ল, সেই SIT ৰ সময়ৰ তদানীন্তন APS Headquarter ৰ ত আছিল শ্ৰী প্ৰকাশ মেধি, তাৰ পাছত শ্ৰী অনুৰাগ তাংখা আদি কৰি এখন বিশেষ তদন্তকাৰীৰ টিম গঠন কৰা হৈছিল, যাক আমি Special Investigation Team বুলি কওঁ। সেই SIT য়ে ৬ জন আচামীক গ্ৰেপ্তাৰ কৰিছিল। সেই সময়ত সমগ্ৰ অসমত কম্পিত হৈছিল। আৰু তেতিয়াই এই ৬ জন আচামীক গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু main চাৰিজন culprit ক এতিয়ালৈকে গ্ৰেপ্তাৰ কৰা নহ'ল। মই আশাবাদী আৰু মই নিজেও কিমান ধৰ্ণা দিছিলো। আপুনিও জানে, যে লাফিকুল ইছলাম আহমেদ ডাঙৰীয়া কিমান ভাল মানুহ আছিল। তেখেতে সমগ্ৰ BTC অঞ্চলৰ সংখ্যালঘু জনগণৰ লগত এজন ত্ৰাণকৰ্তাৰ নিচিনা হৈ কাম কৰিছিল। গতিকে তেখেতৰ হত্যাকাৰী যি দোষী, এই দোষীক, অতি সোনকালে শাস্তি দিব লাগে। Marbury v. Madison ৰ এটা clause আছিল আৰু তেনেকৈ Judicial Review কৰিব পাৰি। যি CBI ক আমি ইমান বিশ্বাস কৰো, সেই CBI য়ে যদি এনেকুৱা গাফিলতি কৰে, য'ত আজিলৈকে এটা কেচ ২০১৭ ৰ পৰা চলিছে আৰু ২০২৩ চনতহে, তেখেতসকলে ইয়াৰ চাৰ্জশ্বীট দিছে। অসমত এনেকুৱা বহুতো হত্যাকাণ্ড হৈছিল। অসমীয়া প্ৰতিদিন কাকতৰ কাৰ্যবাহী সম্পাদক স্বৰ্গীয় পৰাগ কুমাৰ দাস, কমলা শইকীয়া অনিল বৰুৱাৰ দৰে যাতে নহয়। সেইকাৰণে, অধ্যক্ষ মহোদয়, স্বৰ্গীয় লাফিকুল ইছলাম আহমেদৰ হত্যাকাণ্ডৰ ন্যায়টো আমি তীব্ৰভাৱে বিধানসভাৰ মজিয়াত ৰাখিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী please reply.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো বিচাৰাধীন হৈ আছে। Sub-judice, কেচটো চলি আছে। কেচটো সমাপ্ত হৈ যোৱা নাই। নিশ্চয়কৈ ইয়াৰ সুফল ওলাব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ । মাননীয় বিৰোধীৰ দলপতিয়ে  যদি কয় তেনেহ'লে মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰে ক'বলৈ সুযোগ নাপাই।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, (বিৰোধীৰ দলপতি) :** মাননীয় অধ্যক্ষ মহোদয়, এই কেচটো অতি গুৰুত্বপূৰ্ণ। এই কেচটো ২০১৭ চনৰ ঘটনা। কিন্তু অত্যন্ত দুৰ্ভাগ্যজনক কথা, যে কেচটো আজিও ২০২৬ ত চলি আছে। আজি ৯ বছৰ ধৰি এই আচামী কেইজনক ধৰিব পৰা নাই। ইয়াৰ বিচাৰ প্ৰক্ৰিয়া কেতিয়া শেষ হ'ব? গতিকে চৰকাৰৰ ইয়াত সদিচ্ছা নাই নেকি? পলাতক হৈ কিমান দিন থাকিব? এনেকুৱা ঘটনাটো আমি আজিলৈকে শুনা নাই। এই প্ৰথম ঘটনা আমি শুনিলো, য'ত ৯ বছৰ ধৰি আচামী পলাতক হৈ আছে, কিন্তু এই আচামী কেইজনক ধৰিব পৰা নাই। গতিকে চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব দিবনে নাই, এইটোৱে হ'ল মোৰ প্ৰশ্ন।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী please reply.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, CBI য়ে ইতিমধ্যে এজনক ধৰিছে আৰু তিনিজন পলাতক। এই পলাতকক standing warrant দিয়া আছে। এনেকুৱা নহয় যে কেচটো চলি থকা নাই, কেচটোত গুৰুত্ব দিয়া নাই। অধ্যক্ষ ডাঙৰীয়া, চাৰিজন accused। তাৰে তিনিজন পলাতক আৰু তাৰে এজন bail ত আছে। যেতিয়া কোৰ্টত কেচটো শেষ হ'ব আৰু তেওঁ যদি দোষী হয় নিশ্চয় শাস্তি পাব। অধ্যক্ষ ডাঙৰীয়া, এনেকৈ কোৱা হৈছে যে কেচটোৰ কাৰণে CBI য়ে কাম কৰা নাই। তেনেকৈ ক'লে, ইয়াৰ পৰা message টো বেয়াকৈ যাব। মই আকৌ কৈছো, কেচটো চলি আছে, sub-judice হৈ আছে। তিনিজনক পলাতক বুলি কৈছে, কিন্তু warrant দিয়া আছে। এইটো নহয় যে, তেওঁলোকক বিচাৰি থকা নাই, তেওঁলোকক বিচাৰি থকা হৈছে আৰু এজন

জামিনতহে আছে আৰু অভিযুক্ত হ'লে চিধা জেলত সোমাব নোৱাৰে। যিজন ব্যক্তি পলাতক অৱস্থাত আছে তেওঁক বিচাৰি আছে। তেনেকুৱা বহুতো কেচ আছে। আপোনালোকৰ দিনতো তেনেকুৱা বহুতো কেচ ওলাব, য'ত বিচাৰিয়েই আছে। গতিকে কেচটো চলি আছে।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ,চেঙাঃ** বিষয়টো অত্যন্ত চিৰিয়াছ। আপোনালোকে seriously লওক। লাগিলে CBI ক approach কৰক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** আপোনালোকে দাবী কৰিলো, তাৰ পিছত CBI ক দিলে। বৰ্তমান CBI য়ে কেছটো চাই আছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান, দলগাঁওঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সংসদীয় মন্ত্ৰীয়ে যিখিনি কথা কৈছে, কথাটো হৈছে যে, আপুনি ফালৰি কাটি যাব নোৱাৰে। অসমত পুলিচ আছে, আইন আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি প্ৰশ্নটো কওক।

**শ্ৰী মজিবুৰ ৰহমান, দলগাঁওঃ** মাননীয় অধ্যক্ষ মহোদয়, CBI য়ে charge sheet submit কৰিছে, সেইটো ভাল কথা। CBI য়ে charge sheet submit কৰাৰ চাৰিজনৰ ভিতৰত তিনিজন পলাতক আছে। আজি ৪ বছৰ ধৰি পলাতক । ২০২৩ ত submit কৰিছে। তিনিবছৰৰ আগতে charge sheet submit কৰিছে। একেবাৰে charge sheet যেতিয়া submit কৰে, তেতিয়া সি মানে ফাইনেলী গুচি যায় যে, সি আল্টিমেটলি এজন আচামী। এইটো বিচাৰৰ দিন হ'ব। কিন্তু বিচাৰ কেনেকৈ কৰিব যদি মানুহক ধৰি আনি সুমুৱাব নোৱাৰে ? আপোনাৰ প্ৰশাসনে বা পুলিচে কি কৰিছে? গতিকে মই ভাৱো আজি IGP ক অৰ্ডাৰ দিব লাগে যাতে এই তিনিজন ব্যক্তি য'তে আছে, ভাৰতৰ ভিতৰত নে ভাৰতৰ বাহিৰলৈ পলাই গ'ল আৰু যদি ভাৰতত আছে তেনেহ'লে ধৰি আনি স্বৰ্গীয় লাফিকুলৰ এই বিচাৰটো কৰিব লাগে আৰু ন্যায় পাব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** এই গোটেই কথাটো contradictory.

**(সদনত হুলস্থূলীয়া পৰিৱেশ)**

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** আপোনালোকে অসম আৰক্ষীক accuse কৰিব নোৱাৰে। CBI লৈ হস্তান্তৰ কৰিছে, অসম পুলিচক কেনেকৈ ক'ব পাৰে? আপুনি নীতি-নিয়ম নাজানে নাকি?

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ মাজৰ এজন সদস্যই কৈছে যে, CBI য়ে charge sheet দিছে। তাৰ মানে CBI success হৈছে। গতিকে এনে ধৰণৰ contradictory প্ৰশ্ন নকৰিব।

**(সদনত হুলস্থূলীয়া পৰিৱেশ)**

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় সদস্যগৰাকীয়ে স্বৰ্গীয় পৰাগ দাস ডাঙৰীয়াৰ হত্যাৰ কথা কৈছিলে। অধ্যক্ষ ডাঙৰীয়া, কংগ্ৰেছে অসমত ১৫ বছৰ শাসন চলালে আৰু তেতিয়া দিল্লীত ১০ বছৰ কংগ্ৰেছে চৰকাৰে শাসন কৰিছিল।

**(সদনত হুলস্থূলীয়া পৰিৱেশ)**

**মাননীয় অধ্যক্ষঃ** আপোনালোকে বহক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মই CBI ৰ কথা কৈছো, কংগ্ৰেছৰ চৰকাৰ আছিল। তেওঁলোকে তেতিয়া একো কৰিব পৰা নাছিল। CBI আপোনালোকৰ দিনত নাছিল নেকি ?

**(সদনত হুলস্থূলীয়া পৰিৱেশ)**

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপোনালোকে অনুগ্ৰহ কৰি বহক। এতিয়া প্ৰশ্ন নং ২২৯ শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ। Absent.

(মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ সদনত উপস্থিত নাই)

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ২৩০, মোঃ নুৰুল ইছলাম।

**মঃনুৰুল ইছলাম, ( সৃজনগ্ৰাম )** ঃ অধ্যক্ষ মহোদয়, সৃজনগ্ৰাম সমষ্টিৰ পথৰ কেইবাটাও মেৰামতিৰ কাম নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে লগতে **Work order** ও হৈছে। উক্ত কাম কেইটা যোৱা ডিচেম্বৰ মাহত আধাৰশিলাও স্থাপন হৈছে কিন্তু আজিলৈকে কাম আৰম্ভ হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মনোজ কুমাৰ ৰায়, ঋতু কুমাৰ দাস, আৰু **Newtech Group of Construction** ৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হ'বনে নাই **?**

**শ্ৰীমৃনাল শইকীয়া, ( খুমটাই)** ঃ ছাৰ, **Point of Order –** ছাৰ মোৰ **Unstarred Question No- 572** মই এইটো **starred Question** ত দিছিলো কিন্তু **Unstarred** ত আহিছে। মোৰ এটা প্ৰশ্ন আছিল যে, ২০২৫ বৰ্ষত কিমান গাহৰী ছোৱাইন ফ্লুত আক্ৰান্ত হৈ মৃত্যু হৈছে। ইয়াত উত্তৰ দিছে যে, ছোৱাইন ইনফ্লুৱেঞ্জাৰ ওপৰত অসমত চলিত বৰ্ষত কোনো গাহৰী মৃত্যু হোৱাৰ তথ্য নাই। মই ২০২৫ বৰ্ষৰ কথা কৈছিলো কিন্তু ইয়াত চলিত বৰ্ষৰ কথা কৈছে আৰু এটা মই কোৱেশ্যন দিছো যে, বাহিৰা ৰাজ্যৰ পৰা কিমান গাহৰী অসমলৈ আমদানী হয় **?** ইয়াত উত্তৰ দিছে যে, অসমত এটাও বাহিৰৰ গাহৰী নাহে। কিন্তু মই এইটো মানি নলওঁ, কাৰণ আমাৰ মাৰ্কেট বিলাকত বহু বাহিৰৰ গাহৰীৰে ভৰ্তি হৈ থাকে। যদি আমাৰ বাহিৰৰ গাহৰী আহে , আমাৰ যিটো পল্ট্ৰী ইক'নমী আছে ,অথবা গাহৰী অৰ্থনীতি আছে সেইটো কিন্তু সম্পূৰ্ণৰূপে ধ্বংস হৈ যাব। আমাৰ ৰাজ্যৰ বহু জিলা আছে, য'ত গাহৰীটোৱে এটা ডাঙৰ ইক'নমী আৰু এটা কথা- যিটো আমাৰ মহিলাসকলক উদ্যমিতা আঁচনি দিছে চৰকাৰে, আমাৰ বেছিভাগ মহিলাই গাহৰী কিনিছে। গতিকে বাহিৰৰ গাহৰী অহা যদি বন্ধ নহয়, সেইসকল মহিলা কিন্তু নিগমে মৰিব। যেতিয়াই আমাৰ গাহৰীৰ প্ৰডাকশ্যন বাঢ়ি যায় তেতিয়াই হয় ছোৱাইন ফ্লু নহ'লে বাহিৰৰ গাহৰী মাৰ্কেটত ভৰি যায়। মোৰ এটা সন্দেহ আছে যে, ছোৱাইন ফ্লু ভাইৰাছটো ইয়াত কোনোবাই পেলাই দিয়ে নেকি ইয়াত যাতে আমাৰ থলুৱা গাহৰীবিলাক মৰে আৰু হাৰিয়ানা- গুজৰাটৰ গাহৰীবিলাক আহি আমাৰ বজাৰ ভৰি পৰিব পাৰে। আমাৰ ভেটেৰেনাৰী ডিৰ্পাটমেন্টেও গাহৰী বিলাক হত্যা কৰি পেলায় যে ছোৱাইন ফ্লু বিয়পি পৰিব।

হত্যাৰ বিনিময়ত গাহৰীৰ মালিকসকলে পইচাও  কিন্তু পোৱা নাই , বিভাগে পইচা দিম বুলি কৈছিল। সেইকাৰণে এনেকুৱা অনুচিত উত্তৰ দিয়াটো ঠিক হোৱা নাই , আপোনাৰ জৰিয়তে মই ইয়াৰ  উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আপুনি মোক এখন লিখিত ৰূপত দিব । মই এইটো breach of Privilege  আনিম যদি আপোনালোকে Motion  আনে।

**শ্রীআব্দুৰ ৰহিম আহমেদ, (চেঙা )** ঃ অধ্যক্ষ মহোদয়, এনে দায়সৰা উত্তৰ বিভিন্ন বিভাগৰ উত্তৰত আহে । বিষয়াসকলে গুৰুত্ব নিদিয়ে । বিষয়টো প্রিভিলেজত আনিব লাগে। উত্তৰ দিওতে চিৰিয়াচ নহয়।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মই বিষয়টো প্রিভিলেজ কমিটিত দিম।

**শ্রীশ্বেৰমান আলি আহমেদ, (মন্দিয়া)**ঃ ছাৰ , মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে, **Unstarred Question No-556 – APDCL** ৰ পৰা বাৰে বাৰে চিঠি লিখিছে বিভিন্ন অফিচাৰলৈ যে, যিসকল  **Out source Employee** আছে, তেওঁলোকক **Regular Under fixed enhance pay** ৰ আওঁাৰত আনিব । এতিয়া  **Out source Employee** বুলি ক'লে আমি কি বুজো ? আউট চোৰ্চ এমপ্লই মানে আমি বুজো , যে কোনোবা কনট্ৰেক্টৰে চাপ্লাই দিছে তেনেকুৱাহে বুজো । এতিয়া এ পি ডি চি এলে যদিও চিঠিখনত লিখিছে যে, আউট চোৰ্চ এমপ্ল'ই কিমান আছে কিন্তু লিষ্ট দিয়া – ইয়াত তেওঁলোকে ক'লে আউট চোৰ্চ এমপ্লই মানে Directly engaged through APDCL . If they are directly engaged through APDCL , how do will be outsource ? It meant  that the Employees were supplied by some contractors to the APDCL they will supposed to be brought under the fixed and management procedure . গতিকে এই ভূল উত্তৰ  কেনেকৈ দিছে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এইখন মোক লিখিত ৰূপত দিয়ক , মই প্রিভিলেজ কমিটিত দিম । এতিয়া আছে- শূন্যকালীন ঘন্টা । মই এইখিনিতে এটা কথা

আপোনালোকক জনাব বিচাৰিছো – সাধাৰণতে শূন্যকালীন ঘন্টাত ৩ টা বিষয় ডিচকাশ্যন কৰো। এই ডিচকাশ্যনটো কেতিয়াবা আধা ঘন্টাতে শেষ হয় আৰু কেতিয়াবা ৪০ মিনিট সময় লাগে। আজি 'জিৰো' আৱাৰ ৯ টা আহিছে। যিহেতু আপোনালোকে কষ্ট কৰি জিৰো আৱাৰত বিষয়বিলাক দিছে গতিকে মোৰ ইচ্ছা যে, সকলোৱে যাতে জিৰো আৱাৰত ৰেইজড কৰিব পাৰে। আপোনালোকে যদি কথাবিলাক বহলাই থাকে তেনেহ'লে ৩-৪ টাহে ল'ব লাগিব। গতিকে মই আজি সিদ্ধান্ত লৈছো যে, জিৰো আৱাৰত ৯ টাই আহিব আৰু মন্ত্ৰীও উত্তৰ দিব পাৰিব। এইটো কেৱল আজিয়েই নহয়, পৰৱৰ্ত্তী সময়তো থাকিব। আপোনালোকে যদি এটা ডিচকাশ্যনতে আধা ঘন্টা সময় লয় তেন্তে দুটাহে ল'ব পাৰিম , গতিকে মই আশা ৰাখিছো যে, সকলো মেম্বাৰে ৩ মিনিটকৈ ক'ব আৰু মন্ত্ৰীও ৩ মিনিটকৈয়ে উত্তৰ দিব। এনেকৈ যিমান কেইটা পাৰিম কৰি যাম।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (মেন্দিয়া)**ঃ অধ্যক্ষ মহোদয় মই ইয়াতে কেৱল এটা কথা যোগ দিব বিচাৰিছো যে, এই 'কোৱেশ্যন আৱাৰ'টোৰ প্ৰতি আমাৰ সকলো বিধায়কে আগ্ৰহী গতিকে গতিকে আপোনাৰ নেতৃত্বত ভালেখিনি আগবাঢ়িছে । যদি **BAC Meeting** ত ডিচকাশ্যন কৰি আমাৰ কোৱেশ্যন আৱৰটো ডেৰ ঘন্টালৈ বৃদ্ধি কৰিব পৰা যায় এইটো বিবেচনা কৰিব লাগে। এই বিষয়টো সদনেও চাৰ্পোট কৰিব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, আমি এই বিষয়টো বি এ চিত আলোচনা কৰিম । গোস্বামী ডাঙৰীয়া আপুনি মোক এখন চিঠি দিছিলে যে, বানপানীৰ কাৰণে আপুনি যোৰহাটলৈ যাব । গতিকে আপুনি যাব পাৰে । এতিয়া 'জিৰো আৱাৰ'ত ওৱাজেদ আলি চৌধুৰী ডাঙৰীয়াক 'দৈনিক অগ্ৰদূত বাতৰি কাকতত প্ৰকাশিত বান নিয়ন্ত্ৰণত কেৱল চৰকাৰী ভেল্কীবাজী , নিয়ন্ত্ৰণহীন মূল্য বৃদ্ধিত পৃষ্ঠ হৈছে সৰ্বসাধাৰণৰ দৈনন্দিন জীৱনযাত্ৰা শীৰ্ষক বিষয়টো তিনি মিনিটৰ ভিতৰত উত্থাপন কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰীওৱাজেদ আলি চৌধুৰী, ( বিৰোধী ধলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুল্যবৃদ্ধিৰ দৰে গুৰুত্বপূৰ্ণ বিষয় এটা সদনৰ শূন্যকালীন ঘন্টাত উত্থাপন কৰিবলৈ দিয়া বাবে ধন্যবাদ জনাইছো। অসমৰ নিত্য প্ৰয়োজনীয় খাদ্য সামগ্ৰী মূল্য বৃদ্ধিয়ে দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালসমূহক অধিক সংকটৰ মূখলৈ ঠেলি দিছে। শেহতীয়া ৩ সপ্তাহ মানৰ চাউল , মিঠাতেল , চেনী, ডাইল , কণী, আলু , পিয়াজ আৰু শাক-পাচলিৰ নিচিনা প্ৰায় সকলো অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধি পোৱাত সাধাৰণ গ্ৰাহকৰ ঘৰুৱা বাজেট সম্পূৰ্ণ বাজেট বিঘ্নিত হৈছে , বজাৰৰ তথ্য অনুসৰি বিভিন্ন ব্ৰেণ্ডৰ চাউলৰ দাম প্ৰ তি কিলোত ৫ ৰ পৰা ৮ টকালৈ বৃদ্ধি পাইছে , বিশেষকৈ জনপ্ৰিয় চাউল **BPT** চাউলৰ দাম প্ৰতি কিলোত ৮ টকাকৈ বৃদ্ধি পাইছে , একেদৰে মিঠাতেলৰ মূল্য লিটাৰত ৫ টকাকৈ বৃদ্ধি পাইছে। চেনীৰ মূল্য প্ৰতি  কেজি ৫- ৬ টকাকৈ বৃদ্ধি পাইছে আনহাতে কণীৰ মূল্যই অভিলেখ সৃষ্টি কৰিছে। বৰ্তমান খুচুৰা বজাৰত এটা কণীৰ মূল্য ১০ টকালৈ বৃদ্ধি পাইছে। আলু প্ৰতি কেজিত ৩৫ পৰা ৪০ টকা, পিয়াজ – ৪৫ টকাৰ পৰা ৫০ টকা দামত বিক্ৰী হৈ আছে  গুৱাহাটীৰ খুচুৰা বজাৰত অধিকাংশ শাক পাচলিৰ মূল্য ৬০ টকাৰ তলত  দূৰ্লভ হৈ পৰিছে। এই মূল্য বৃদ্ধিৰ ফলত নিম্ন আৰু মধ্যবৃত্ত পৰিয়ালসমূহ আটাইতকৈ বেছি ক্ষতিগ্ৰস্থ হৈ পৰিছে কাৰণ একে সামগ্ৰী ক্ৰ য় কৰিবলৈ দুগুনতকৈ অধি মূল্য দিবলগীয়া হৈছে। ইয়াৰ ফলত বহু পৰিয়ালে দৈনন্দিন প্ৰয়োজনীয়তা ক’মাবলৈ বাধ্য হৈ গৈছে। অৰ্থনৈতিক মহলৰ মতে এই ধাৰা অব্যাহত থাকিলে সাধাৰণ লোকৰ ক্ৰয় ক্ষমতা অধিক হ্ৰাস পোৱাৰ লগতে ৰাজ্যৰ সামগ্ৰীক অৰ্থনীতিতো ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিব। সেয়েহে খাদ্য ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগে মূল্য বৃদ্ধি নিয়ন্ত্ৰণৰ বাবে  ফলপ্ৰসু পদক্ষেপ গ্ৰহণ কৰি সৰ্বসাধাৰণ ৰাইজক সকাহ দিয়াৰ ব্যৱস্থা কৰিব লাগিব ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ— এতিয়া  মিনিষ্টাৰ, ফুড এণ্ড চিভিল চাপ্লাই।

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় সদস্য গৰাকীয়ে যিটো বাতৰিৰ কথা উল্লেখ কৰিছে এই বাতৰিটো সম্পূৰ্ণ শুদ্ধ নহয়। অধ্যক্ষ

ডাঙৰীয়া খাদ্য, ৰাজহুৱা বিতৰণ গ্ৰাহক পৰিক্ৰমা বিভাগে জিলা আয়ুক্ত সকলৰ সহযোগিতাত মুক্ত বজাৰত অত্যাবশ্যকীয় সামগ্ৰীৰ মূল্য আৰু মজুত নিৰীক্ষণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। অধ্যক্ষ ডাঙৰীয়া সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰদান কৰা দায়িত্ব অংশ হিচাপে খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াসকলে পাইকাৰী আৰু খুচুৰা দুয়োটা পৰ্য্যায়ত মুক্ত বজাৰত অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুত আৰু মূল্যায়ণ নিৰীক্ষণ কৰে। অধ্যক্ষ ডাঙৰীয়া যোৱা দুটা দিনত দুটা তিনিটা সামগ্ৰীৰ দাম বাঢ়িছে কিন্তু অধ্যক্ষ ডাঙৰীয়া যোৱা বছৰতকৈ কিছু সামগ্ৰীৰ দাম কমিছেও। গতিকে মই অধ্যক্ষ ডাঙৰীয়া কব খুচিছো চেনি, পিঁয়াজ আৰু মিঠাতেলৰ দাম অলপ অলপ যোৱা কেইদিনমানত বাঢ়িছে। কিন্তু অধ্যক্ষ ডাঙৰীয়া তেলৰ দাম যোৱা বছৰ আছিল ১৬৭.৪২ টকা, এই বছৰ বৰ্তমান অধ্যক্ষ ডাঙৰীয়া ১৫০.৫০ টকা যথেষ্ট কমিছে। অধ্যক্ষ ডাঙৰীয়া আকৌ মছুৰ দাইলো যোৱা বছৰ ৯০ টকা আছিলে এই বছৰ বৰ্তমান ৮৮ টকা হৈছে। অধ্যক্ষ ডাঙৰীয়া নিমখত অকণমান দুই পইছামান কমিছে। যোৱা বছৰ আছিলে ১১.৮৯ টকা আৰু এতিয়া অধ্যক্ষ ডাঙৰীয়া ১১.৭৫ টকা। গতিকে অধ্যক্ষ ডাঙৰীয়া বহুত বঢ়া নাই কোনোবাটোত কমিছে কোনোবাটোত বাঢ়িছে। যদি average ত চাও অধ্যক্ষ ডাঙৰীয়া সমানেই আছে। Inflation এই মুহুৰ্তত ভাৰতবৰ্ষত Inflation ৰেট বহুত কম, পৃথিৱীৰ অন্য দেশতকৈ কম। ৪ শতাংশ-৫শতাংশত অধ্যক্ষ ডাঙৰীয়া Inflation ৰেট থাকে। গতিকে অধ্যক্ষ ডাঙৰীয়া এই বাতৰিটো যেনেকৈ কৈছে তেনেকৈ সত্য নহয়, কিছু হয় মই স্বীকাৰ কৰিছো এটা দুটা বাঢ়িছে আৰু এটা দুটা কমিছেও মোটা মুটি average একে আছে অধ্যক্ষ ডাঙৰীয়া।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মই মাননীয় বিধায়ক শ্ৰী তুলিৰাম ৰংহাং ডাঙৰীয়াক The Sentinal বাতৰি কাকতত প্ৰকাশিত vast areas of land in tribal belts and blocks till encroached upon শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো। তিনি মিনিট সময়ৰ ভিতৰত। within 3 minutes.

**শ্ৰী তুলিৰাম ৰংহাং, (ৰংখাং)ঃ** (কাৰ্বি ভাষাত)

**শ্ৰী পীয়ুষ হাজৰিকা, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই একো বুজি পোৱা নাই।

**শ্ৰী তুলিৰাম ৰংহাং, (ৰংখাং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো মাননীয় মন্ত্ৰী মহোদয় যাতে আমাৰ মাতৃ ভাষা কাৰ্বি ভাষাটো জীয়াই ৰখাৰ স্বাৰ্থত যাতে ইয়াতে translator ৰাখে, তাৰ কাৰণে মই অধ্যক্ষ মহোদয় আপোনাক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী তুলিৰাম ৰংহাং, (ৰংখাং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Sentinal paper very serious of land in tribal belts and blocks still encroached upon. অধ্যক্ষ মহোদয় ,জানে আপুনি অধ্যক্ষ মহোদয় sixth schedule autonomous council Karbi Anglong এ হওক, Dima Hasao এ হওক আমাৰ sixth schedule area clause A Subject 1 paragraph 3 মতে land belong to under Karbi Anglong Autonomus Council. Assam Land Act 1880 তেনে Karbi Anglong Autonomus Council ত ১৯৫৩ আমি adopt কৰিছো। তাৰ পিছত ১৯৫০ ত আমি নিজৰ আইন বনাইছো, তাৰ পিছত ১৯৫৯ ত আমাৰ Governor Assent দিয়া হৈছে। তাত যিটো নেকি transfer of land act ইয়াত the sell, lease or transfer of lands to non tribals and tribal belts and blocks and strictly restricted. অধ্যক্ষ মহোদয়, আমাৰ যিবিলাকৰ tribals belts and blocks ৰ মাটি বহুত encroached হৈ আছে। গতিকে অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক request কৰিব বিচাৰিম যিটো নেকি ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰে তেখেতৰ দায়িত্ব লোৱাৰ পিছত শিলছৰ কাছাৰ অঞ্চলত উন্নয়নৰ কাম পুৰণ কৰাৰ স্বাৰ্থত তাতে mini secretariat বনোৱাৰ কল্পনা কৰিছে । এনেধৰণে ডিব্ৰুগড়, তিনিচুকীয়া, গোলাঘাট, যোৰহাটৰ ৰাইজক সুবিধা দিবৰ কাৰণে তাতো mini secretariat গঠন কৰা হৈছে। অধ্যক্ষ মহোদয়, কাৰ্বি আংলং আৰু ডিমা হাছাওত sixth schedule

ৰ মাটি সুৰক্ষিত কৰিবৰ কাৰণে আমি বহুতো encroacher পাইছো অধ্যক্ষ মহোদয় । তাত আমাৰ কাৰ্বি আংলংতে হওক ডিমা হাছাওতে হওক সেই encroacher বিলাক eviction কৰিবলৈ হলে আমাৰ হাতত Law and Order নাই State পিনে আছে। গতিকে অধ্যক্ষ মহোদয় মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিম যে কাৰ্বি আংলং আৰু ডিমা হাছাওাত আমাৰ নিজৰ মাটি যাতে ৰক্ষা কৰাৰ স্বাৰ্থত যে Law and Order কাৰ্বি আংলং আৰু ডিমা হাছাওৰ jurisdiction Law and Order টো যাতে আমাৰ power দিয়ে Council ক যাতে আমাৰ paragraph 20 ত পাইছো কিন্তু paragraph ২০ (B) A ক্ষমতাটো যাতে কাৰ্বি আংলংত autonomous council ত যাতে ক্ষমতাটো দিয়ে তাৰ পিছত Governor আমাক Assent দিব যাতে illegal encroacher বিলাকক সোনকালে eviction কৰিব পাৰো । মাননীয় অধ্যক্ষ মহোদয় কাৰ্বি আংলংত বহুতো encroacher আছে কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ তেখেতৰ আৰ্শীবাদ, তেখেতৰ সহায়ৰ কাৰণে আজি Inter state Border Nagaland হওক, জুদোকলনিয়ে হওক, ধানবস্তিয়ে হওক আমাৰ inter district border বৰ্ডাৰ, লাংকাজানেই হওক প্ৰায় ৩০০০ লৈ অধিক পৰিয়ালক আমি encroacher eviction কৰাত সফল হৈছো। অধ্যক্ষ মহোদয়, এনে ধৰণৰ আমি এতিয়াও PGR, VGR ৰ পৰা আৰম্ভ কৰি যিমানখিনি encroacher আছে সেইবিলাক যদি আমাৰ Law and Order যদি support দিয়ে আমাৰ কাৰ্বি আংলং autonomous council ৰ পৰা আমি সেইখিনি eviction কৰিব পাৰিম। অধ্যক্ষ মহোদয়, কাৰণ আমাৰ Law and Order State Government ৰ হাততে আছে। গতিকে paragraph ২০ (B) A যাতে Governor আমাক সেই ক্ষমতা দিয়ে তেনেহলে Law and Order আমাৰ কাৰ্বি আংলং autonomous council টো transfer হ'ব। অধ্যক্ষ মহোদয়, আমি আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যে within the jurisdiction of Karbi Anglong Auotonumous Council and Dima Hasao Autonomus Council- যে SP, DC আগতে ACR Annual Confidential Report যিয়ে CEM তেখেতে সেই

ACR  খন লিখে। ঠিক তেনেধৰণৰ OC, IC, Inspector ৰ transfer/posting within the Jurisdiction of Karbi Anglong Auotonumous Council and Dima Hasao Autonomus Council ত অনা ক্ষমতাটো দিয়ে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া tribel belt and block ৰ সন্মানীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত বৰ্তমান ৪৮ টা জনজাতীয় বেষ্টনী আৰু খণ্ড tribel belt and block আছে। ইয়াৰে ৩০ টা জনজাতীয় বেষ্টনী আৰু খণ্ড বি টি আৰ অঞ্চলত পৰে আৰু ২৯ টা জনজাতীয় বেষ্টনী আৰু খণ্ড non scheduled জিলা সমূহত পৰে। মাননীয় অধ্যক্ষ মহোদয়, জনজাতীয় বেষ্টনী আৰু খণ্ডসমূহ অসমৰ ভূমি প্ৰশাসন ব্যৱস্থাৰ এক বিশেষ আৰু সংবেদনশীল অংশ। এই অঞ্চলত বসবাস কৰা সংৰক্ষিত শ্ৰেণীৰ লোকসকলৰ ভূমিৰ অধিকাৰ যাতে সুৰক্ষিত থাকে, অধ্যক্ষ ডাঙৰীয়া আৰু তেওঁলোকৰ ভূমিৰ অবৈধভাৱে হস্তান্তৰ অধিগ্ৰহণ বা দখলত যাতে হেৰাই নাযায় সেই উদ্দেশ্যে অসম ভূমি আইন আৰু ৰাজহ অধিনিয়ম ১৮৮৬ অধ্যায়ৰ ১০ আৰু অসম ভূমিৰ নীতি ২০১৯ ৰ অধীনত বিশেষ বিধিগত ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া tribel belt and block টো মই ইতিমধ্যে কৈছো অত্যন্ত সংবেদনশীল। ট্ৰাইবেল সকল আমাৰ ভূমিপুত্ৰ, ট্ৰাইবেল সকলক আমি সুৰক্ষা দিব লাগে। গতিকে ট্ৰাইবেল সকলৰ ভূমি যাতে অন্য কোনো ব্যক্তিয়ে গৈ কৌশল কৰি হস্তান্তৰ কৰিব নোৱাৰে, আনকি কিনিবও নোৱাৰে মাননীয় অধ্যক্ষ মহোদয়। অধ্যক্ষ ডাঙৰীয়া আমাৰ এনেকুৱা কিছুমান অঞ্চল আছে ভূমি পুত্ৰ সকলৰ আৰ্থিক অৱস্থা বেয়া,  সেই আৰ্থিক অৱস্থা বেয়াৰ সুযোগ লৈ অধ্যক্ষ ডাঙৰীয়া বহু ব্যক্তিয়ে তাত গৈ মাটি কিনি লয়। গতিকে অধ্যক্ষ ডাঙৰীয়া অসমত এই ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ব্যৱস্থাটো প্ৰৱৰ্তন কৰা হৈছিল। কিন্তু অধ্যক্ষ ডাঙৰীয়া ট্ৰাইবেল বেল্ট এণ্ড ব্লকত এনেকুৱা কিছুমান নিয়ম আছে তাত কিছু অন্য protected class ও আছে। ট্ৰাইবেল নহয় কিন্তু protected class. অধ্যক্ষ ডাঙৰীয়া অনুসুচিত জাতিৰ ব্যক্তি সকল ট্ৰাইবেল বেল্ট এণ্ড ব্লকত protected class. অধ্যক্ষ ডাঙৰীয়া বাগানৰ বনুৱা ভাই বন্ধু

সকল তাত  protected class, নাথ যোগী সম্প্ৰদায়ৰ ব্যক্তিসকল তাত protected class। এতিয়া আমি কৰবাত কৰবাত অধ্যক্ষ ডাঙৰীয়া মোৰ বোধেৰে শদিয়াত মৰাণ মটক আৰু আহোম সকলকো protected class এটা দুটা ঠাইত দিয়া হৈছে যিসকল খিলঞ্জীয়া লোক। অধ্যক্ষ ডাঙৰীয়া মাননীয় বিধায়ক শ্ৰী তুলিৰাম ৰংহাং ডাঙৰীয়াই গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে যে এই protected class ৰ উপৰিও গৈ ট্ৰাইবেল বেল্ট এণ্ড ব্লকত বহু ব্যক্তিয়ে মাটি দখল কৰিছে। আমি পৰ্য্যায়ক্ৰমে অধ্যক্ষ ডাঙৰীয়া এইবিলাক যোৱা পাঁচ বছৰত অবিৰতভাৱে বেদখলমুক্ত কৰি আছো। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই ক্ষেত্ৰত অতি কাঢ়া অতি কঠোৰ। পৰ্যায়ক্ৰমে কৰি থকা হৈছে। সকলোকে কৈ দিয়া হৈছে যে ট্ৰাইবেল বেল্ট আৰু ব্লকত যদি কোনোবাই অবৈধভাৱে বহিছে, যিসকল protected classনহয়, তেওঁলোক তাৰ পৰা যাতে গুছি আহে। এনেধৰণৰ কাঢ়া নিৰ্দ্দেশ দিয়া হৈছে।  কোনো কোনো অঞ্চলৰ পৰা লোক ঘূৰিও আহিছে। সন্মানীয় সদস্য তুলিৰাম ৰংহাং ডাঙৰীয়া নিজেও Karbi Autonomous Council ৰ CEM, তেখেতৰ জিলা দুখনৰ মই Guardian Minister ও হয়, মইতো জানোৱেই যে তেখেতে পৰ্যায়ক্ৰমে এই ভূমিসমূহ বেদখলমুক্ত কৰি আছে। অধ্যক্ষ ডাঙৰীয়া,  তেখেতে পুলিচৰ ক্ষমতাৰ কথা কৈছিল, এই ক্ষেত্ৰত ভাৰতৰ সংসদে সিদ্ধান্ত লয়, অসম চৰকাৰে নলয়। ভৱিষ্যতে যদি ভাৰতৰ সংবিধানখন সংশোধন কৰি সংসদে Sixth Schedule Council সমূহত পুলিচক power দিয়াৰ সিদ্ধান্ত লয়, তেতিয়াহে তেওঁলোকে এই ব্যৱস্থা ল'ব পাৰিব। এই ক্ষেত্ৰত আমি অপাৰগ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।  এতিয়া মই মাননীয় সদস্য শ্ৰী জীৱেশ ৰয়ক 'অসমীয়া প্ৰতিদিন' বাতৰি কাকতত প্ৰকাশিত "সুৰাৰ বিপণী মুকলিক লৈ উত্তপ্ত চাপৰ" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।  আপুনি ৩ মিনিটৰ ভিতৰত ক'ব আৰু মাননীয় মন্ত্ৰীয়েও ৩ মিনিটৰ ভিতৰত উত্তৰ দিব।

**শ্ৰী জীৱেশ ৰয়, (বিলাসীপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৭ জুলাই তাৰিখে অসমীয়া প্ৰতিদিনৰ লগতে অগ্ৰদূত বাতৰি কাকতত এটা খুব গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশিত হৈছিল যে ১০ নং বিলাসীপাৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত চাপৰৰ ৫নং ৱাৰ্ডত সুৰাৰ বিপণী খোলা হৈছে। আপোনালোক সকলোৱে জানে যে চাপৰত প্ৰয়াত মুখ্যমন্ত্ৰী তথা জননেতা শৰৎ চন্দ্ৰ সিংহৰ বাসস্থান আৰু এই জননেতাগৰাকীৰ ইচ্ছা আছিল আৰু তেখেতে আহ্বান জনাইছিল যে চাপৰত যাতে কেতিয়াও সুৰাৰ বিপণী খোলা নহয়। এই কথাটো বিলাসীপাৰাবাসী আৰু চাপৰবাসী সকলোৰে জ্ঞাত। এই আহ্বানক গুৰুত্ব প্ৰদান কৰি ভাৰত স্বাধীন হোৱাৰ পিছত আজিলৈ কোনোৱেই সুৰাৰ বিপণী খোলা নাছিল। কিন্তু অতিকৈ দুৰ্ভাগ্যজনক যে যোৱা কিছুদিন আগত Rishi Restaurant নামেৰে এখন IMFL On Shop তাত খোলা হৈছিল। তাৰ পিছ মূহুৰ্ততে চাপৰবাসী, বিশিষ্ট বুদ্ধিজীৱি, শিক্ষাবিদ, দল-সংগঠন, মহিলা সকলোৱে একত্ৰিত হৈ তাৰ বিৰুদ্ধে তীব্ৰ গণ আন্দোলন, ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ, অৱস্থান ধৰ্মঘট, বিভিন্ন ধৰণৰ গণতান্ত্ৰিক আন্দোলন কৰিছিল। এই গুৰুত্বপূৰ্ণ বিষয়টো পৰৱৰ্তী সময়ত জিলা প্ৰশাসনে আৱকাৰী বিভাগৰ সৈতে লগ লাগি সেই দোকানখন বন্ধ কৰি দিয়ে। পিছ মূহুৰ্তত আকৌ সেইখন এসপ্তাহৰ কাৰণে খোলা ৰাখি ১৫ দিনৰ কাৰণে বন্ধ ৰাখে। এনেধৰণে আজিলৈকে প্ৰায় ৪-৫ বাৰ মান খোলা-বন্ধ হৈয়েই থাকিল। যোৱা ১৯ জুলাই তাৰিখে জিলা প্ৰশাসনে এটা অৰ্ডাৰ দিছিল যে দোকানখন সম্পূৰ্ণৰূপে ৩০ দিনৰ বাবে বন্ধ থাকিব। গতিকে মই সদনৰ জৰিয়তে মাননীয় আৱকাৰী মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই ক্ষেত্ৰত এক বিহীত ব্যৱস্থা কৰি বৃহত্তৰ ১০ নং বিলাসীপাৰা সমষ্টিবাসী ৰাইজ আৰু জননেতা শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াৰ যি আশা আৰু আহ্বান আছিল সেইয়া যাতে কোনেও ধূলিসাৎ কৰিব নোৱাৰে। অন্ততঃ চাপৰ পৌৰসভাত যাতে কোনোধৰণৰ On Shop খুলিবলৈ দিয়া নহয়। Rishi Restaurant নামৰ On Shop খন যাতে স্থায়ীভাৱে বন্ধ কৰি দিয়া হয় নাইবা shifting ৰ ব্যৱস্থা কৰি দিয়া হয় তাৰ বাবে মই বিনম্ৰতাৰে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী, আবকাৰী বিভাগ।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, আবকাৰী ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য জীৱেশ ৰয় ডাওঁৰীয়াই চাপৰত উদ্ভৱ হোৱা এই পৰিস্থিতিৰ সম্পৰ্কে মোক আগতেও অৱগত কৰিছিল । তেখেতৰ উপৰিও বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়েও আমাক লগ কৰি এই কথাখিনি কৈছিল যে পূৰ্বৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ ডাওঁৰীয়াই বিচাৰিছিল যে চাপৰত কোনো ধৰণৰ সুৰাৰ বিপণী নহওঁক, এই দিশটোৰ প্ৰতি গুৰুত্ব দিব লাগে । আমিও অত্যন্ত গুৰুত্বসহকাৰে এই বিষয়টো লৈ বন্ধ কৰাৰ প্ৰক্ৰিয়াই আৰম্ভ কৰিছিলো । Rishikesh Naag নামৰ এগৰাকী ব্যক্তিয়ে ১৮-১১-২০২৫ তাৰিখে CDC Bilasipara ৰ ওচৰত আবেদন দাখিল কৰিছিল আৰু ১২-০৩-২০২৬ তাৰিখৰ চৰকাৰী অনুমোদনৰ ভিত্তিত অসম আবকাৰী বিধি আৰু নিয়মসমূহৰ সকলো প্ৰযোজ্য বিধান মানি ১১-০৫-২০২৬ তাৰিখে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছিল। কিন্তু অনুজ্ঞা পত্ৰ প্ৰদানৰ পূৰ্বে অসম আবকাৰী নিয়মৰ বিধি ২৯৫ অনুসৰি জাননী জাৰি কৰি নিৰ্দ্ধাৰিত ১৫ দিনৰ ভিতৰত জনসাধাৰণৰ পৰা আপত্তি আহ্বান কৰা হৈছিল । উক্ত সময়ছোৱাত বৈধ সময়সীমাৰ ভিতৰত কোনো ব্যক্তি বা সংগঠনৰ পৰা বিভাগে আপত্তি পোৱা নাছিল। পিছত, ইং ১৪-০৫-২০২৬ তাৰিখৰ পৰা জনসাধাৰণৰ প্ৰতিবাদ আৰম্ভ হয় । ফলত দোকানখন সেইদিনাখনৰ পৰাই অচল হৈ পৰে। ইয়াৰ পিছত ধুবুৰী জিলা দণ্ডাধীশে ইং ২৯-০৫-২০২৬ তাৰিখে অসম আবকাৰী আইনৰ ৫২ (১) ধাৰাৰ অধীনত দোকানখন সাময়িক ভাৱে বন্ধ কৰাৰ আদেশ জাৰি কৰে। এই আদেশৰ বিৰুদ্ধে অনুজ্ঞাপত্ৰধাৰীজনে মহামান্য গৌহাটী উচ্চ ন্যায়ালয়ত আপীল কৰে আৰু ইং ০৫-০৬-২০২৬ তাৰিখৰ অন্তৰ্বৰ্তীকালীন আদেশত মাননীয় উচ্চ ন্যায়ালয়ে বন্ধৰ আদেশ স্থগিত ৰাখি IMFL On Shop প্ৰতিষ্ঠানখন সুচাৰুৰূপে চলোৱাটো নিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দ্দেশ দিয়ে। মহামান্য ন্যায়ালয়ৰ নিৰ্দ্দেশ পালন কৰি প্ৰশাসনে একাধিকবাৰ চেষ্টা কৰাৰ পাছতো অব্যাহত থকা জনসাধাৰণৰ প্ৰতিবাদৰ বাবে দোকানখন পুনৰ আৰম্ভ কৰিব পৰা নগ'ল ।

জনতাৰ প্ৰতিনিধি হিচাপে ৰাইজে যিটো বিচাৰিছে আমিও সেইটো বিচাৰিছো। কিন্তু আদালতৰ এনেধৰণৰ নিৰ্দ্দেশৰ বাবে এতিয়ালৈকে বন্ধৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠা নাই। সন্মানীয় সদস্যগৰাকীয়ে shifting ৰ কথাও কৈছে। এই কামটো কৰিব পৰা যায়। বৰ্তমান আইন শৃংখলা জনিত পৰিস্থিতি আৰু শান্তি বজাই ৰখাৰ স্বাৰ্থত আৱকাৰী আইনৰ ৫২ (২) ধাৰাৰ অধীনত দোকানখন বন্ধ অৱস্থাত ৰখা হৈছে। এতিয়া যিবোৰ সংগঠনৰ স্মাৰকপত্ৰ বিভাগে পাইছে সেইবোৰৰ ভিত্তিত এটা Executive Magistrate ৰ তদন্তও চলি আছে। বৰ্তমান বিষয়টো কিন্তু গৌহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ আছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া খোলা আছে নে বন্ধ আছে?

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, আৱকাৰী ইত্যাদিঃ** এতিয়া বন্ধ আছে।

**মাননীয় অধ্যক্ষঃ** আপোনালোকে ৰাজহুৱা স্বাৰ্থত বিভাগৰ পৰা affidavit দিয়ক।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, আৱকাৰী ইত্যাদিঃ** মই এই কথাটোকে ক'ব বিচাৰিছো। এই বিষয়টো ৰাজহুৱা স্বাৰ্থজনিত এক স্পৰ্শকাতৰ বিষয়। আমি নিশ্চয় আদালতত affidavit দিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী শিবু মিশ্ৰক "হোজাই জিলাত আজিকোপতি কোনো B.Ed, D.El.Ed, Polytechnic আৰু ITI ইত্যাদি শিক্ষানুস্থান নাই সম্পৰ্কত" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো। আপুনি ৩ মিনিটৰ ভিতৰত ক'ব।

**শ্ৰী শিবু মিশ্ৰ, বিধায়ক (লামডিং)ঃ** প্ৰথমতে অধ্যক্ষ মহোদয় এই শূন্যকালীন ঘণ্টাত মোক এইখিনি ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক আন্তৰিকভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। শিক্ষাৰ অবিহনে সমাজখনত আমি অগ্ৰণী ভূমিকা ল'ব নোৱাৰো। নতুনকৈ গঠন হোৱা হোজাই জিলাত ২০১৬ ৰ পৰা ২০২৬ লৈ মই তিনিবাৰ বিধায়ক হ'লো। বিগত ১০ টা বছৰত অসম চৰকাৰ তথা অসমৰ

মুখ্যমন্ত্ৰী আৰু শিক্ষা মন্ত্ৰীৰ যোগেৰে হোজাই জিলা তথা  লামডিং সমষ্টিত বহুধৰণৰ বিকাশমূলক কাম হৈছে।  মাননীয় অধ্যক্ষ মহোদয়, আজি  হোজাই জিলাত আমি যদি চাওঁ, তুলনামূলকভাৱে আমাৰ হোজাই জিলাত শিক্ষা বিভাগৰ performance  যথেষ্ট ভাল। কিন্তু আমি যদি তুলনামূলকভাৱে অসম ভিত্তিক, জিলা ভিত্তিক  আমি compare কৰো, হোজাই জিলাৰ শিক্ষাৰ মানদণ্ড পিছপৰি আছে। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মোৰ অনুৰোধ থাকিল চৰকাৰ তথা শিক্ষামন্ত্ৰীলৈ অনুৰোধ থাকিল আমাৰ হোজাই জিলাত আজিলৈকে B.Ed., D.El.Ed, Polytechnic, ITI, এই ধৰণৰ ভাল শিক্ষা প্ৰতিষ্ঠান আজি আমি পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিনম্ৰ অনুৰোধ থাকিল হোজাই জিলাত তথা লামডিং সমষ্টিত অন্ততঃ ITI, Polytechnic, B.Ed., D.El.Ed  এনেকুৱা যদি এটা মানদণ্ড দিয়া যায়, শিক্ষা প্ৰতিষ্ঠান দিয়া যায়, তেনেহ'লে আমাৰ উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীয়ে এটা ভাল সকাহ পাব।  অহা দিনত আমাৰ হোজাই জিলাত শিক্ষাৰ মানদণ্ডৰ performance যথেষ্টখিনি ভাল হ'ব। ইয়াৰ উপৰিও আমাৰ লংকা বিদ্যালয়, তাত প্ৰায় ৩ হাজাৰৰো অধিক  enrollment  আছে। যদি এই বিষয়টো আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী অৱগত হয়, তেওঁ যেতিয়া লামডিং গৈছিল লংকা মহাবিদ্যালয়ৰ প্ৰিঞ্চিপালে তেওঁক অৱগত কৰাইছিল । ৩ হাজাৰৰো অধিক তাত enrollment Arts আৰু Commerce আছে, কিন্তু তাত Science Stream টো নাই।  After delimitation ইমান দিনে হোজাইয়ে আছিল। আজিৰ পৰা ২ বছৰমান হ'ল লংকা লামডিঙৰ অন্তৰ্ভূক্ত হৈছে। লংকা কলেজ, বিদ্যালয় Arts আৰু Commerce আছে, কিন্তু তাত  Science Stream টো নাই। তেখেতলৈ বিনম্ৰ অনুৰোধ থাকিল যে, আমাৰ লংকাত যাতে  Science Stream টো পাওঁ। লগে লগে ধন্যবাদ দিব লাগিব আমাৰ অসম চৰকাৰৰ সন্মানীয় মুখ্যমন্ত্ৰী তথা  শিক্ষামন্ত্ৰীক বিগত ৫ টা বছৰৰ পৰা শিক্ষামন্ত্ৰীক কোৱা হৈছিল আমাৰ লামডিং সমষ্টিত ডিমৰীয়া য'ত ৯০ শতাংশ আমাৰ tribal মানুহে তাত বসবাস কৰে। তাত ২৩ খন এল. পি. স্কুলৰ মাজত ৪-৫ খন স্কুল লৈ আমি এম.

ই. স্কুল বিচাৰিছিলো। কিন্তু যোৱাবাৰ আমাৰ চৰকাৰ তথা সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত শিক্ষা বিভাগে ৫ খন এম, ই. স্কুল দিলে।

**মাননীয় অধ্যক্ষঃ** আপুনি B.Ed ৰ কথা ক'বলৈ গৈ কলেজলৈ গুচি গ'ল। Reply দিয়াত অসুবিধা হ'ব মন্ত্ৰী মহোদয়ৰ।

**শ্ৰী শিবু মিশ্ৰ, ( লামডিং):** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এল. পিৰ ওপৰত এম. ই. এম. ই.ৰ ওপৰত হাই, কমেও ৫, ৬, ৭ কিলোমিটাৰ দূৰত্ব। ইন্দ্ৰা জয়ন্তী, মাধৰদেৱ হাইস্কুল।

**মাননীয় অধ্যক্ষঃ** বিষয়টো ইয়াত নাই। আপুনি কি দিছে B.Ed., D.El.Ed, Polytechnic, ITI আপুনি আহি আহি কলেজ, এল. পি, এম. ইলৈ আহি গ'ল।

**শ্ৰী শিবু মিশ্ৰ, ( লামডিং):** ইয়াত দিয়া হৈছিল উঠাই দিছে। যি কি নহওঁক, মই অসমৰ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। এখন হ'লেও অন্তত ডিমৰুত হাইস্কুল স্থাপন কৰা যায়, তেনেহ'লে এই পাহাৰীয়া অঞ্চলত উঠি অহা প্ৰজন্মই ভাল সুবিধা পাব। নমষ্কাৰ, ধন্যবাদ৷

**মাননীয় অধ্যক্ষঃ** শিক্ষামন্ত্ৰী ডাঙৰীয়া। ৩ মিনিটৰ ভিতৰত reply দিব।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, Diploma in Elementary Education মূলত আমাৰ বিভিন্ন জিলাত থকা DIET District Institute of Education Training ৰ জৰিয়তে দিয়া হয়। যিহেতু হোজাইৰ তাৰ লগতে আমাৰ শিৱসাগৰ, শোণিতপুৰ, পশ্চিম কাৰ্বি-আংলং, চাউথ শালমাৰা, মানকাছাৰ এই জিলাসমূহ নতুনকৈ গঠিত বা জিলাসমূহৰ বিভাজন হৈছে। গতিকে তাত DIET এতিয়ালৈকে আমি প্ৰতিষ্ঠা কৰিব পৰা নাই নতুন জিলা কাৰণে। কিন্তু ইতিমধ্যে আমি প্ৰস্তাৱ গ্ৰহণ কৰিছো, কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণো কৰিছো। হোজাই জিলা এখন নতুন জিলা হিচাপে নিশ্চিতভাৱে তাত DIET পাব আৰু এই DIET চেণ্টাৰটো প্ৰতিষ্ঠা হোৱাৰ লগে লগে তাত D.El.Ed আৰম্ভ হ'ব৷ ২ নম্বৰ কথাটো হ'ল বি. এড.ৰ ক্ষেত্ৰত এতিয়া state alone

দুবছৰীয়া  B. Ed. Cource ৰ নতুনকৈ শিক্ষানুষ্ঠান খোলাটো আমাৰ বন্ধ কৰা হৈছে , কাৰণ এতিয়া ৪ বছৰীয়া integrated teacher education programme বা B.Ed. E-AD. B.Sc.B.Ed  ইত্যাদি আৰম্ভ হৈছে । ইতিমধ্যে অসমৰ বহু মহাবিদ্যালয়ে National Council of Teacher Education ৰ পৰা তেওঁলোকে ৪ বছৰীয়া B.Ed., পাঠ্যক্ৰমৰ কাৰণে অনুমতি লাভ কৰিছে। মই  হোজাই জিলাৰো যিসমূহ মহাবিদ্যালয় আছে, তেওঁলোকক অনুৰোধ জনাম যে তেওঁলোকে ITAP ৰ কাৰণে চেষ্টা কৰক, তাৰ কাৰণে তেওঁলোকে আবেদন কৰক। প্ৰয়োজনীয় NOC অসম চৰকাৰে প্ৰদান কৰিব। যদি কোনো B.Ed., কলেজ আছে, এই B.Ed., কলেজে নিজাববীয়াকৈ General degree course টো আৰম্ভ কৰিব লাগিব অথবা তেওঁলোকে আন এখন General degree কলেজৰ লগত collaborated mode ত অৰ্থাৎ সহযোগিতাৰে তেওঁলোকে দুখন কলেজ মিলি তেওঁলোকে ITAP Course  ও আৰম্ভ কৰিব পাৰে । ৩ নম্বৰ কথাটো হ'ল যে, যিটো polytechnic, technical education ৰ কথা কোৱা হৈছে, নিশ্চিতভাৱে হোজাই জিলাখনত  polytechnic যিহেতু তেওঁৰ সমষ্টিত নাই, তাতে আমি অদূৰ ভৱিষ্যতে আমি এখন  polytechnic প্ৰতিষ্ঠা কৰাৰ সেই কথাটো আমি বিবেচনা কৰিম। চতুৰ্থ পইণ্টো হ'ল, যে science education লাগে। বিশেষকৈ তেখেতে লংকা পৌৰসভা অঞ্চলৰ কথাটো কৈছে। আমি এইটো বস্তু চাই আছো যে, science stream এটা মহাবিদ্যালয় এখনত অনুমোদন জনোৱাৰ  আগত feeder higher secondary school বা senior secondary  school  আছে নে নাই ? যদি আমাৰ পৰ্য্যাপ্ত  feeder higher secondary school বা senior secondary school  নাথাকে, তেনেহ'লে আমি Science শাখাটো খোলাৰ পিছতো পৰ্য্যাপ্ত ছাত্ৰ-ছাত্ৰী নাপাম আৰু এনেকুৱা ঘটনা অসমৰ কেইবাখনো মহাবিদ্যালয়ৰ ক্ষেত্ৰত ইতিমধ্যে হৈছে আৰু যাতে ভৱিষ্যতে নহয়, তাৰ কাৰণে আমি feeder Science  প্ৰথমে সৃষ্টি কৰিব বিছাৰিছো। তাৰপিছত আমি science  শাখাটো আমি খুলিম। মাননীয় বিধায়ক গৰাকীক মই অনুৰোধ জনাইছো যে তেখেতে তাত কোন কেইখন তেখেতে ইয়াৰ এটা নিজাববীয়া চাৰ্ভে কৰি যদি মোৰ লগত

যদি এক আলোচনাত বহে, তেনেহ'লে আমি সিদ্ধান্ত কৰি পৰৱৰ্তী পৰ্য্যায়ত লংকা মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ সম্পৰ্কীয় বিষয়টো আমি কৰিম। ইতিমধ্যে তেখেতৰ সমষ্টিত হোজাইত আমি বহুখিনি বিদ্যালয় প্ৰাথমিকৰ পৰা মাধ্যমিকলৈ, মাধ্যমিকৰ পৰা উচ্চ মাধ্যমিকলৈ উন্নীত তেখেতে যি প্ৰস্তাৱ দিছে, আমি কৰিছো আৰু যদি প্ৰস্তাৱ আছে, সেই প্ৰস্তাৱকো মোক দিবৰ কাৰণে মই অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ভূৱন গাম। বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ পৰ্য্যটন ক্ষেত্ৰ মাজুলীৰ ঐতিহাসিক সত্ৰসমূহ ঐতিহ্যবাহী মুখাশিল্প, চৰাই চোং আৰু পদ্মশ্ৰী যাদৱ পায়েঙৰ মোলাই কাঠনি, মানৱ নিৰ্মিত অৰণ্য এই সমূহ প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ প্ৰয়োজনীয়তা আছে। এই সম্পৰ্কত বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী ভূৱন গাম, মাজুলীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই পৰ্য্যটক স্থলী গঢ়ি তুলিবৰ কাৰণে যথেষ্ট চেষ্টা কৰিছে। মই ভাবো, মাজুলীকো পৰ্য্যটন স্থলী হিচাপে গঢ়ি তুলিবৰ কাৰণে মই কিছু দৃষ্টিগোচৰ কৰিব বিচাৰিছো কাৰণ মাজুলীত জাপানৰ এটা পৰিয়াল আছিল। ৫ বছৰ তাত ঘৰ বনালে, ঘৰ বনোৱাৰ পিছত এবছৰৰ মুৰে মুৰে এমাহ থাকে কাৰণ মই তেখেতক প্ৰশ্ন কৰিছিলো যে মাজুলীত কি দেখা পায় ? আপোনালোকে যে আহে কাৰণটো কি ? ইমান পৰ্য্যটক আহে, আমি নিজে স্থানীয় মানুহ হৈয়ো বুজি নাপাও, কি দেখা পায়। এই সম্পৰ্কে তেখেতে মোক কৈছিল যে প্ৰদূষণমুক্ত আৰু প্ৰকৃতিৰ যি সৌন্দৰ্য্য তাৰ ওপৰত ভিত্তি কৰি আমি আহো। কাৰণ তেখেতে কৈছিল যে ৫০০ বছৰৰ আগত আহোম ৰাজত্ব কালত যি আপুৰুগীয়া সম্পদবোৰ, যি সত্ৰ প্ৰতিষ্ঠা কৰিছিল, এই সত্ৰ প্ৰতিষ্ঠা কৰা ঠাইবোৰক আহোম ৰজাই যেতিয়া প্ৰতিষ্ঠা কৰিছিল এই সত্ৰবোৰত আপুৰুগীয়া সম্পদ যথেষ্ঠ আছে। এই আপুৰুগীয়া সম্পদবোৰ চাবৰ কাৰণে আহে আৰু লগতে আমাৰ তাত সত্ৰ দুই প্ৰকাৰৰ সত্ৰ আছে। গৃহস্থী সত্ৰ আৰু উদাসীন ভকত। গৃহস্থী সত্ৰ হ'ল যিসকলে এই পৰিয়ালবোৰে ধৰ্ম প্ৰচাৰ কৰি থাকে আৰু উদাসীন ভকত

তেখেতসকলে আমাৰ জিলাৰ পৰা কিছুমান সন্তানক উদাসীন সত্ৰত তেখেতসকলে দিয়ে তেতিয়া আমাৰ সত্ৰাধিকাৰ ভকত সকলে লৈ নিজৰ পুত্ৰ হিচাপে নিজৰ পিতৃ-মাতৃ হিচাপে গ্ৰহণ কৰি লয়, আৰু এইমতে থাকি শিক্ষা বিদ্যা কৰালৈকে সকলো আমাৰ সত্ৰাধিকাৰ সত্ৰ ভকত সকলে লয় আৰু এখন ঠাই আছে চৰাই চোং। আহোম ৰাজত্ব কালত তেতিয়া চৰাই চোং বুলি এখন ঠাই আছিল। এই চৰাই চোং উদ্যানখন এই কাৰণে পতা হৈছিল, এই চৰাই চোঙত ইমানেই দেশ-বিদেশৰ পৰা চৰাই আহে, এইটো কাৰণে এই চৰাই চোং টো আহোম ৰাজত্ব কালত উদ্যানখন প্ৰতিষ্ঠা কৰিছিল। এতিয়াও আপুনি চাব, বিভিন্ন দেশ-বিদেশৰ পৰা চৰাই চিৰিকতি আহে যে আপুনি কল্পনাও কৰিব নোৱাৰিব। আমাৰ মাজুলীৰ ৰাস মহোৎসৱৰ কথা আপোনালোক সকলোৱে জানে। ৰাস মহোৎসৱ অহাৰ প্ৰায় দুমাহ মানৰ আগৰ পৰাই উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈ থাকে। এই ৰাস চাবৰ বাবে দেশ-বিদেশৰ পৰা বিভিন্ন পৰ্য্যটক মাজুলীলৈ আহে। অৰণ্য মানৱ যাদৱ পায়েং ডাঙৰীয়াই যি সুন্দৰ পদক্ষেপ লৈছে, সেই পদক্ষেপটো হ'ল তেখেতে এতিয়ালৈকে ২৫০০ বিঘা মাটিত অৰণ্যৰ সৃষ্টি কৰিছে। তেখেতৰ এই অৰণ্যখন চাবৰ বাবে দেশ-বিদেশৰ পৰা বিভিন্ন পৰ্য্যটক আহে। আজি-কালি দেখিবলৈ পাইছো দেশ-বিদেশৰ ছাত্ৰ-ছাত্ৰীসকলেও অধ্যয়ণ কৰিবলৈ আহে। কিমান পৰ্য্যটক আহে আপুনি কল্পনা কৰিব নোৱাৰে। সেয়েহে এইটো পৰ্য্যটনস্থলী হিচাপে গঢ় দিয়াৰ বাবে মই অনুৰোধ জনাইছো। মাজুলীত টুনি নদী বুলি এখন ঠাই আছিল। এই টুনি নদীখনত জাঁৱৰ-যোথৰৰ ইমান গোন্ধ আছিল যে মানুহ থাকিব পৰা নাছিল। এদিন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে এই টুনি নদীখন চাফ-চিকুণ কৰিব লাগে। তেতিয়া আমাৰ সন্মানীয় শ্ৰীপীয়ুষ হাজৰিকা ডাঙৰীয়া মন্ত্ৰী আছিল। তেখেত মন্ত্ৰী থাকোতে ২৪ কোটি টকা দি এই নদীখন পৰিস্কাৰ কৰি দিয়ে। এতিয়া আমি সেই নদীখনতো নৌকাযাত্ৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰো। আপোনালোক সকলোৱে জানে যে মাজুলী জাতি-জনগোষ্ঠীৰ ঠাই। আমি দেখো যে মাজুলীলৈ অহা পৰ্য্যটকসকলে মিচিং, দেউৰী লোকসকলৰ চাংঘৰত উঠি

তাত ছ্যাই মদৰ সোৱাদ লয়। মাছ্ পোৰা, গাহৰি পোৰা, চিকেন পোৰা এইবোৰ খাই তৃপ্তি লয়। এই মাজুলীখন পৰ্য্যটন স্থলী হিচাপে গঢ় দিবৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ জনাই মোৰ মন্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰীপীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী):** মাননীয় অধ্যক্ষ মহোদয়, বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলী অসমৰ এক অনন্য সাংস্কৃতিক, আধ্যাত্মিক আৰু প্ৰাকৃতিক ঐতিহ্য। ইয়াৰ ঐতিহাসিক সত্ৰসমূহ, ঐতিহ্যবাহী মুখাশিল্প, চৰাইচুং (Bird Watching) আৰু পদ্মশ্ৰী যাদৱ পায়েঙে গঢ়ি তোলা 'মুলাই কাঠনি' বিশ্বজুৰি পৰ্যটকৰ বাবে এক বিশেষ আকৰ্ষণ। এই সম্পদসমূহৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ বাবে অসম চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু ভৱিষ্যতেও অধিক পদক্ষেপ লোৱাৰ থল নিশ্চয় আছে। চৰকাৰে মাজুলীক ৰাজ্যৰ অন্যতম অগ্ৰাধিকাৰ পৰ্য্যটন গন্তব্যস্থান হিচাপে গঢ়ি তুলিবলৈ সত্ৰসমূহৰ সংৰক্ষণ আৰু উন্নয়ন, পথ-ঘাট, দলং, ফেৰী সেৱা, পৰ্য্যটক সুবিধা কেন্দ্ৰ, বিশ্ৰামাগাৰ, শৌচাগাৰ আদিৰ বিভিন্ন বিভাগৰ জৰিয়তে আন্তঃগাঁথনি উন্নত কৰিছে। 'Awesome Assam'ৰ জৰিয়তে ডিজিটেল মাধ্যমত মাজুলীৰ পৰ্যটন সম্ভাৱনাৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মুখাশিল্প, সত্ৰীয়া সংস্কৃতি, লোককলা আৰু স্থানীয় হস্তশিল্পৰ প্ৰচাৰৰ বাবে বিভিন্ন সাংস্কৃতিক উৎসৱ, প্ৰদৰ্শনী আৰু বিপণনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ চিন্তা কৰা হৈছে। লগতে হোমষ্টে, ইক'-টুৰিজম, চৰাইচুং আৰু গ্ৰাম্য পৰ্য্যটনক উৎসাহিত কৰি স্থানীয় লোকসকলৰ বাবে আয়-উপাৰ্জনৰ নতুন সুযোগ সৃষ্টি কৰাৰ যথেষ্ট স্থল আছে। আগলৈ মাজুলীৰ পৰ্য্যটনক বিশ্বমানৰ পৰ্য্যায়লৈ নিয়াৰ বাবে UNESCO বিশ্ব ঐতিহ্যৰ স্বীকৃতি লাভৰ বাবে প্ৰচেষ্টা অধিক জোৰদাৰ কৰা হ'ব। 'Heritage Circuit' গঠনত মাজুলীৰ অন্তৰ্ভূক্তি, মূলাই কাঠনিক ইক'-টুৰিজমৰ এক আকৰ্ষণীয় কেন্দ্ৰ হিচাপে অধিক বিকশিত কৰা, আন্তঃৰাষ্ট্ৰীয় পৰ্য্যটন মেলা আৰু উৎসৱ আয়োজন, ডিজিটেল প্ৰচাৰ বৃদ্ধি,

দক্ষ পৰ্য্যটন গাইড সৃষ্টি, নদী ক্ষয় নিয়ন্ত্ৰণ আৰু পৰিবেশ সংৰক্ষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি মাজুলীৰ পৰ্য্যটনক নিশ্চয় এক বিশেষ মাত্ৰালৈ লৈ যোৱা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, মাজুলীত আমাৰ পৰ্য্যটন বিভাগে যথেষ্ঠ কাম কৰিছে। আগৰ সেই মাজুলী হৈ থকা নাই। ৰাস্তা-ঘাটৰ যথেষ্ট উন্নয়ণ হ'ল, মাজুলী জিলা হ'ল, বিশ্ববিদ্যালয় গ'ল, ডাঙৰ-ডাঙৰ কাৰ্য্যালয় গ'ল। মাজুলীৰ সন্মানীয় সদস্য গৰাকীয়ে ৰাসৰ কথা কৈছে। মই কেইবাবাৰো ৰাসৰ সময়ত মাজুলীলৈ গৈছো। মাজুলীৰ ৰাসৰ দৰে ভাললগা আৰু নান্দনিক পৰিৱেশ ভাৰতৰ অন্য ঠাইত অনুষ্ঠিত হোৱা ৰাসত আছে বুলি মই নাভাবো। গতিকে সেই সময়ত দেশী-বিদেশী যথেষ্ঠ পৰ্য্যটকৰো আগমন হয়। মাননীয় অধ্যক্ষ মহোদয়, আমি এইক্ষেত্ৰতো যথেষ্ঠ কাম কৰিছো। আমি "Development of Tezpur-Majuli-Sivasagar as Heritage Circuit in Assam under Swadesh Darshan Scheme" গ্ৰহণ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিজেও পৰ্য্যটন বিভাগৰ মন্ত্ৰী আছিল আৰু আপুনিও যথেষ্ঠ কাম কৰিছিল। তাত আমাৰ কেইবাটাও গেষ্ট হাউচ, ৰিজোৰ্ট বনোৱা হৈছে। আৰু অধিক কৰিবলৈ চেষ্টা কৰা হ'ব। এটা ডাঙৰ কাম আমি কিছু হ'লেও কৰিবলৈ সক্ষম হৈছো যে মাজুলীত আজিকালি বানপানী নহয়। মাননীয় সদস্য ভূবন গাম ডাঙৰীয়া এইবাৰ মাজুলীত বানপানী হৈছে নেকি ?

**শ্ৰী ভূবন গাম, ( মাজুলী ):** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইবাৰ বানপানী হোৱা নাই।

**শ্ৰীপীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী ) :** মাননীয় অধ্যক্ষ মহোদয়, আগতে মাজুলীত বহুত বানপানী হৈছিল। আমি বহুত মথাউৰি বনালো আৰু এতিয়া তাত বানপানী নহয়। মই যেতিয়া জলসম্পদ বিভাগৰ মন্ত্ৰী আছিলো, মাজুলীৰ জুগুনিধাৰীত আজিৰ পৰা তিনিবছৰ আগতে এখন ব্ৰীজ হৈছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোক তালৈ লৈ গৈছিল আৰু নিৰ্দেশ দিছিল। ভৰ

বাৰিষা ৩০-৩২ দিনত আমি সেই মথাউৰি মাৰিছিলো আৰু তেতিয়াৰ পৰা মাজুলীত বানপানীৰ খবৰ শুনা নাই। তাৰ কাৰণেও পৰ্য্যটকৰ সোঁত আৰু বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। মাননীয় সদস্য গৰাকীয়ে টুনি নদীৰ কথা কৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশত এই টুনি নদীখন আমি পৰিস্কাৰ কৰিছিলো। এতিয়া টুনি নদীত পৰ্য্যটকক আকৰ্ষিত কৰাৰ কাৰণে নাঁৱৰ যথেষ্ঠ কাৰ্য্যসূচী হয়। Nation Media ত ও এইটো reflection হৈছিল আৰু নিশ্চয় আমাৰ সকলো বিভাগে মাজুলীৰ কাৰণে কাম কৰিম। মাজুলী আমাৰ ঐতিহ্য, আমাৰ সন্মান গৌৰৱ , মাজুলীৰ সত্ৰ আমাৰ কাৰণে গৌৰৱ। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমি মাজুলীৰ কাৰণে নিশ্চয় আৰু কাম কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া মই মাননীয় সদস্য ডাঃ আচিফ মহম্মদ নাজাৰ ডাঙৰীয়াক ''মৈৰাবাৰী বজাৰত অবৈধ মদৰ দোকানে বিনষ্ট কৰিছে পৰিৱেশ, সঘনাই সংঘটিত হৈ আহিছে চুৰি কাৰ্য্য '' শীৰ্ষক বিষয়টো তিনি মিনিটৰ ভিতৰত  উত্থাপন কৰিবলৈ আহ্বান জনাইছো।

**ডাঃ আচিফ মহম্মদ নাজাৰ, ( লাহৰিঘাট):** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০ জুলাই তাৰিখ, শুক্ৰবাৰৰ দৈনিক বাতৰি কাকতত এটা বাতৰি প্ৰকাশ হৈছিল। তাত কোৱা হৈছিল যে  ''মৈৰাবাৰী বজাৰত অবৈধ মদৰ দোকানে বিনষ্ট কৰিছে পৰিৱেশ, সঘনাই সংঘটিত হৈ আহিছে চুৰি কাৰ্য্য ''। মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ জিলাৰ মৈৰাবাৰী থানাৰ অন্তৰ্গত যি বজাৰ আছে এই বজাৰত এটা দুষ্ট চক্ৰই কিছুদিন ধৰি আৰক্ষী আৰু আবকাৰী বিভাগক কেৰেপ নকৰি অবৈধ সুৰাৰ ব্যৱসায় চলাই আহিছে। যাৰফলত বজাৰখনৰ ওচৰে-পাজৰে যিবোৰ অঞ্চল আছে সেই অঞ্চলবোৰত ইয়াৰ প্ৰভাৱ বহুত বেয়াকৈ পৰিছে আৰু এই অঞ্চলবোৰত লাহে লাহে চোৰৰ উপদ্ৰৱ বাঢ়ি গৈছে। কেৱল অবৈধ ব্যৱসায়ীয়ে নহয় তাত আজিকালি জুৱা, তীৰ আদি বিভিন্ন যিবোৰ অসামাজিক কাৰ্য্যকলাপ আছে এইবোৰ বাঢ়ি গৈছে। কিছুদিন আগতে মোৰ ওচৰত কিছু সংখ্যক শিক্ষক আহি মোক কৈছিল যে ইয়াত ইমানেই চুৰি কাৰ্য্যৰ উপদ্ৰৱ বাঢ়ি গৈছে যে স্কুলৰ ফেন, বৈদ্যুতিক সামগ্ৰী আদি বিভিন্ন সামগ্ৰী সমূহ চুৰি কৰি লৈ

যায়। ঠিক তেনেদৰে মৈৰাবাৰী বজাৰত থকা Press Club, মৈৰাবাৰী পৰিদৰ্শন বাংলা আদিত যি সা-সামগ্ৰী আছিল সেই আটাইবোৰ চুৰি কৰি লৈ যায়। গতিকে এইক্ষেত্ৰত আমাৰ আৰক্ষী বিষয়াসকলক জনোৱাৰ পিছতো তেওঁলোকে কোনোধৰণৰ ব্যৱস্থা এতিয়ালৈকে ল'ব পৰা নাই। যাৰফলত দিনক-দিনে চুৰি, জুৱা, নিচাযুক্ত সামগ্ৰী ক্ৰয় ইত্যাদি অবৈধ কাৰ্য্যকলাপবোৰ বাঢ়ি গৈছে। মৈৰাবাৰী অঞ্চলতে নহয় ইয়াৰ পাশ্বৱৰ্ত্তী যিবিলাক অঞ্চল আছে এই অঞ্চলবোৰতো একে পৰিস্থিতিৰ সৃষ্টি হৈ পৰিছে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিম যে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত এটা উচিত ব্যৱস্থা ল'ব লাগে আৰু লগতে যিটো দুষ্টচক্ৰই এই ব্যৱসায়টো চলাই আছে তাৰ ওপৰত যাতে বিহিত ব্যৱস্থা লয় আৰু অতি সোনকালে ইয়াৰ ওপৰত উচিত ব্যৱস্থা ললেহে মৈৰাবীৰী অঞ্চলৰ পৰিৱেশ ঠিক হ'ব। নহ'লে দিনক-দিনে আৰু বেয়া হৈ পৰিব আৰু গোটেই মৈৰাবাৰী অঞ্চলত অ-সামাজিক কাৰ্য্যকলাপে ছানি ধৰিব।

**মাননীয় অধ্যক্ষঃ** মাননীয় আৱকাৰী মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, আৱকাৰী ইত্যাদি):** মাননীয় অধ্যক্ষ মহাশয়, মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। বাতৰিকাকতত প্ৰকাশ পোৱাৰ পিছত এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়াত উত্থাপন কৰিছে। মৈৰাবাৰী অঞ্চলৰ বেচিভাগ অঞ্চলতে ধৰ্মীয় সংখ্যালঘু লোক আছে। তাৰ বাবে চৰকাৰে সেই অঞ্চলত IMFL,OFF বা ON ৰ অনুজ্ঞা পত্ৰ দিয়া নাই। আমি এতিয়া গম পাইছো যে তাত অবৈধ চুলাই মদৰ বেহা চলি আছে। মই আশ্বাস দিছো কাৰণ আমি অবৈধ চুলাই মদ বন্ধ কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা লৈছো। কেতিয়াবা যদি কোনোবা ঠাইত আৱকাৰী বিভাগে হওঁক বা পুলিছে হওঁক গম পাইও কোনো ব্যৱস্থা নলয়, তেতিয়াহ'লে ইয়াৰ পৰাই আমি বিভাগীয় মানুহ পঠাই কাম খিনি কৰাৰ ব্যৱস্থা কৰো। এই ক্ষেত্ৰত চৰকাৰে নিশ্চত ভাৱে ব্যৱস্থা গ্ৰহণ কৰিব। কংগ্ৰেছ চৰকাৰৰ দিনত বিষাক্ত অবৈধ চুলাই খাই বহুত মানুহে মৃত্যুবৰণ কৰিছিল। তেতিয়াৰ পৰাই আমি অত্যন্ত গুৰুত্ব সহকাৰে লৈছো যে ৰাজ্যখনত যি অবৈধ চুলাই মদ

চলি আছে তাক যাতে বন্ধ কৰিব পাৰো। সেই ঠাইত আজি কিছুদিনৰ আগতে ব্যৱস্থা লোৱা হৈছিল। তাত এটা Case Register ও কৰা হৈছিল। চাৰিটা কেচ ৰেজিষ্টাৰ হৈছিল আৰু তাত Seize কৰা হৈছিল ৫০ লিঃ চুলাই মদ, ১৬০ কেজি গুড় আৰু এই চুলাই মদ বনোৱাৰ বাবে যি সামগ্ৰী লাগে তাকো জব্দ কৰা হৈছিল। লগতে বিদেশী সুৰাও প্ৰায় ২১ লিঃ জব্দ কৰা হৈছিল। তাত যিখিনি স্থানীয় ব্যক্তি জৰিত আছে তেওঁলোক স্থানীয় ধৰ্মীয় সংখ্যালঘু মানুহ। আগতে তেনেবোৰ ঠাইত মদৰ প্ৰচলন নাছিল আৰু সেই বাবে সেইবোৰ ঠাইত চৰকাৰে অনুজ্ঞাপত্ৰ দিয়াও নাছিল। কিন্তু এতিয়া তাত চুলাই মদৰ প্ৰচলন হৈছে। এইটো স্বাস্থ্যৰ কাৰণেও মাৰাত্মক আৰু এইবোৰ খাই যিটো গোলমাল কৰে, সেইটোতো আৰু ডাঙৰ কথা। গতিকে নিশ্চিত ভাৱে বিভাগে এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী মহিবুৰ ৰহমানক "অসমীয়া খবৰ" বাতৰি কাকতত প্ৰকাশিতঃ- "মানকাচৰত ভুৱা প্ৰমাণপত্ৰৰে পঞ্চায়ত প্ৰতিনিধি হোৱাৰ পাছতো বাতিল নহ'ল যোগ্যতা জিলা প্ৰশাসনৰ কৰ্মকাণ্ডক লৈ সৰৱ চৰ্চা। "শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো আৰু ৩ মিনিটৰ ভিতৰত তেখেতে উত্থাপন কৰিব।

**শ্ৰী মহিবুৰ ৰহমান, মানকাচৰঃ** ধন্যবাদ অধ্যক্ষ ডাঙৰীয়া, যদি আমি ২০১১ চনৰ লোকপিয়ল চাওঁ আমাৰ দেশত ৬৮. ০৮ শতাংশ মানুহ গাওঁ অঞ্চলত বাস কৰে। আৰু সেই সংখ্যাটো অসমৰ ক্ষেত্ৰত হৈছে ৮৫.০৯ শতাংশ। আমি সকলোৱে জানো যে অসম তথা ভাৰতৰ সৰ্বাংগীন উন্নতি যদি আমি বিচাৰো তেতিয়াহ'লে গাওঁ অঞ্চলৰ উন্নয়ন গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত পঞ্চায়তীৰাজে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। গতিকে এই পঞ্চায়তী ৰাজ ব্যৱস্থাটো নিকা আৰু শক্তিশালী কৰাত আমি সকলোৱে দায়িত্ব ল'ব লাগিব। ২০১৮ চনত পঞ্চায়তীৰাজ ব্যৱস্থাৰ বাবে যি সংশোধনী বিল আহিল তাৰ জৰিয়তে নূন্যতম শিক্ষাগত অৰ্হতা, বাল্য বিবাহ, বহুবিবাহ আৰু জীবিত সন্তানৰ সংখ্যাকে ধৰি বিভিন্ন ধৰণৰ clause লগোৱা হ'ল। ইয়াৰ জৰিয়তে যিসকলে পঞ্চয়ত নিৰ্বাচনত

অবতীর্ণ হ'ব তাৰ ওপৰত কিছু বাধা নিষেধ আৰোপ কৰা হ'ল। কিন্তু এই আইন বিলাক কেনেদৰে আমি কাৰ্য্যকৰী কৰিম সেই ক্ষেত্ৰত আমাৰ কিছু Confusion থাকি গ'ল। আজি কিছুদিন আগতে অৰ্থাৎ ১৯ জুন, ২০২৬ তাৰিখে বঙাইগাওঁৰ ৰঙাপানী গাওঁ পঞ্চায়তৰ ১ নং ৱাৰ্ড সদস্য কহিনুৰ খাতুনক পদচ্যুত কৰা হৈছে তেখেতৰ শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত ভুৱা নথিপত্ৰ দিয়াৰ বাবে। কিন্তু ঠিক সেইধৰণে দক্ষিণ শালমাৰা মানকাচৰৰ একাধিক কেচত কোনো ধৰণৰ ব্যৱস্থা আজিলৈকে লোৱা হোৱা নাই, যদিও জিলা আয়ুক্তক বহুত বাৰ আপত্তি জনোৱা হৈছে। গতিকে এজন ব্যক্তিৰ মনোনয়ন দিয়াৰ প্ৰথম পদক্ষেপটো যদি ভুৱা হয়, তেতিয়া হ'লে সেই মানুহজনৰ পৰা আমি কিদৰে নিকা বা দুৰ্নীতিমুক্ত আচৰণ আশা কৰিব পাৰো ? গতিকে মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এনেকুৱা ক্ষেত্ৰত কি ব্যৱস্থা ল'ব লাগে। আৰু যিসকল ইতিমধ্যে ভুৱা বুলি প্ৰমাণিত হৈছে তেওঁলোকক অতি সোনকালে পদচ্যুত কৰিব লাগে। এই ক্ষেত্ৰত জিলা আয়ুক্তক SOP এটা দিব লাগে আৰু লগতে এই যিবোৰ ব্যৱস্থা লোৱা হ'ব সেইবোৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত হব লাগে। কাৰণ বহুত ক্ষেত্ৰত দেখা পাওঁ যে ৬/৭ মাহ পাৰ হৈ যায়। গতিকে এই ক্ষেত্ৰত ২/৩ মাহৰ এটা নিৰ্দিষ্ট সময়সীমাৰ ব্যৱস্থা থাকিব লাগে আৰু যিসকল দোষী সাব্যস্ত হৈছে, তেখেতসকলক খুব সোনকালে পদচ্যুত কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা,( মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি ):** মাননীয় অধ্যক্ষ মহাশয়, আমি বিষয়টো অত্যন্ত গুৰুত্ব সহকাৰে লৈছো। অসম পঞ্চায়ত আইন, ১৯৯৪ ৰ যিবোৰ প্ৰাসংগিক বিধান আছে , সেই বিধান সমূহ আৰু অন্যান্য প্ৰচলিত নিয়ম নীতিৰ আধাৰত আমি বিষয়টো পৰ্য্যালোচনা কৰিম আৰু ইয়াৰ ফলাফলৰ ভিত্তিত আমি আইনসন্মত ব্যৱস্থা গ্ৰহণ কৰিম। এই বিষয়টো তেখেতে উত্থাপন কৰাৰ পিছতহে আমাৰ দৃষ্টিগোচৰ হৈছে আৰু ইয়াৰ পিছতে আমি জিলা আয়ুক্তৰ পৰা প্ৰতিবেদন বিচাৰিছিলো । প্ৰতিবেদনত তেখেতে উল্লেখ কৰিছে যে পঞ্চায়ত নিৰ্বাচন সম্পন্ন হোৱাৰ পিছত ২ নং

হেতামাৰী আঞ্চলিক পঞ্চায়তৰ প্ৰথমখন সভা ২১ জুলাই, ২০২৫ তাৰিখে অনুষ্ঠিত হৈছিল। সেই সভাতে আব্দুল মুন্নাফ শ্বেখক সভাপতি নিৰ্বাচিত কৰা হৈছিল। পৰৱৰ্তী সময়ত শ্ৰী মামুন শ্বাহে WPC নং ৪২৩৭/২০২৫ দাখিল কৰি উক্ত নিৰ্বাচনক প্ৰত্যাহ্বান জনাইছিল আৰু মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৫ অক্টোৱৰ, ২০২৫ তাৰিখে আদেশ দিছিল আৰু সেই আদেশ মৰ্মে ২১ জুলাই, ২০২৫ তাৰিখৰ সভাখনত প্ৰক্ৰিয়া গত ত্ৰুতি পৰিলক্ষিত হোৱা বুলি উল্লেখ কৰি পুনৰবাৰ সভা অনুষ্ঠিত কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিছিল। উক্ত আদেশৰ পৰিপ্ৰেক্ষিতত ২৫ অক্টোৱৰ, ২০২৫ তাৰিখে পুনৰবাৰ সভা অনুষ্ঠিত হ'ল। কিন্তু সভাখন অনুষ্ঠিত হল যদিও ন্যূনতম প্ৰয়োজনীয় উপস্থিতি নোহোৱাৰ বাবে সভাখন সম্পন্ন হৈ নুঠিল। তাৰ ফলত ১ নৱেম্বৰ ২০২৫, তাৰিখে দ্বিতীয়খন সভা অনুষ্ঠিত কৰা হয় আৰু তাত মামুন শ্বাহ সভাপতি হিচাপে নিৰ্বাচিত হয়। ইয়াৰ মাজতে আব্দুল মুন্নাফ শ্বেখে আকৌ এখন আবেদন দাখিল কৰি অভিযোগ কৰে যে শ্ৰী মামুন শ্বাহে মনোনয়ন দাখিলৰ সময়ত ভুৱা শিক্ষাগত প্ৰমাণ পত্ৰ দাখিল কৰিছিল৷ ইয়াৰ বিপৰীতে মামুন শ্বাহে WPC নং ৬৫৬৩/২০২৫ দাখিল কৰি উক্ত লেখ আবেদনক প্ৰত্যাহ্বান জনায়। জিলা আয়ুক্তই দাখিল কৰা প্ৰতিবেদন অনুসৰি দক্ষিণ শালমাৰা আৰক্ষী থানাত PS Case No.148/2027 ৰুজু কৰা হৈছে আৰু লগতে মামুন শ্বাহে দাখিল কৰা অগ্ৰিম জামিনৰ আবেদন মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে নাকচ কৰিছে। জিলা আয়ুক্তই তেখেতৰ প্ৰতিবেদনত উল্লেখ কৰিছে যে বিষয়টো বিচাৰাধীন হৈ থকাত আৰু এই ক্ষেত্ৰত কোনো নিৰ্দিষ্ট প্ৰক্ৰিয়া নিৰ্ধাৰিত নথকাৰ বাবে এই বিষয়টো গুৰুত্বসহকাৰে লৈছো। আমি আইনসন্মাত আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মই সন্মানীয় সদস্য শ্ৰী কমালক্ষ দে পুৰকায়স্থক ''কাটিগড়া সমষ্টিৰ হাওর ও সীমান্তবৰ্তী অঞ্চলের সড়ক অবকাঠামোর বেহাল অৱস্থা এৱং বিশেষ উন্নয়ন পৰিকল্পনার প্ৰয়োজন সম্পৰ্কে'' বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**কমলাক্ষ দে পুরকায়স্থ (কাটিগড়া সমষ্টি) :** অধ্যক্ষ মহোদয়, ধন্যবাদ জানাচ্ছি যে আজ শূন্য কালীন ঘন্টায় নয়টি  বিষয় অ্যাপ্রুভ করা হয়েছে, তার জন্য আজ আমাকে সুযোগ দিয়েছেন।

অধ্যক্ষ মহোদয়, হাওড় অঞ্চল বলতেই ইন্দো-বাংলাদেশ বর্ডার, বর্ডার ফেন্সিং এবং তার নিকটবর্তী যেগুলো ভিলেজ যেমন লেবারপুতা, মহাদেবপুর, কুশিয়ারকুল, নিশ্চিন্তপুর এই জিপিগুলো বিশেষ করে বছরের ছয় মাস এই অঞ্চলগুলো জলমগ্ন অবস্থায় থাকে । মাননীয় মন্ত্রী পিযুষ হাজারিকা মহাশয় গিয়েছিলেন এখানে। এই অঞ্চলের হরিবল কন্ডিশন । বিশেষ করে তপশিলি সম্প্রদায়ের মানুষ এখানে বসবাস করে। এই অঞ্চলের মানুষদের অনেক সমস্যা। কিন্তু বর্তমান দিনে এই মানুষগুলোর মধ্যে একটা আস্থা, বিশ্বাস, একটা ভরসা আছে কারণ বর্তমান সরকার, আমাদের মুখ্যমন্ত্রী যেভাবে কাজ করছেন এবং  যেহেতু আমি শাসকদলের বিধায়ক, মানুষের  ভরসার একটা জায়গা হয়েছে যে এবার আমাদের এই অঞ্চলের কিছু কাজ হবে কিছু উন্নতি হবে। কারণ এই অঞ্চলের মানুষগুলো অনেক ক্ষেত্রে বঞ্চিত ছিল অধ্যক্ষ মহোদয়। এই অঞ্চলের জনগনের প্রতিনিধিত্ব ঠিকভাবে আগে কেউ  করতে পারতো না এবং ওনারাও আগে ঠিকভাবে বলতে পারতেন না ওনাদের সমস্যার কথা।

অধ্যক্ষ মহোদয়, আমি ধন্যবাদ জ্ঞাপন করছি যে, গত ২০ ফেব্রুয়ারি ২০২৬-এ 'ভাইব্রেন্ট ভিলেজ প্রোগ্রাম' হয়েছিল নাতানপুর, কাটিগড়াতে। সমস্ত ভারতবর্ষের প্রোগ্রাম সেখানে লঞ্চ করা হয়েছিল । মাননীয় মুখ্যমন্ত্রী ছিলেন এখানে, আমাদের বিত্তমন্ত্রী  জয়ন্ত মল্ল বরুয়া মহাশয়, আমাদের মাননীয় মন্ত্রী কৌশিক রায় মহাশয়, কৃষ্ণেন্দু পাল মহাশয় উপস্থিত ছিলেন, এখানে অনেক সংসদরা উপস্থিত  ছিলেন, সব বিধায়করা ছিলেন এবং বিশেষ করে অতুল বরা মহাশয়ও সেখানে উপস্থিত ছিলেন । অর্থাৎ ভারতবর্ষের মধ্যে এই জায়গায় প্রোগ্রাম এই জন্য করা হয়েছিল অধ্যক্ষ মহোদয় যে, এই অঞ্চলের মানুষ অনেক ডিপ্রাইভড। আমাদের সরকার যদিও দিল্লিতে, যদিও দিশপুরে, কিন্তু

একদম প্রত্যন্ত অঞ্চলের মানুষের কি সমস্যা—সেটা নিয়ে কনসার্ন আমাদের সরকার। অধ্যক্ষ মহোদয়, তিন মিনিটের ভেতরেই শেষ করে নেব আমার কথাগুলো।

অধ্যক্ষ মহোদয়, এখানে প্রায় ১৪০ টা ভিলেজ উপকৃত হবে ভাইব্রেন্ট ভিলেজ প্রোগ্রামের মাধ্যমে , ৯ টা ডিস্ট্রিক্ট এবং আমাদের কাছাড়ে ১১ টা ভিলেজ উপকৃত হবে। আমি বিশ্বাস করি যে, এই ভাইব্রেন্ট ভিলেজ প্রোগ্রামের মারফতে এই অঞ্চলের মানুষ উপকৃত হবে এবং ব্যক্তিগতভাবে বিধায়ক হিসেবে আমি আপনার তরফ থেকে মাননীয় মন্ত্রীর কাছে  অনুরোধ করব যে, এই গ্রামগুলোকে যাতে বেশি সুযোগ সুবিধা, বেশি  নজর রাখা হয় এবং যেভাবে সরকার এই অঞ্চলের গ্রামগুলোকে, এই অঞ্চলের মানুষগুলোর আত্মসামাজিক উন্নয়নের জন্য বিভিন্নভাবে কাজ করে যাচ্ছে, একজন বিধায়ক হিসেবে আমি গর্ববোধ করছি। অধ্যক্ষ মহোদয় দেখবেন যে, বৃষ্টির জল যখন কাদাতে পড়ে তখন কাদা হয়ে যায় , বৃষ্টির জল যখন গঙ্গা নদীতে পড়ে, গঙ্গার জল হয়ে যায়, বৃষ্টির জল যখন কচুপাতায় পড়ে তখন মোতির মতো ঝলঝল করে। বৃষ্টির জল একটাই, কিন্তু যার সঙ্গে গিয়ে মিলিত হয় সেটার পরিবেশটা চেঞ্জ হয়ে যায়। এই অঞ্চলের মানুষের  মুখ্যমন্ত্রীর উপর ভরসার জায়গা, প্রধানমন্ত্রীর উপর ভরসার জায়গা। আমাদের হোম মিনিস্টার গিয়েও এই অঞ্চলে  প্রোগ্রাম করেছেন। তাই আমি বিশ্বাস করি এই অঞ্চলের মানুষের যাতে আমূল পরিবর্তন হয়, সে কথাগুলো বলে আমার বক্তব্য শেষ করলাম।

**মাননীয় অধ্যক্ষঃ** মন্ত্রী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থক ধন্যবাদ জনাইছোঁ। তেখেতে কৈছে যে কাটিগড়া সমষ্টিৰ যি বিলাক লো লাইন এৰিয়া আছে, সেইবিলাক বেছিভাগে জলমগ্ন হৈ থাকে , ৰাস্তা – ঘাট, এই বিলাক দ্ৰুতগতিত ক্ষতিগ্ৰস্ত হয়। আৰ্থ-সামজিক উন্নয়ন মাৰাত্মকভাৱে ব্যাহত হয় আৰু তেখেতে

নিজে vibrant village program টোৰ কথা  উল্লেখ কৰি গৈছে। দেশৰ সন্মানীয় গৃহ মন্ত্ৰী কিছুদিন আগতে তালৈ গৈছিল, মাননীয় মুখ্যমন্ত্ৰী তাত আছিল, বৰাক ভেলীৰ সন্মানীয় মন্ত্ৰী, বিধায়ক আৰু ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰৰ বহু বিষয়া আছিল, সেই সভাখনত। এই কথাটো মই কেইদিনমান আগতে সদনৰ মজিয়াত উল্লেখ কৰিছিলো যে vibrant village program phase 2 ৰ অধীনত অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তীৰ ১৪০ খন গাওঁ অন্তৰ্ভূক্ত কৰা হৈছে। তেখেতে নিশ্চয় জানি সুখী হৈছে যে বেছিভাগ তেখেতৰ সমষ্টিৰ কেইবাখনো গাওঁ অন্তৰ্ভুক্ত কৰা হৈছে। সেইটো ভাল কথা আৰু এই program ৰ জৰিয়তে মই ভাৱিছো যে বিশেষকৈ বৰাক উপতকাৰ ক্ষেত্ৰত কাছাৰ জিলাৰ সীমান্তৱৰ্তী যি সুৰমা নদী আছে, সুৰমা নদীৰ কাষৰীয়া ১১ খন গাঁও এই আচঁনিৰ অন্তৰ্ভূক্ত কৰা হৈছে, যি আঁচনিৰ অধীনত পথ, যোগাযোগ, শিক্ষা, বিদ্যুৎ, সৌৰশক্তি, স্বাস্থ্য, বিশুদ্ধ খোৱা পানী যোগান, সমুহীয়া কেন্দ্ৰ, দক্ষতা বিকাশ কেন্দ্ৰ আদি আঁচনি গঢ় লৈ উঠিব। মই ভাৱো যে এইবিলাক  সীমামুৰীয়া অঞ্চলসমুহত যদি হয়, স্বাভাৱিকতে দীৰ্ঘদিন ধৰি সেই উপেক্ষিত লোকসকল স্বাধীনতাৰ পিছত, সেই অঞ্চলবিলাকৰ দ্ৰুত উন্নয়ন হ'ব আৰু উন্নয়নৰ মুল মাপকাঠিটোৱে হৈছে যোগাযোগ। ৰাস্তা – পদুলি বিলাক যেতিয়া ঠিক হ'ব, অন্যান্য সা-সুবিধা বিলাক থাকিব, তেতিয়া হলে স্বাভাৱিকতে অঞ্চলবিলাকৰ উন্নয়ন সম্ভৱ হৈ উঠিব।

আমি এই উন্নয়নমূলক কাৰ্যসূচী পৰ্যায়ক্ৰমে ৰূপায়ণ কৰাৰ বাবে এতিয়ালৈকে তিনিখন গাঁৱৰ পৰা ২২খন আঁচনি লাভ কৰিছোঁ। বাকী থকা যিবিলাক গাওঁ আছে, সেই গাঁওসমূহৰ বাবেও আঁচনিসমূহ ইতিমধ্যে বিচৰা হৈছে। আৰু এই যিবোৰ আঁচনি আমি পাম, সেই আঁচনিসমূহ ৰূপায়ণ কৰিবৰ কাৰণে অন্য যিবিলাক কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আছে, convergence কাৰ কাৰ লগত কৰিব পৰা যায়, কাৰ কাৰ লগত convergence কৰিলে  সেই অঞ্চলসমূহ উপকৃত হব, সেইখিনি আমি চাম।

মই  সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক  অনুৰোধ জনাইছোঁ আৰু বাকী যিসমূহ সীমান্তৱৰ্তী অঞ্চলৰ সমষ্টি আছে, সেই সমষ্টিৰ মাননীয়

সদস্যসকলকো অনুৰোধ জনাম যাতে তেওঁলোকে নিজৰ নিজৰ জিলাৰ আয়ুক্তসকলৰ লগত আলোচনা কৰি proposal যাতে প্ৰেৰণ কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া মই মাননীয় সদস্য শ্ৰী নুৰুল হুডা ডাঙৰীয়াক ''দৈনিক গণ অধিকাৰ'' বাতৰি কাকতত প্ৰকাশিত ''নগাঁৱত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষাৰ বিনামূলীয়া চাউল কঢ়িওৱাৰ নামত বৃহৎ ছিণ্ডিকেট'' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ  জনালো। তেখেত অনুপস্থিত।

যি কি নহওক আজি অসম বিধান সভাৰ কাৰণে এটা ঐতিহাসিক দিন। আমাৰ শূণ্য কালীন ঘন্টাত অৰ্থাৎ Zero Hour ত ৯ টা বিষয় আহিছিল। ৯ টা বিষয়ত আমি সকলোৱে সিদ্ধান্ত লৈছিলোঁ যে তিনি মিনিটকৈ বক্তব্য ৰাখিম। তিনি মিনিট কৈ মাননীয় মন্ত্ৰী সকলে উত্তৰ দিছে। যাৰ কাৰণে আমি আজি ৯ টা বিষয়ৰ ভিতৰত ৮ টা বিষয় dispose কৰিব পাৰিছোঁ। এইটো অসম বিধান সভাত আজি প্ৰথম বাৰৰ কাৰণে হৈছে, পূৰ্বতে ৩ টাৰ  ওপৰত হোৱা নাছিল। এনেকুৱা সহযোগ হলে আমি সকলোৱে কথা পাতিব পাৰিম। একেটা বিষয়ত যদি আমি ১৫মিনিট ২০-লৈ কথা পাতো, তেতিয়াহ'লে কথাবোৰ আমাৰ শেষ নহয়। গতিকে আপোনালোকৰ সহযোগিতাৰ কাৰণে আজি ৯টা বিষয়ৰ ভিতৰত ৮টা বিষয় নিষ্পত্তি কৰিব পাৰিলোঁ। তাৰ কাৰণে Thanks to everybody.

এতিয়া কাৰ্যসূচী নম্বৰ ২—Calling Attention under Rule 54

এতিয়া মাননীয় সদস্য শ্ৰীভূপেন ৰায় ডাঙৰীয়াই অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মৰ Rule 54-ৰ অধীনত Advantage Assam 2.0 বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰীভূপেন ৰয় (অভয়াপুৰী) :-** ধন্যবাদ, অধ্যক্ষ ডাঙৰীয়া, Advantage Assam, 1.0, Advantage Assam 2.0 এই দুটা কথা আমি বৰ্তমান অসমৰ এটা চৰ্চিত বিষয় হিচাপে আমি ক'ব পাৰোঁ। অধ্যক্ষ ডাঙৰীয়া, মহান শিল্পী Dr. Bhupen Hazarika ডাঙৰীয়াই কৈছিল, "সাঁচি পাতে ভাষা দিব, চিফুঙে আশা দিব, ৰংঘৰে

মেলিব দুৱাৰ, জিলিকাব লুইতৰে পাৰ।'' আজি আমি সকলোৱে জানোঁ যে Advantage Assam আৰু অসমত বসবাস কৰা প্ৰায় 3.5 কোটি জনসংখ্যাৰ এখন ৰাজ্য, উত্তৰ পূৰ্বাঞ্চলৰ আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিশেষকৈ Guwahati হৈছে দুৱাৰমুখস্বৰূপ আৰু এই উত্তৰ পূৰ্বাঞ্চলক আগুৱাই নিয়াৰ ক্ষেত্ৰত অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী Dr. Himanta Biswa Sarma ডাঙৰীয়াই যথেষ্ট কষ্ট তেখেতে কৰিছে। Advantage Assamৰ যোগেদি অসমখনৰ উন্নতি, অসমৰ জনসাধাৰণৰ GDPৰ growth আৰু আমি সকলোৱে মিলি যাতে ইয়াৰ GST সেই ধৰণে প্ৰদান কৰিব পাৰোঁ আৰু অসমক আমি এখন স্বাৱলম্বী ৰাজ্যত আগুৱাই নিবলৈ পাৰোঁ, তাৰ কাৰণে তেখেতে প্ৰচেষ্টা হাতত লৈছে। Advantage Assam আৰম্ভ হৈছিল ২০১৮ চনত ৩ আৰু ৪ ফেব্ৰুৱাৰী তাৰিখে সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হৈছিল। ই উত্তৰ পূব ভাৰতৰ অঞ্চলত এই ধৰণৰ প্ৰথম বৃহৎ বিনিয়োগৰ সন্মিলন হিচাপে ই এক ঐতিহাসিক মাইলৰ খুঁটি স্বৰূপ। সন্মিলনৰ মূল উদ্দেশ্য আছিল ASEAN আৰু BBIN দেশবোৰৰ সৈতে সম্পৰ্ক বৃদ্ধি কৰা আৰু অসমক আন্তঃৰাষ্ট্ৰীয় বিনিয়োগৰ বাবে আকৰ্ষণীয় গন্তব্য হিচাপে গঢ়ি তোলা। অধ্যক্ষ ডাঙৰীয়া, প্ৰথম 3 আৰু 4 February তাৰিখে দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী Narendra Modi ডাঙৰীয়াই এই সন্মিলন শুভ উদ্বোধন কৰিছিল আৰু Bhutanৰ Prime Minister ডাঙৰীয়া ইয়াত সন্মানীয় অতিথি হিচাপে, বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিছিল। ইয়াত বিশেষকৈ, ২০০ খন চুক্তি স্বাক্ষৰিত হৈছিল MOU। ঘোষিত বিনিয়োগ আছিল 1 লাখ কোটি টকা। মূল খণ্ড বিশেষকৈ বিদ্যুৎ উৎপাদন, কৃষি সামগ্ৰী উৎপাদন, IT Sector, নদী পৰিবহণ, Pharmaceutical Sector, পৰ্যটন আৰু চাহ। এইক্ষেত্ৰত বিশেষকৈ NRL, ONGC, Oil India এইক্ষেত্ৰত বিশেষকৈ ১৬০০৬১.৬৪ কোটি টকাৰ এটা প্ৰকল্প ধৰা হৈছিল। প্ৰথম Advantage Assamত বিশ্বব্যাপী মঞ্চ প্ৰদান কৰিছিল এই সন্মিলনটোৰ ফলস্বৰূপে NRL, ONGC আৰু Oil Indiaৰ ৭ টা প্ৰকল্প, প্ৰায় ১৬০০৬১.৬৪ কোটি টকাৰ বিনিয়োগৰ সফলভাৱে কাৰ্যকৰী কৰা হৈছিল। একেধৰণে Advantage Assam 2.0, এই সন্মিলনখন বিশেষকৈ গুৱাহাটীৰ খানাপাৰাস্থিত আমাৰ

Veterinary Playgroundত অনুষ্ঠিত হৈছিল 25 আৰু 26 February তাৰিখে। অধ্যক্ষ ডাঙৰীয়া, 2025 চনত দুদিনীয়াকৈ অনুষ্ঠিত সন্মানীয় প্ৰধানমন্ত্ৰী Narendra Modi ডাঙৰীয়াই এই সন্মিলনৰ শুভ উদ্বোধন কৰে। আমি মুঠ অংশগ্ৰহণকাৰী 14,500 জনতকৈ অধিক, আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধি 200 জনতকৈ অধিক, দেশীয় ব্যৱসায়িক নেতা 2,100 জনতকৈ অধিক আৰু অংশগ্ৰহণকাৰী দেশ ৭৬ খন। অধ্যক্ষ ডাঙৰীয়া, আমি ইয়াত Mission প্ৰদান হিচাপে ৬৭ জন, কেন্দ্ৰীয় মন্ত্ৰী 6 জন আৰু বক্তা 121 জন আৰু দ্বিপাক্ষিক অংশীদাৰী ৰাষ্ট্ৰ হিচাপে 9 খন দেশ ইয়াত অংশগ্ৰহণ কৰিছিল। এই সন্মিলনৰ জৰিয়তে সামগ্ৰিকভাৱে 4,91,500 কোটি টকাৰ বিনিয়োগৰ লক্ষ্য আৰু প্ৰস্তাৱ লোৱা হৈছিল। অধ্যক্ষ ডাঙৰীয়া, ইয়াত Reliance Industriesৰ Mukesh Ambani ডাঙৰীয়াৰ 50,000 কোটি টকাৰ পৰামাণু আৰু সেউজ চুক্তি Retail আৰু খাদ্যত তেখেতসকলে বিনিয়োগ কৰিব বুলি ধৰা হৈছিল। Adani Groupৰ ফালৰ পৰা 50,000 কোটি বিশেষকৈ Airport, City Gas, বিদ্যুৎ উৎপাদন, Cement আৰু Port. Gautam Adani ডাঙৰীয়াৰ তেনেকুৱা আছিল। Vedanta Group য'ত 50,000 কোটি টকা তেল আৰু গেছ অন্বেষণ আৰু ক্ৰীড়া উন্নয়নৰ ক্ষেত্ৰত ধাৰ্য্য কৰা হৈছিল। অধ্যক্ষ ডাঙৰীয়া, ই এক শুভ-লক্ষণ। আমি সকলোৱে জানোঁ যে অসমখন আৰু বহুতো কথা আছে, মই যিখিনি কথা ক'ব গ'লে বহুত সময় হয়তো আপোনাৰ ল'ব লাগিব। গতিকে মই ইমান কথা ক'ব খোজা নাই। এই Advantage Assam 2.0ৰ যোগেদি আমি বিশেষকৈ যিটো দুদিনীয়াকৈ অনুষ্ঠিত হৈছিল তাত সন্মিলনখনৰ জৰিয়তে 4,91,500 কোটি টকা বিনিয়োগ আৰু 2,75,000 কোটি টকাৰ মুঠ 270 খন বুজাবুজি চুক্তিৰ স্বাক্ষৰ হোৱা বুলি জানিছিলোঁ। ইয়াৰ উপৰিও জিলা পৰ্যায়ত 5,851 আৰু 1,921 খন অতিৰিক্ত বিনিয়োগ চুক্তি স্বাক্ষৰিত হোৱা বুলিও শুনিছিলোঁ। সেয়েহে এই চুক্তি ৰাজ্যখনৰ বাবে অতি গুৰুত্বপূৰ্ণ, অধ্যক্ষ ডাঙৰীয়া। আপুনি নিশ্চয় অৱগত, বৰ্তমান অসমখন আমি একপ্ৰকাৰ গ্ৰাহক এখন ৰাজ্য হিচাপে আমি ক'ব পাৰোঁ। কাৰণ এই অসমত আমি সকলোবিলাক প্ৰয়োজনীয় সামগ্ৰী, বিশেষকৈ খাদ্য, আমি

যদি ভাবোঁ চাউল, চেনি, দালি, আটা, মইদা, চুজি, জিৰা, গুণমুৰিচ ইত্যাদি, আমি বাহিৰৰ পৰা কিনি আনি খাব লাগে। ঠিক একেইধৰণে অধ্যক্ষ ডাঙৰীয়া, আমি পিন্ধা যি সামগ্ৰী, কাপোৰ-কানি, জোতা, চেণ্ডেল ইত্যাদি সকলো বাহিৰৰ পৰা আমি কিনি আনিবলগীয়া হয়। ইয়াত বসবাস কৰা প্ৰায় ৩.৫ কোটি জনসাধাৰণ আৰু ইয়াত হয়তো আমাৰ বাহিৰৰ পৰা চাকৰি বা ব্যৱসায় ইত্যাদি বিশেষ কামত দেশখনলৈ বহুত ঠাইৰ পৰা আহি উপস্থিত থকা জনসংখ্যা মিলিলে কিজানিবা 4 কোটি জনসংখ্যাৰ এই এখন ৰাজ্য হ'ব পাৰে। গতিকে গুৱাহাটীখন আৰু অসমখন আৰু ইয়াৰ জিলাসমূহক আমি কেনেধৰণে আগুৱাই নিব পাৰোঁ, অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিশেষকৈ ক'ব খুজিছোঁ যি আমাৰ বিজুলি আমাৰ প্ৰয়োজনীয় যিখিনি আমাৰ হয়, সেইখিনি আমি উৎপাদন কৰিবৰ কাৰণে সক্ষম নহওঁ, অধ্যক্ষ ডাঙৰীয়া। গতিকে বিজুলিৰ নাটনি দূৰ কৰিবৰ কাৰণে যিকোনো পন্থা চৰকাৰখনে বা মুখ্যমন্ত্ৰী ডাঙৰীয়াই ল'লে ভাল হয়। আমাৰ ইয়াত যিবিলাক Companyয়ে কাম কৰি থাকে, বিশেষকৈ LIC, Life Insurance Company, তেখেতসকলে আমাৰ যি Life Insurance কৰি, আমাক জীৱন সুৰক্ষাৰ ক্ষেত্ৰত যি কাৰ্যসূচী তেখেত সকলে ৰূপায়ণ কৰি থাকে, তেখেতসকলে কিন্তু আমাৰ এই ৰাজ্যখনত কিছু Investmentৰ কামো তেখেতসকলক মাতি আনি কৰোৱাৰ ব্যৱস্থা কৰিব লাগে। যেনেধৰণে Tata কে আদি কৰি Company বিলাকে কৰে, তেখেতসকলকো মাতি আনি কৰিব লাগে। ৰাজ্যখনত অধ্যক্ষ ডাঙৰীয়া, প্ৰধানমন্ত্ৰীৰ যি উন্নতি আঁচনি আছে, এই উন্নতি আঁচনি আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে আছিল। ইয়াৰ যোগেদি যিসকলে উদ্যোগ বা ক্ষুদ্ৰ উদ্যোগ কৰিব বিচাৰিছে, তেখেতসকলক 50% Subsidy দিয়াৰ কথাটো আছিল। কিন্তু আচৰিত কথা এইটো যে  ইয়াৰ যিটো আমাৰ Tea Board of India আমাৰ উত্তৰ পূৰ্বাঞ্চল, বিশেষকৈ অসমৰ কাৰণে কাম কৰে, তেখেতসকলে কিন্তু আমাৰ চাহ উদ্যোগৰ ক্ষেত্ৰত যদি কোনোবাই Extension বা ইত্যাদি কৰিব বিচাৰিছে, তেখেতসকলক কিন্তু উন্নতিৰ Schemeত এই সুবিধাটো প্ৰদান কৰা হোৱা নাই । কিন্তু আমি ক'ব খুজিছো প্ৰধান মন্ত্ৰীৰ কাৰ্য্যালয়ে

এইক্ষেত্ৰত campaigning কৰিছে। তেখেতসকলে কৈছে যে ইয়াৰ লাভ অসমৰ জনসাধাৰণে ল'ব লাগে। কিন্তু তেনে ক্ষেত্ৰত Tea Board ৰ ফালৰ পৰা এই বিষয়টো বাৰণ কৰা থাকিল বা চাহ উদ্যোগীসকলে প্ৰধান মন্ত্ৰীৰ উন্নতি আঁচনিৰ যোগেদি তাৰ ৫০ শতাংশ subsidy ৰ পৰা বঞ্চিত হৈ থাকিল আৰু এই আঁচনিখনক extend কৰিব লাগে বুলি আজিৰ এই বিধান সভাই আজি অনুৰোধ কৰিব লাগে। অধ্যক্ষ ডাঙৰীয়া, আপুনি নিশ্চয় জানে যে অসমত আমাৰ যিসকল বিশেষকৈ অসম ঐতিহ্যবহনকাৰী এখন ৰাজ্য। এইটো আজি নহয়, পুৰণি কালৰ পৰাই। আপোনালোকে নিশ্চয় জানে যে পুৰণি কালৰ পৰাই, ভগৱান শ্ৰী কৃষ্ণই নিজে অসমলৈ আহিছিল। কুণ্ডিলৰ ৰাজকণ্যা ৰুক্মিণীক তেখেতে হৰণ কৰিছিল আৰু তেখেতৰ নাতি অনিৰুদ্ধই শোণিতপুৰৰ জীয়াৰী উষাক বিয়া কৰাইছিল। মহাভাৰতৰ যুদ্ধত কামৰূপৰ ৰজা ভগদত্তই অংশগ্ৰহণ কৰিছিল। একেদৰে সতী জয়মতী, সতী মূলাগাভৰু, সতী ৰাধিকা, বিৰাঙ্গণা কনকলতা বৰুৱা, স্বাধীনতা সংগ্ৰামী সকল ক্ৰমে- ভাৰত ৰত্ন গোপীনাথ বৰদলৈ ডাঙৰীয়া, জননেতা শৰৎ সিংহ ডাঙৰীয়া, অসম আন্দোলন তথা ভাষা আন্দোলনৰ সন্মানীয় স্বহীদ সকল আৰু মণিৰাম দেৱানৰ তেতিয়াৰ যি চিন্তা-চৰ্চ্চা, এই চিন্তা-চৰ্চ্চাৰ যোগেদি আমি ৰাজ্যখনক আগুৱাই নিয়াটো বিচাৰো। অসমৰ জনগোষ্ঠী বা অসমৰ জনসাধাৰণ আমাৰ সকলোৰে পৰিচিত। মহাপুৰুষ শংকৰদেৱে যি আদৰ্শ দেখুৱাইছিল, একতাৰ দোলেৰে ৰাজ্যখনক বা জাতিটোক আগুৱাই নিয়াৰ কথা আৰু তেতিয়াৰ বিশেষকৈ বীৰ লাচিত আৰু মহাবীৰ চিলাৰায় বা তেওঁলোকৰ ৰাজসভাত থাকি গুৰুজনাই যি সৃষ্টি কৰিলে বা জাতিটোৰ কাৰণে যিখিনি কৰি থৈ গ'ল, এই জাতিটোক আমি আগুৱাই নিব লাগিব। এই Advantage Assam ৰ যোগেদি জিলাবিলাকৰ কাৰণে কি চুক্তি স্বাক্ষৰিত হৈছিল এইক্ষেত্ৰত আমি আমাৰ অঞ্চলবিলাকতো ইয়াৰ লাভ বা অসমবাসী ৰাইজ হিচাপে যাতে আমি সকলোৱে সমানভাৱে এই সুবিধাটো পাওঁ। মই বিশেষকৈ Advantage Assam আৰু ৰাজ্যখনক আগুৱাই নিয়াৰ স্বাৰ্থত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ যি বলিষ্ঠ নেতৃত্ব, এই নেতৃত্ব যাতে পিছপৰি নাথাকে

আৰু অধিক উৎসাহেৰে আগুৱাই লৈ যায় আৰু এইবাৰৰ নিৰ্বাচনত যেনেকৈ আমি ১০২ খন আসন পাবলৈ সক্ষম হৈছো, অসমৰ জনসাধাৰণে যি আশা-ভৰষাত আমাক এই বিধান সভালৈ পঠিয়াইছে, চৰকাৰ গঠন কৰাৰ সুবিধা দিছে, তাৰ প্ৰতি লক্ষ্য ৰাখি অসমখনক বিশেষকৈ আমাৰ যি সমস্যা বাচি উলিয়াই আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই অনুৰোধ ৰাখি বিশেষকৈ চৰকাৰখনে লোৱা এই কাৰ্য্যসূচীৰ বিষয়ে আমি বিধানসভাৰ যোগেদি আপোনাৰ অধ্যক্ষতাত ৰাজ্যখনৰ জনসাধাৰণে এই কথাটো যাতে সকলোৱে গম পায় বা জানিব পাৰে তাৰকাৰণে উদ্দেশ্য ৰাখি মই মোৰ বক্তব্য এইখিনিতে সামৰিছো।

**মাননীয় অধ্যক্ষঃ** Minister please.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, এই সন্মানীয় সদনৰ সন্মুখত মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ  দূৰদৰ্শী দিশ নিৰ্দেশনা আৰু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ গতিশীল নেতৃত্বত অসমৰ অৰ্থনৈতিক ৰূপান্তৰৰ এক উল্লেখযোগ্য যাত্ৰা উপস্থাপন কৰিবলৈ পাই মই অত্যন্ত গৌৰৱান্বিত অনুভৱ কৰিছো আৰু এই সুবিধাখিনি দিয়াৰ কাৰণে মই সন্মানীয় জেষ্ঠ্য বিধায়ক ভূপেন ৰয় ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ ডাঙৰীয়া, যোৱা এটা দশকত অসম এখন অস্থিৰ ৰাজ্যৰ পৰা শান্তিপূৰ্ণ প্ৰগতিশীল আৰু বিনিয়োগ অনুকূল ৰাজ্য হিচাপে উল্লেখযোগ্য পৰিৱৰ্তন সাধন কৰিছে। আন্তঃগাঁথনি logistic, digital সংযোগ আৰু জনসেৱা খণ্ডত হোৱা বৃহৎ বিনিয়োগে বিনিয়োগকাৰীৰ আস্থা বৃদ্ধি কৰাৰ লগতে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিছে। অধ্যক্ষ ডাঙৰীয়া, অসমৰ অৰ্থনীতি এক উল্লেখযোগ্য ৰূপান্তৰৰ মাজেৰে আগবাঢ়িছে। ভাৰতীয় Reserve Bank (RBI) ৰ তথ্য অনুসৰি বিগত ৫ বছৰত অসমে ভাৰতৰ আটাইতকৈ  দ্ৰুতগতিত বৃদ্ধি পোৱা ৰাজ্যিক অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰিছে। Financial year 2020 ৰ পৰা Financial year 2025 লৈ এই স্থিৰ মূল্যৰ ভিত্তিত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন GSDP 45% বৃদ্ধি পাইছে  যিটোৰ ৰাষ্ট্ৰীয় বৃদ্ধিৰ হাৰ ২৯ শতাংশ।  অধ্যক্ষ ডাঙৰীয়া, মই ক'ব বিচাৰিছো যে Reserve Bank of India ই দিয়া এইটো এটা

সমীক্ষা। এইটো কোনো ব্যক্তিগত সংস্থাই  দিয়া সমীক্ষা নহয়। ইয়াত কোৱা হৈছে যে যোৱা ৫ বছৰত যিমান কাম হৈছে, যিমান investment হৈছে, যিমান বিনিয়োগ হৈছে, ভাৰতৰ অন্য ৰাজ্যতকৈ অসম এক নম্বৰত আছে। ভাৰতৰ GSDP গড় ২৯ শতাংশ আৰু অসমৰ  ৪৫ শতাংশ। অধ্যক্ষ ডাঙৰীয়া, এইখিনি সময় আমি তামিলনাডু, গুজৰাট, তেলেঙ্গানা আদি ৰাজ্যক পিছ পেলাইছো। অসমক দেশৰ ৫ খন ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হিচাপে গঢ়ি তোলাৰ সপোন অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ। অধ্যক্ষ ডাঙৰীয়া, আগৰ হিচাপখিনি যদি বাদ দি দিওঁ, বাদ দিব নোৱাৰো, মই just hypothetically কৈছো, যোৱা ৫ বছৰত অসম ইতিমধ্যে এক নম্বৰলৈ গৈছে। কিন্তু আগতে যিহেতু আমি পিছত আছিলো, সেইকাৰণে immediately যাব নোৱাৰো। আমাৰ এই যি ৫ বছৰ financial year ৰ হিচাপ থাকে আৰু সেইমতে যদি এনেকৈ অসম ১৫ বছৰ এক নম্বৰ হৈ থাকে নিশ্চয়কৈ অসম দেশৰ ৫ নম্বৰ ৰাজ্যলৈ যাব। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই দূৰদৰ্শী চিন্তাৰে আৰম্ভ হোৱা ভাৰত চেমি কণ্ডাকটৰ অভিযানৰ  অধীনত দেশৰ ৬ খন ৰাজ্যত ১.৬ লাখ কোটি টকাৰ বিনিয়োগৰ ১০ টা গুৰুত্বপূৰ্ণ চেমি কণ্ডাকটৰ প্ৰকল্পৰ অনুমোদন পোৱা হৈছে। ইয়াৰ বিতৰত জাগীৰোডস্থিত Tata Electronics ৰ চেমি কণ্ডাকটৰ আৰু OSAT প্ৰকল্প ভাৰতৰ পূৱ ভাৰতবৰ্ষৰ দ্বিতীয় সৰ্ব্ববৃহৎ চেমি কণ্ডাকটৰ বিনিয়োগ হিচাপে পৰিগণিত হৈছে। অধ্যক্ষ ডাঙৰীয়া, মোৰ সৌভাগ্য বুলিয়ে কৈছো যে  কাকতালীয়ভাৱে মোৰ সমষ্টি জাগীৰোডত নিৰ্মাণ  কৰা হৈছে বা প্ৰতিষ্ঠা কৰা হৈছে। যোৱাকালি মই বিষয়া এগৰাকীৰ লগত কথা পাতি আছিলো, তেখেতক সুধিছিলো কেতিয়াৰ পৰা production আৰম্ভ হ'ব, তেখেতে কৈছে অক্টোৱৰ বা খুব বেছি নৱেম্বৰ মাহৰ পৰাই জাগীৰোডত ছেমিকণ্ডাক্টৰ উদ্যোগৰ production আৰম্ভ হ'ব। অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী  ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ গতিশীল নেতৃত্বত অসমে এই ৰাষ্ট্ৰীয় দৃষ্টিভঙ্গীত বাস্তৱ ৰূপ প্ৰদান কৰি ২৭,০০০ কোটি টকাৰ এই ঐতিহাসিক ছেমিকণ্ডাক্টৰ প্ৰকল্প লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ ইতিহাসৰ অন্যতম বৃহৎ উদ্যোগ হিচাপে এই প্ৰকল্প অসমক

ছেমিকণ্ডাক্টৰ আৰু Electrics উৎপাদনৰ এক কৌশলগত কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিব আৰু উদ্ভাৱন, প্ৰযুক্তি ক্ষমতা, বহন ক্ষমতা আৰু আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভঙ্গীক আগুৱাই নিব। অধ্যক্ষ ডাঙৰীয়া, অশ্বিনী বৈষ্ণৱ ডাঙৰীয়া এবাৰ জাগীৰোডলৈ আহিছিল, তেখেতৰ লগত থকাৰ মই সুযোগ পাইছিলো। তেখেতে কৈছিল ভাৰতবৰ্ষত যোৱা ৪০ বছৰত ছেমিকণ্ডাক্টৰ উৎপাদন কৰিবলৈ try কৰিছিল । কিন্তু এই কামটো সফলতালৈ ৰূপান্তৰ কৰিলে নৰেন্দ্ৰ মোডী ডাঙৰীয়াই। অধ্যক্ষ ডাঙৰীয়া, এটা কথা মই গৌৰৱেৰে কওঁ যে, জাগীৰোডত যে Tata Electronics ৰ ছেমিকণ্ডাক্টৰ প্ৰতিষ্ঠা হৈছে, এদিনলৈ কোনো তাত আন্দোলন কৰিবলৈ যোৱা নাই। কোনো দল, সংগঠন তাত একো বিচাৰিবলৈ যোৱা নাই। এদিনো construction বা কোনো ধৰণৰ কাম halt হোৱা নাই। এই পৰিৱেশটো আমাৰ চৰকাৰৰ সু-শৃংখলিত ব্যৱস্থাৰ কাৰণে হৈছে । অধ্যক্ষ ডাঙৰীয়া, আমি আৰু বেছি কাম কৰিব লাগিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই সদনক মই details ত এইকাৰণেই কৈছো যে যোৱা ১০ বছৰত বহুত কাম হ'ল গতিকে মই অকণমান details ত ক'বলৈ মই আপোনাৰ পৰা সময় বিচাৰিছো। অসম চৰকাৰে ২০২৫ চনৰ ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত Advantage Assam 2.0 ৰ Investment and Infrastructure Summit সফলতাৰে আয়োজন কৰে। এই সন্মিলনত ছেমিকণ্ডাক্টৰ, ইলেক্ট্ৰনিকছ ৰে'লৱে, অসামৰিক বিমান পৰিবহণ, নবীকৰণ শক্তি, হাইড্ৰ'কাৰ্বন, মহাকাশ আৰু প্ৰতিৰক্ষা, বন আৰু বাঁহ, তথা সুগন্ধি আৰু ফ্লেভাৰ উদ্যোগকে ধৰি গুৰুত্বপূৰ্ণ খণ্ডসমূহত বিনিয়োগৰ সম্ভাৱনা প্ৰদৰ্শন কৰা হয়। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, এই সন্মিলনখন ২০২৫ চনৰ ২৫ ফেব্ৰুৱাৰীত মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই উদ্বোধন কৰে। সন্মিলনৰ পূৰ্বে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ঐতিহাসিক ঝুমুৰ বিনন্দিনী সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে, য'ত ৮,০০০ৰো অধিক শিল্পীয়ে অসমৰ চাহ বাগিচাৰ ২০০ বছৰীয়া ঐতিহ্য সমৃদ্ধ আৰু সাংস্কৃতিক পৰম্পৰা বিশ্ববাসীৰ সন্মুখত উপস্থাপন কৰে। Advantage Assam 2.0-য়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ব্যাপক সঁহাৰি লাভ কৰে। ৭৫খন দেশৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ

কৰে। ৰাষ্ট্ৰদূত সম্মিলনৰ জৰিয়তে ৩৫টা কূটনৈতিক মিছনৰ সৈতে যোগাযোগ স্থাপন কৰা হয়। আগতে অধ্যক্ষ ডাঙৰীয়া এনেকৈ হয়তু ৭৫ খন দেশৰ প্ৰতিনিধি অসমলৈ আগতে আহিছিল নে নাই মোৰ সন্দেহ আছে আৰু এনেকৈ বহু কেইখন দেশৰ ৰাষ্ট্ৰদূত একেলগে আহিছিল নে নাই তাতো অধ্যক্ষ ডাঙৰীয়া মোৰ সন্দেহ আছে। অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ উপৰিও ৯খন অংশীদাৰ দেশ, ৬৭গৰাকী মিছন প্ৰধান আৰু ১২টা গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক সংস্থাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সম্মিলনৰ পূৰ্বে চৰকাৰে দেশৰ বিভিন্ন প্ৰধান চহৰত ২৪০ৰো অধিক Business-to-Government (B2G) বৈঠক আয়োজন কৰে, অধ্যক্ষ ডাঙৰীয়া য'ত ১,৩০০ৰো অধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰি বিনিয়োগকাৰীৰ আস্থা আৰু অংশীদাৰিত্ব শক্তিশালী কৰে। অধ্যক্ষ ডাঙৰীয়া, Advantage Assam 2.0-ৰ প্ৰকৃত সফলতা কেৱল বিনিয়োগৰ প্ৰতিশ্ৰুতিত সীমাবদ্ধ নহয়; ইয়াৰ সফলতা নিহিত হৈ আছে সেই প্ৰতিশ্ৰুতিসমূহৰ সময়মতে ৰূপায়ণ কৰাত । অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা দেখিছিলো, আবেলি হয়টো ৩ টা মান বজাত Advantage Assam 2.0-ৰ প্ৰগ্ৰেম শেষ হৈছিল, ৮ বজাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাৰ্য্যালয়লৈ গৈছিল। মই সেইখিনি সময়ত সেই অফিচতে আছিলো, সেই দিনাই তেখেতে follow-up কৰাৰ কাম আৰম্ভ কৰিছিল, মোৰ যদি ভুল হোৱা নাই, সেই দিনাই অধ্যক্ষ ডাঙৰীয়া আবেলিৰ পৰা ইয়াতে চহী কৰি থৈ গ'ল, কিন্তু তেওঁলোক আহিব নে নাহিব, তেওঁলোকৰ কিমানে প্ৰতিশ্ৰুতি দিছিল, কিমানে ইতিমধ্যে আহিছে, আহিব মই কম । অধ্যক্ষ ডাঙৰীয়া, সেই দিনা আবেলিয়েই মুখ্যমন্ত্ৰী ডাঙৰীয়াই মূল মূল বিষয়া সকলক মাতি আনি এই কামটোৰ follow-up আৰম্ভ কৰিছিল যে কেনেকৈ যি সকলে Memorandum of Understanding কৰিলে তেখেত সকলক লৈ আনিব পাৰি । অধ্যক্ষ ডাঙৰীয়া, উৎপাদন, আন্তঃগাঁথনি, শক্তি, পৰ্যটন, খনিজ সম্পদ, স্বাস্থ্য, আতিথ্য আৰু লজিষ্টিক খণ্ডত প্ৰায় ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে প্ৰায় ৩.১০ লাখ কোটি টকাৰ প্ৰকল্প, অৰ্থাৎ মুঠ প্ৰতিশ্ৰুতি বিনিয়োগৰ প্ৰায় ৬০ শতাংশ, মানে অধ্যক্ষ

ডাঙৰীয়া প্ৰতিশ্ৰুতি আছিল ৫ লাখ ১৮ হাজাৰ কোটি টকাৰ ইতিমধ্যে অহাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল ৩ লাখ ১০ কোটি টকা, আৰু সেইটো হ'ল ৬০ শতাংশ। ইতিমধ্যে উন্নত ৰূপায়ণ পৰ্যায়ত উপনীত হৈছে আৰু কেইবাটাও প্ৰকল্প ইতিমধ্যে কাৰ্যক্ষম হৈছে। ৫.১৮ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতিৰ জৰিয়তে আগন্তুক বছৰসমূহত ৰাজ্যখনত ২ লাখৰো অধিক নিয়োগৰ সুযোগ সৃষ্টি হোৱাৰ আশা কৰা হৈছে। Advantage Assam 2.0-ৰ সময়ত চৰকাৰে অসমৰ MSME খণ্ডকো বিশেষ গুৰুত্ব প্ৰদান কৰে। ৰাজ্যৰ ৩৫ খন জিলাৰ পৰা মুঠ ২,৫৯২ খন Memorandum of Understanding (MoU) স্বাক্ষৰ কৰা হয়, অধ্যক্ষ ডাঙৰীয়া, কেৱল গুৱাহাটীতে কৰা হোৱা নাছিল, গুৱাহাটীত বাহিৰৰ পৰা ডাঙৰ ডাঙৰ বিনিয়োগকাৰী সকল আহি Memorandum of Understanding (MoU) কৰিছিল, আমি জিলাই জিলাই কৰিছিলো য'ত MSME, অলপ আমাৰ মিডিয়াম চেক্টৰ কয়,তেওঁলোকক আমি জিলাই জিলাই জিলাপৰ্য্যায়ত Memorandum of Understanding (MoU) কৰিছিলো। অধ্যক্ষ ডাঙৰীয়া, যাৰ মূল্য প্ৰায় ৬,৭৭৪ কোটি টকা। এইখিনি জিলা পৰ্য্যায়ত Memorandum of Understanding (MoU) হৈছিল। ইয়াৰ জৰিয়তে উদ্যোগীকৰণৰ সুফল কেৱল বৃহৎ উদ্যোগসমূহতে সীমাবদ্ধ নথকাকৈ স্থানীয় উদ্যোগ, ক্ষুদ্ৰ ব্যৱসায়ী আৰু তৃণমূল পৰ্যায়ৰ অৰ্থনৈতিক বিকাশলৈ সম্প্ৰসাৰিত হৈছে। অধ্যক্ষ ডাঙৰীয়া, এই উদ্দেশ্য পূৰণৰ বাবে অসম উদ্যোগ আৰু বিনিয়োগ নীতি, ২০১৯ (সংশোধিত)-ত বিত্তীয় প্ৰণোদনাসমূহক স্থানীয় যুৱকৰ বাবে নিয়োগ সৃষ্টিৰ সৈতে কৌশলগতভাৱে সংযুক্ত কৰা হৈছে। এই নীতিৰ অধীনত ৰাজ্যিক কেবিনেটে প্ৰায় ৫০,৩৯১ কোটি টকাৰ বিনিয়োগৰ সৈতে ৬৪ টা প্ৰকল্পৰ বাবে বিশেষ অনুমোদন প্ৰদান কৰিছে। এই প্ৰকল্পসমূহৰ জৰিয়তে অধ্যক্ষ ডাঙৰীয়া, ২০,৮০০ৰো অধিক লোকক প্ৰত্যক্ষ আৰু ৬১,৪০০ যুৱক-যুৱতীক পৰোক্ষ নিয়োগৰ সুযোগ সৃষ্টি হোৱাৰ সম্ভাৱনা কৰা হৈছে । মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যথাৰ্থভাৱে কৈছে, "ভাৰতৰ প্ৰযুক্তিৰ শক্তি নিহিত আছে অংশীদাৰিত্বত যাৰ দৃষ্টিভংগী বিশ্বব্যাপী আৰু ৰূপায়ণ স্থানীয়।" এই দৰ্শনেৰে

পৰিচালিত হৈ অসমে টাটা ছন্স, আদানি গোট, ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজ, বেদান্ত ৰিচৰচেছ্, পেপচিক', ক'কা-ক'লা, JSW গোট, বৰুণ বেভাৰেজ, JW Marriott, Hilton, Medanta, UltraTech Cement, Bunge, Dalmia Group, Star Cement, Greenko আদি আগশাৰীৰ উদ্যোগ গোটৰ সৈতে এক পছন্দৰ বিনিয়োগ গন্তব্যস্থান হিচাপে আত্মপ্ৰকাশ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ যদি ভুল হোৱা নাই গুৱাহাটীত ১২ খন নে ১৩ খন five star hotel ৰ কাম চলি আছে, অধ্যক্ষ মহোদয়, ১২ খন নে ১৩ খন five star hotel ৰ বিনিয়োগ অসমত আহিছে। পৃথিৱীৰ বিখ্যাত বিখ্যাত কোম্পানী সমূহ JW Marriott, Hilton group, আদি ডাঙৰ ডাঙৰ গ্ৰুপ সমূহ অসমত হোটেল পাতিবলৈ আহিছে। গুৱাহাটীতে নহয় বাহিৰটো অলপ অলপ হৈ আছে। অধ্যক্ষ ডাঙৰীয়া, এই বিনিয়োগসমূহৰ সৰ্বাধিক অৰ্থনৈতিক লাভ নিশ্চিত কৰাৰ বাবে বিভাগে IOCL, ONGC, NRL আৰু অন্যান্য অংশীদাৰসকলৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি সহায়ক উদ্যোগসমূহৰ সুযোগ চিনাক্ত কৰিছে আৰু স্থানীয় MSME সমূহৰ পৰা ক্ৰয় বৃদ্ধি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত অসমৰ উদ্যোগীসকলে বিকাশশীল উদ্যোগিক মূল্য শৃংখলাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰিব আৰু উদীয়মান ব্যৱসায়িক সুযোগসমূহৰ সদ্ব্যৱহাৰ কৰিব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, মই এখন তালিকা পঢ়ি দিব খুজিছো অধ্যক্ষ মহোদয়, যোৱা সময়খিনিত Advantage Assam 2.0-ৰ পৰা কোন কোন উদ্যোগৰ কিমান টকা বিনিয়োগ ইতিমধ্যে হৈছে, মই ক'লো যে চাৰে পাঁচ লাখ কোটি টকাৰ পৰা ৩ লাখ ১০ কোটি টকাৰ ইতিমধ্যে আনুষ্ঠানিকতা সম্পূৰ্ণ হৈছে । অধ্যক্ষ ডাঙৰীয়া, Pulp/specialty paper ৰ নামত দুটা প্ৰজেক্ট ১৮ শ ৫ কোটি টকা । Plastic Recycling / Plastic Products ৰ তিনিটা প্ৰজেক্ট ১শ ৬৯ কোটি টকা, এইবিলাকৰ ইতিমধ্যে কাম আৰম্ভ হৈছে । Petrochemicals / CPSU Investments ৰ পাঁচটা এতিয়া ৩৬ হাজাৰ ৪ শ ১০ কোটি টকা, ইয়াৰ যোগেদি কাম হ'বলৈ আৰম্ভ হৈছে। Ethanol পাঁচটা প্ৰজেক্ট হৈছে, ইয়াত ১ হাজাৰ ৬৯ কোটি টকা, ইয়াতে বিনিয়োগ হৈছে। Cement Manufacturing / Mining ইয়াতে

১৫ টা প্ৰজেক্ট আহিছে অধ্যক্ষ ডাঙৰীয়া, ৫৩ হাজাৰ ৭ শ ২৮ কোটি টকাৰ investment ৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। Hospital/Hotels / Hospitality ৰ ১৯ টা প্ৰজেক্ট, ইয়াতে ৩ হাজাৰ ৪ শ ৫৯ কোটি টকাৰ কাম আৰম্ভ হৈছে বা আৰম্ভ হোৱাৰ পথত। FMCG ৰ তাতে ৩ টা প্ৰজেক্ট ৬৭৩ কোটি টকা বিনিয়োগৰ কাম আৰম্ভ হৈছে। Energy, power আৰু bio-fuel ১ লাখ ২৪ হাজাৰ ৩৮০ কোটি টকা। অধ্যক্ষ ডাঙৰীয়া, manufacturing ত ৪ টা project ৭৬২ কোটি টকা। অধ্যক্ষ ডাঙৰীয়া IMFL ব্যুৰি তাত ৫ টা project ৬৭৫ কোটি টকা, Data centre তাত এটা project ২০০ কোটি টকা, agriculture ত এটা project ৪০ কোটি টকা, solar ত এটা project ২৫০ কোটি টকা, Defence ত অধ্যক্ষ ডাঙৰীয়া অসমত কাম আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াইতো Defence corridor হিচাপে অসমক বনাব যত্ন কৰি আছে। Defence ত অধ্যক্ষ ডাঙৰীয়া কাম হ'বলৈ পৰিৱেশ আৰম্ভ হৈছে। Education sector ত এটা project তাত ২০০ কোটি টকা, গেছত এটা project ১২৫ কোটি টকা, ফাৰ্মাচিটিকেলচত অধ্যক্ষ মহোদয় এটা project তাত ৩০ কোটি টকা, Geo textile Project ত এটা project তাত ২৫ কোটি টকা, other PSUs, ছাৰ PSU ত ৫ টা project তাত ৩১,৯৫৪ কোটি, Infrastructure ত ৫টা project তাত ৫৪,৬৬৯ কোটি মুঠতে ৩ লাখ ১০ হাজাৰ ৬৮১ কোটি টকাৰ কাম আমাৰ Advantage Assam 2.0 ৰ যি ৫ লাখ ২০ হাজাৰ কোটি টকাৰ প্ৰতিশ্ৰুতি আছে, তাৰ কাম আৰম্ভ হৈছে বা আৰম্ভ হ'বলৈ আছে। অধ্যক্ষ মহোদয়, মই ভাবো মই ইমান clear নহয় তাৰ পাছতো মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে আৰু দুটা তিনিটা Semi conductor Industry অসমত অহাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। অধ্যক্ষ মহোদয়, এই ৫ লাখ কোটি টকা Advantage Assam 2.0 ৰ তাৰ ৩ লাখ ১০ কোটি টকাৰ কাম আৰম্ভ হৈছে। তাৰ উপৰিও মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰম্ভ কৰিছে বহুকেইটা উদ্যোগ অসমলৈ আহিবলৈকে আছে। এই কেইটা তাৰ ওপৰত অধ্যক্ষ ডাঙৰীয়া। সেইবাবে অধ্যক্ষ ডাঙৰীয়া অসমে যোৱা ৫ বছৰত ২০২০ চনৰ পৰা ২০২৫ চনলৈ ভাৰতৰ সকলোতকৈ দ্ৰুততম অগ্ৰগতি হোৱা ৰাজ্য হিচাপে প্ৰতিষ্ঠা লাভ

কৰিছে । অধ্যক্ষ ডাঙৰীয়া আৰু নিশ্চয়কৈ আমি কৰিম অসমক ইণ্ডাষ্ট্ৰিয়েল হাব কৰিবই লাগিব। অধ্যক্ষ ডাঙৰীয়া মই কৃষি মন্ত্ৰী, গতিকে কৃষিৰ কথা ক'বই লাগিব , অকল ইণ্ডাষ্ট্ৰি কৈ থাকিলেতো নহ'ব, কৃষিও কৰিব লাগিব । কৃষকক লৈ লগতে ইণ্ডাষ্ট্ৰিক লৈও একেলগে আগুৱাই যাব লাগিব। ইণ্ডাষ্ট্ৰি একেদিনাই গোটেইখিনি কৰাটো সম্ভৱ নহয়। অধ্যক্ষ ডাঙৰীয়া আপুনি যদি চায় পৃথিৱীৰ যিবিলাক develop country, সেই গোটেইবিলাক এখন দুখন দেশ বাদ দি গোটেইবিলাক highly Industrialized country. কিন্তু অধ্যক্ষ ডাঙৰীয়া কৃষি সেইবোৰ দেশতো আছে । কিন্তু ভাৰতবৰ্ষ কৃষি প্ৰধান দেশ, অসম আৰু বেছি কৃষি প্ৰধান দেশ। কিন্তু তাৰ মাজতো আমি ইণ্ডাষ্ট্ৰি বনাবই লাগিব অসমক, ভাৰতক আগুৱাই লৈ যাব লাগিব । প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু দূৰন্ত গতিত এই প্ৰক্ৰিয়া অধ্যক্ষ ডাঙৰীয়া চলি থাকিব।

**মাননীয় অধ্যক্ষঃ** Thank you. Under Rule 301 of the Rule of Procedure and Conduct of Business of Assam Legislative Assembly, I request Sri Zubair Anam Muzumder to draw the attention of the Hon'ble Minister Agriculture Department relating to the matter under the caption, Setup of Assam Arecanut Board. Zubair Anam Muzumder .

**শ্ৰী জুবেইৰ আনম মজুমদাৰ, ( আলগাপুৰ-কাটলিছেৰা ):** ধন্যবাদ অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয়, Assam Agriculture Produce Market Framework section 21L হিচাপে বিটলনাটৰ listed by Assam State Agriculture Marketing Board as a specified agricultural commodity. অধ্যক্ষ মহোদয়, আজি হাইলাকান্দি, কাছাৰ, কৰিমগঞ্জ, কামৰূপ, নগাঁও, গোৱালপাৰা, শিৱসাগৰ, ডিব্ৰুগড়, শোণিতপুৰ, আৰু বহুত ঠাই লগ হৈ ৭৫০০০ হেক্টৰ আৰু ৭০,০০০ মেট্ৰিক টন অৱ ড্ৰাই কিউৰ্ড নাটছ production হয় অসমত। আজি চাওঁক এই যে, production যোনে কৰি আছে চুপাৰী, লোকেল চুপাৰী ফাৰ্মাৰছে yearly এটা ৰেভিনিউ হিচাপে চুপাৰীখিনি বিক্ৰী কৰি কৃষক কেইজনে নিজৰ ঘৰৰ কাৰোবাৰ বিয়া থাকিলে বিয়াত invest কৰে বা কাৰোবাৰ শিক্ষাৰ বাবে ইনভেষ্ট

কৰে বা এনেকুৱা ধৰণৰ ঘৰুৱা কিমান Financial বস্তুবোৰ আছে, সেই Financial বস্তুবোৰত help হয় সেই টকাৰে । কিন্তু unfortunately যেতিয়া আমাৰ বাৰ্মিজ চুপাৰী ইণ্ডিয়ান মাৰ্কেটত সোমালে আৰু স্পেচিয়েলি অসমত, বাৰ্মিজ চুপাৰী সোমোৱাৰ লগে লগে এতিয়া আমি এজন এজন কৃষকক কৃষক হিচাপে নহয় আমি smuglar ৰ হিচাপে আমি চাবলৈ আৰম্ভ কৰিছো। আৰু কিয় হৈ আছে কাৰণ মই অধ্যক্ষ মহোদয় আপোনাৰ আগত এই দহটামান চুপাৰী মই দেখাব বিচাৰিছো। সেইটো মই  গুৱাহাটীৰ বেলেগ বেলেগ দোকানৰ পৰা অনা দহটামান চুপাৰী। এই দহটা চুপাৰী মই হাউচত চেলেঞ্জ দিছো যদি এজনো মেম্বাৰে differentiate কৰিব পাৰে যে ইয়াতে কোনটো লোকেল, কোনটো বাৰ্মিজ, কোনটো কি হয়, কোনেও ক'ব নোৱাৰে ময়ো ক'ব নোৱাৰে  আৰু কোনেও ক'ব নোৱাৰো আৰু তাতেই হৈছে প্ৰব্লেমটো। প্ৰব্লেমটো কি হৈছে মই সেইটো অধ্যক্ষ মহোদয়ক চাবলৈ দিব বিচাৰিছো  যে ইয়াৰে difference টো কি ?

**( মাননীয় সদস্য গৰাকীয়ে চুপাৰীখিনি অধ্যক্ষ মহোদয়লৈ পঠাই দিয়ে )**

কাৰণ চুপাৰী লোকেল, চুপাৰী বাৰ্মিজ চুপাৰীৰ মাজত কোনো physical difference নাই। এইটো difference যদি কৰিব আছে আপুনি scientific হিচাপে ওলাব লাগিব বা forensic  যাব লাগিব, forensic ত গ'লেহে গ'ম পাব যে ক'ত কিমান difference হয়, কাৰণ ইয়াতে কোনো difference নাই, এটা এটা চুপাৰীৰ মাজত কোনো difference নাই আৰু তাৰ কাৰণে কি প্ৰব্লেম হৈছে আজিৰ তাৰিখত যিমান লোকেল চুপাৰীৰ কৃষক  আছে সেই লোকেল চুপাৰীৰ কৃষকক পুলিচে বাৰে বাৰে উঠাই লৈ যায়।

( আসনত  মাননীয় অধ্যক্ষ মহোদয় )

উঠাই লৈ যোৱাৰ  পিছত  সিহঁতৰ  ওপৰত  একশ্যন লয়, সিহঁতৰ পৰা পইচা লয় আৰু কোনো লোকেল চুপাৰী বিজনেচে এতিয়া কাম ভালকৈ কৰিব পাৰা নাই কোনো কৃষকে ভালকৈ চলাব পাৰা নাই। আজি এই যে লোকেল চুপাৰী আজি লোকেল চুপাৰীৰ বিজনেচ কিয় হেম্পাৰ হৈ আছে কাৰণ বাৰ্মীজ চুপাৰী অসমত

সোমাইছে কিন্তু বাৰ্মীজ চুপাৰী যে অসমত সোমাইছে এইটো fault কাৰ হয় ? এইটো কৃষকৰ fault নহয় নহয়, এইটো administrative fault হয়, এইটো গভমেণ্টৰ fault হয়। ইয়াৰে গভমেণ্ট বা এডমিনিষ্ট্ৰেশ্যনৰ ফেইলিয়াৰৰ কাৰণে আমি punishment লোকেল চুপাৰিৰ কৃষকক কিয় দি আছো কাৰণ punishment অকল কৃষকৰ হৈ আছে আৰু বেলেগ কাৰো punishment হোৱা নাই। যিটো বাৰ্মীজ চুপাৰীৰ কথা কৈ আছে বাৰ্মীজ চুপাৰীটো অসমত সোমাই আছে বাৰ্মীজ চুপাৰী অসমত সোমাই আছে এইটো যদি ৰখাব নোৱাৰা এইটো ফেইলিয়াৰটো accept কৰক আৰু বাৰ্মীজ চুপাৰী কেনেকৈ ৰখাব লাগে এইটোৰ ওপৰত ডাঙৰ ডাঙৰ সকলোৱে মিলি অকল কথা পাতিলেইতো নহ'ব , action ল'ব লাগিব, বাৰ্মীজ চুপাৰী আমি ৰখাব লাগিব আৰু বাৰ্মীজ চুপাৰী ৰখাবলৈ চৰকাৰে যি step ল'ব আমিও লগত থাকিম। আমিও লাগিলে নিজে গৈ ৰখাব পাৰিম। কিন্তু সমস্যাটো কি হৈ আছে, লোকেল চুপাৰীৰ ওপৰত কোনো SOP নাই। কোনো SOP নাই, যিটোৱে specify কৰি দিয়ে যে, কোনটো লোকেল চুপাৰী বা কোনটো বাৰ্মীজ চুপাৰী। পুলিচে গৈ উঠাই আছে, যাকে তাকে ৰখাই আছে , transportation ৰখাই আছে তাৰে ওপৰত কোনো SOP নাই, কোনো welfare board নাই। অধ্যক্ষ মহোদয়, ইয়াত constitutional provision কিমানকেইটা constitutional provision আজি ইয়াত violate হৈছে। আজি Article-14 Equality before Law আজি Article-19 (1)(G) Right to carry or trade or business, Article-21 Protection of life and livelihood, Article-300 (A) Right to property, Article-301 Freedom of trade and commerce , Article-304 (B) Reasonable restriction by the State, কোনো বস্তু এনেই restrict কৰিব নোৱাৰে, তাৰে কাৰণে provision দিব লাগিব. এনেকুৱা restrict কৰিব নোৱাৰে. Article-38 Promotion of Social and economic justice I আজি Article- 43 living wage and decent standard of life . আজি কিমানকেইটা Article violate হৈছে, কাৰণ কিয়? কাৰণ ইয়াৰ ওপৰত লোকেল চুপাৰীৰ কৰাণে কোনো specific SOP নাই তেনেকুৱা। আমাৰ ডিমাণ্ড simple যেনেকুৱা ৰাবাৰৰ

কাৰণে ৰাবাৰ ব'ৰ্ড আছে, চাহৰ বাবে টি-ব'ৰ্ড আছে, তেনেকুৱাকৈ চুপাৰীৰ কাৰণে Arecanut farmers Welfare Board বনাব লাগে আৰু লগত এটা special task force বনাব লাগে। এই বাৰ্মীজ চুপাৰী যিবোৰ সোমাই আছে সেইবোৰ ৰোধ কৰিবৰ বাবে যাতে এটাও বাৰ্মীজ চুপাৰী সোমাব নোৱাৰে তাৰ বাবে ভাল task force এটা বনাব লাগে । অসম পুলিচে যদি নোৱাৰে CISF ক দিয়ক। এটাও যদি বাৰ্মীজ চুপাৰী সোমায়, তাৰ বাবে কৃষকক নহয়, জিলাৰ পুলিচ অধীক্ষক গৰাকীক ধৰিব লাগে। ইয়াত কোনো পুলিচৰ ওপৰত কোনো ব্যৱস্থা লোৱা নাই, বাৰে বাৰে ব্যৱস্থা লৈ আছে কৃষকৰ ওপৰত । যদি কৃষকক protect কৰিব নোৱাৰো তেতিয়াহ'লে এই উদ্যোগ সম্পূৰ্ণৰূপে ডুবি যাব। এই উদ্যোগৰ এজন মানুহেও ভৱিষ্যতে কাম কৰিব নোৱাৰিব। কৃষকৰ SOP নথকাৰ কাৰণে বেলেগ বেলেগ ব্ৰ'কাৰচ ওলাইছে, যিবোৰে মাজত আহি এই লোকেল কৃষকৰ ওপৰত পইচা লৈ আছে transportation কৰাৰ পৰা লৈ বিক্ৰী কৰালৈকে । Syndicate price বুলিয়ে ক'ব লাগিব, এটা amount লৈ আছে। সেই amount টো লোৱা বন্ধ কৰিব লাগে আৰু চৰকাৰে এটা বিশেষ step ল'ব লাগে যাতে বাৰ্মীজ চুপাৰী সম্পূৰ্ণৰূপে বন্ধ হয় । বাৰ্মীজ চুপাৰী যেতিয়ালৈকে বন্ধ নহয়, তেতিয়ালৈ কিন্তু লোকেল চুপাৰীৰ কৃষকে sustain কৰিব নোৱাৰিব। যেতিয়া বাৰ্মীজ চুপাৰী বন্ধ হ'ব তেতিয়া লোকেল চুপাৰী কৃষকে protection পাব। মোৰ demand simple যে set up a Arecanut Farmers Welfare Board and set up a special task force by Assam police to prevent smuggling of Barmij supari under customs Act 1962 and Food safety standard Act 2006. উপাধ্যক্ষ মহোদয়, মই বেছি দীঘলীয়া কৰিব বিচৰা নাই, এইখিনিয়ে কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ :** Thank you. Hon'ble Minister, Agriculture Department.

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা কৃষি ইত্যাদি) :** মাননীয় উপাধ্যক্ষ মহোদয়, তামোল আমাৰ অসমৰ অৰ্থনীতিৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ।

মই কিছুদিনৰ পৰা তামোল, নাৰিকল, মানুহে য'তেই ৰোপণ কৰে তাৰ কাৰণে মই বিভিন্ন সময়ত  কথা কৈ আহিছো, অনুৰোধ কৰিছো, ভাষণ দিছো। আমাৰ দেশত তামোলৰ বজাৰখন অলপ controversial. কোনোবাই কয় তামোল ভাল, কোনোবাই কয় বেয়া বুলি, এইটো এটা controversy. ভাৰতবৰ্ষত মানুহে যিহেতু তামোল খাই সেয়ে তামোল নিষেধ কৰা হোৱা নাই। তামোলৰ পৰা যিহেতু লাভ হয় আমি চেষ্টা কৰিব লাগে যাতে মানুহে তামোলৰ খেতি বেছিকৈ কৰে। অসমৰ প্ৰতিখন জিলাতে তামোল হয়, ভাৰতৰ প্ৰায় ৭০% মানুহে তামোল খায় আৰু সেয়ে তামোলৰ চাহিদাও যথেষ্ট বেছি। অসমৰ মানুহে যিমানে  তামোল আৰু নাৰিকলৰ খেতি কৰিব সিমানে অসমৰ লাভ হ'ব। গতিকে পৰৱৰ্তী সময়ত আমি চৰকাৰৰ তৰফৰ পৰা তামোল আৰু নাৰিকলৰ খেতি কৰিবলৈ উদগনি যোগাম আৰু সহযোগ কৰিম।  সন্মানীয় সদস্য গৰাকীয়ে কৈছে যে বাৰ্মিজ চুপাৰী আৰু অসমৰ চুপাৰীৰ মাজত কোনো পাৰ্থক্য নাই, কিন্তু মই যিমান দূৰ জানো বাৰ্মিজ চুপাৰী ডাঙৰ আৰু ৰঙা হয়, দেখিলেই ধৰিব পাৰি, অসমৰ  চুপাৰী সিমান ডাঙৰ আৰু ৰঙা নহয়। অসম চৰকাৰ আৰু আৰক্ষীয়ে এই বাৰ্মিজ চুপাৰী বন্ধ কৰিবলৈ অহৰহ চেষ্টা কৰি আছে। আমি ভাবো যে বাৰ্মিজ চুপাৰীৰ লগত কেতিয়াবা আন বস্তু যেনে ড্ৰাগছ আদিও আহে। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই অতি কঠোৰভাৱে এই বাৰ্মিজ চুপাৰীৰ আহ-যাহ বন্ধ কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে নহয়, ক'ৰবাত এটা-দুটা কেচ সংঘটিত হ'ব পাৰে যে বাৰ্মিজ চুপাৰীৰ কাৰণে অন্য মানুহক ধৰিছে। মই টিভি, বাতৰি কাকত, ফ'টো আদিত বহুবাৰ দেখিছো যে অ'টো, মাৰুটি কাৰ আদিত ২০-৫০ কেজি বাৰ্মিজ চুপাৰী লৈ যায়, ট্ৰাকত চেম্বাৰ বনায়ো লৈ যায়। যদি লোকেল চুপাৰী হয় তেনেহ'লে ট্ৰাকত চেম্বাৰ বনাই কিয় নিব লাগে? মই বিধায়ক গৰাকীৰ কথাত সমৰ্থন জনাইছো। মই আকৌ এবাৰ কৈছো যে কৃষি মন্ত্ৰী হোৱাৰ পিছত অসমৰ কৃষকসকলক সহায় কৰিবলৈ তামোল-নাৰিকলৰ উৎপাদন কেনেদৰে বঢ়াব পাৰি তাৰকাৰণে ইতিমধ্যে বিভিন্ন সভা-সমিতিত কৈছো আৰু অহা বছৰৰ পৰা ২০ লাখ তামোলৰ পুলি, ১০-১৫

লাখ নাৰিকলৰ পুলি আমি অসমৰ ৰাইজক দিবলৈ চেষ্টা কৰিম, লগতে অসমত তামোল খেতি কৰা খেতিয়কসকলক সহায় কৰিবলৈ চেষ্টা কৰিম। তদুপৰি তেখেতৰ পৰামৰ্শটো মই মানিছো, এখন SOP বনাব লাগিব, বাৰ্মিজ আৰু লোকেল চুপাৰী চিনাক্ত কৰিবলৈ কেৰেলালৈ পঠিয়াব লগীয়া হয়, গতিকে আমাক লেব'ৰেটৰীৰো প্ৰয়োজন আছে। কিন্তু দেখিলেও অলপ ধৰিব পাৰি কোনটো বাৰ্মিজ আৰু কোনটো লোকেল চুপাৰী, আৰু তাৰ ভিত্তিতেই পুলিচে ধৰা পেলায়। পুলিচেও যিখিনিয়ে পলাই তেওঁলোকক হে ধৰে, লোকেল চুপাৰী থাকিলে পলাব কিয় লাগে? লোকেল চুপাৰী গাড়ীৰ তলত, চেম্বাৰ বনাই কিয় আনিব লাগে? তেখেতে ধন্যবাদ হে দিব লাগে যে বাৰ্মিজ চুপাৰী ধৰা পেলোৱাত আমি অহৰহ চেষ্টা কৰি আছো। কিন্তু তেখেতৰ পৰামৰ্শটো মানি সোনকালে এখন SOP জাৰি কৰিবলৈ চেষ্টা কৰিম আৰু লেব'ৰেটৰী নিৰ্মাণৰ বাবেও অতি সোনকালে চেষ্টা কৰিম।

**মাননীয় উপাধ্যক্ষ :** Next, Shri Paniram Brahma to draw the attention of the Hon'ble Minister, Agriculture Dapartment relating to the matter under the caption- " আইন প্ৰণয়ণ কৰি ৰাসায়নিক সাৰ ও কীটনাশকৰ প্ৰয়োগ বন্ধ কৰি জৈৱিক খেতিৰ দিশে ধাৱমান হোৱা উচিত।"

**শ্ৰী পানীৰাম ব্ৰহ্ম (চিদ্‌লী চিৰাং) :** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই বিষয়টো সদনত উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। আপোনাৰ জৰিয়তে ৰাজ্যৰ সন্মানীয় কৃষিমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে বৰ্তমান ৰাজ্যৰ কৃষিখণ্ডত যথে-মধে ৰাসায়নিক সাৰ আৰু কীটনাশকৰ প্ৰয়োগৰ ফলত আমাৰ ভৱিষৎ প্ৰজন্মৰ প্ৰতি ভাবুকি আহি পৰিছে। আমি সকলোৱে জানো যে আমাৰ ৰাজ্যত অৰ্থনীতিৰ মূল ভাণ্ডাৰ হৈছে কৃষি, কিন্তু বিগত সময়ছোৱাত কোনোধৰণৰ বাধা বিহীনভাৱে ৰাসায়নিক সাৰ আৰু কীটনাশকৰ প্ৰয়োগৰ ফলত আমাৰ মাটিৰ স্বাভাৱিক গুণাগুণ আৰু উৎপাদন ক্ষমতা হ্ৰাস পাই আহিছে। আমাৰ ককাদেউতাহঁতে কোনো ধৰণৰ ৰাসায়নিক সাৰ প্ৰয়োগ নকৰাকৈ প্ৰতি বিঘা মাটিত ২৫-৩০ মোন পৰ্য্যন্ত ধান পাবলৈ সক্ষম

হৈছিল, এতিয়া সেই মাটিত অতিমাত্ৰা ৰাসায়নিক সাৰ আৰু কীটনাশকৰ প্ৰয়োগৰ ফলত উৎপাদন ২৫-৩০ মোনৰ পৰা ১৩-১৪ মোন হে পাবলৈ সক্ষম হৈছে আৰু এইধাৰা এনেদৰে চলি থাকিলে অনাগত দিনত মাটিৰ উৰ্বৰতা গুণ নোহোৱা হৈ প্ৰতি বিঘাত ৬-৭ মোন ধানহে উৎপাদন কৰিব পাৰিব। ৰাসায়নিক সাৰৰ অতিমাত্ৰা প্ৰয়োগৰ আন এক কুফল হৈছে এই সাৰ আৰু কীটনাশক প্ৰয়োগ কৰি উৎপাদন কৰা শাক-পাচলি, ফল-মূল খাই আজিৰ প্ৰজন্মই diabetes, high blood pressure, kidney related problems, হাত-ভৰিৰ বিষ আদি ৰোগত আক্ৰান্ত হ'ব লগীয়া হৈছে। হৰম'নৰ তাৰতম্যৰ ফলত অকালতে চুলি পকা, চুলি সৰা, দাঁত সৰা আদিৰ দৰে সমস্যাসমূহৰ গুৰি আমি ৰাইজৰ পৰা কিনি অনা সতেজ যেন লগা অতি মাত্ৰা সাৰ প্ৰয়োগ কৰা শাক-পাচলি। আমি সময় থাকোতেই বিকল্প ব্যৱস্থাৰ সন্ধান কৰিব লাগিব নহ'লে অনাগত দিনত আমাৰ ৰাজ্যৰ অৰ্থনীতি আৰু জনস্বাস্থ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পৰাতো নিশ্চিত। বিশ্বৰ বহুত আগশাৰিৰ দেশে জৈৱিক কৃষি (organic cultivation) ৰ পদ্ধতিক আঁকোৱালি লৈছে, আমিও আমাৰ ৰাইজৰ সুৰক্ষিত ভৱিষ্যতৰ স্বাৰ্থত আইন প্ৰণয়ণৰ দ্বাৰা ৰাসায়নিক সাৰৰ ব্যৱহাৰ বন্ধ কৰি জৈৱিক কৃষি কৰিব পাৰিব লাগিব। আমি ৰাজ্যৰ কৃষকসকলক জৈৱিক কৃষি কৰাৰ বাবে বিভাগৰ তৰফৰপৰা সজাগ কৰিব লাগিব। জৈৱিক কৃষিৰ জৰিয়তে আমি মাটিৰ প্ৰকৃত গুণাগুণ আৰু জনজীৱনৰ সুস্বাস্থ্য অক্ষুণ্ণ ৰাখিব লাগিব। ৰাইজে জৈৱিক কৃষিক জনপ্ৰিয় কৰি তোলাৰ বাবে farmers training, demonstration, awareness আদিৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হয় যাতে পৰ্য্যায়ক্ৰমে কৃষকসকলে জৈৱিক কৃষি পদ্ধতি আঁকোৱালি লয়, গাঁও অঞ্চলসমূহত bio petrol- diesel composting ৰ ব্যৱস্থা কৰিব পাৰিলে ভাল হ'ব। চৰকাৰী আঁচনিৰ জৰিয়তে জৈৱিক খেতি সহজলভ্য কৰিব পাৰিলে ভাল হয়। পঞ্চায়ত আৰু  প্ৰত্যেক VC, DC জৈৱিক বজাৰৰ organic matrix স্থাপন কৰাৰ কথা বিবেচনা কৰিব পাৰিলে ভাল হ'ব। শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰমতো যদি জৈৱিক কৃষিৰ বিষয়ে বহল ভাৱে অন্তৰ্ভূক্ত কৰিব পাৰে তেনেহ'লে ভাল হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়াই

যদি আইন প্ৰণয়ণ কৰি হ'লেও ৰাসায়নিক সাৰ আৰু কীটনাশকৰ প্ৰয়োগ বন্ধ কৰি জৈৱিক খেতিৰ দিশে ধাৱমান হ'ব লাগিব। আমি অসমৰ সন্তান, অসমৰ সাৰুৱা মাটিক কেতিয়াও যধে-মধে অতিমাত্ৰা হাৰত ৰাসায়নিক সাৰ আৰু কীটনাশকৰ প্ৰয়োগ কৰি ধ্বংস কৰিবলৈ দিব নোৱাৰো। আমাৰ ককাদেউতাসকলে জৈৱিক খেতি কৰিছিল আৰু মাটিৰ গুণাগুণ আৰু সৌন্দৰ্য্য বৰ্তাই ৰাখিছিল, আমিও আমাৰ ৰাজ্যখনৰ মাটিৰ গুণাগুণ আৰু সৌন্দৰ্য্য অক্ষুণ্ণ ৰাখিব লাগিব। ইয়াৰ কাৰণে আমি সকলোৱে সজাগ হ'ব লাগিব। মই আমাৰ অসমৰ মাননীয় কৃষিমন্ত্ৰী মহোদয়ক বিনম্ৰ অনুৰোধ কৰিছো যে আপুনি এজন Dynamic Minister. মই ভাৱো যে এই চৰকাৰে যদি আমাৰ অৰ্গেনিক আৰু জৈৱিক খেতি কৰাৰ কাৰণে কেবিনেটত সিদ্ধান্ত লয়, তেতিয়াহ'লে খুব ভাল হ'ব। আমাৰ ভৱিষ্যত প্ৰজন্মৰ কাৰণে আমি সেইটো চিন্তা কৰিব লাগিব। মই এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী (কৃষি, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য পানীৰাম ব্ৰহ্ম ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে। আমি এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছো আৰু এই ক্ষেত্ৰত মোৰ এটা ব্যক্তিগত কথাও আছে। মই কি কৰিছো এই খিনি কৈ মই মোৰ ব্যক্তিগত অভিমতটো প্ৰকাশ কৰিম। ''ৰাসায়নিক সাৰ ও কীটনাশকৰ প্ৰয়োগ বন্ধ কৰি জৈৱিক খেতিৰ দিশে কৃষক সকলক উৎসাহিত কৰাৰ বাবে ইতিমধ্যে ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰ্যালয় আৰু কৃষক কল্যাণ বিভাগে ২০২৬ চনৰ ১ জুনৰ পৰা ১৫ জুনলৈ সমগ্ৰ দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সামৰি 'খেত বচাওঁ' নামৰ এক ৰাষ্ট্ৰীয় অভিযান আৰম্ভ কৰিছে। এই কাৰ্য্যসূচীৰ মূল উদ্দেশ্যসমূহ হ'ল মাটিৰ স্বাস্থ্যৰ উন্নতি, পৰ্য্যাৱৰণৰ পুনৰ উদ্ধাৰ আৰু খেতিৰ উৎপাদনৰ খৰচ হ্ৰাস কৰি জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধ কৰিব পৰাকৈ কৃষকসকলক সজাগ কৰা। লগতে মাটি, পানী, অনুজীৱ, উদ্ভিদ, প্ৰাণী, জলবায়ু আৰু মানুহৰ প্ৰয়োজনীয়তাৰ মাজত থকা পাৰস্পৰিক নিৰ্ভৰশীলতাক গুৰুত্ব আৰোপ কৰা। সজাগতা সৃষ্টি আৰু সংগঠিত কৰণ, ৰাসায়নিক সাৰৰ

উপযুক্ত ব্যৱহাৰ আৰু প্ৰাকৃতিক খেতি আদৰাৰ ক্ষেত্ৰত কৃষকসকলৰ লগতে নাগৰিকসকলৰ মাজত সজাগতা বৃদ্ধি কৰা আৰু তেওঁলোকক উৎসাহিত কৰা। খাদ্যৰ অভ্যাস পৰিৱৰ্তনত উদগণি, স্বাস্থ্যকৰ জীৱনশৈলী আৰু খাদ্যৰ অভ্যাসৰ ব্যৱহাৰিক পৰিৱৰ্তনৰ বাবে অনুপ্ৰাণিত কৰা । খেতিয়ক, মহিলা আৰু গ্ৰাম্য যুৱক-যুৱতীসকলৰ মাজত জলবায়ু বান্ধৱ প্ৰযুক্তি বিশেষকৈ শস্যৰ অৱশিষ্ট ব্যৱস্থাপনা, Crops Residue Management ৰ প্ৰাকৃতিক খেতি সম্পৰ্কে জ্ঞান প্ৰসাৰ কৰা। ভাৰত চৰকাৰে ইতিমধ্যে 'খেত বচাওঁ' অভিযান আৰম্ভ কৰিছে। তাত কি কি হয় সেইখিনি মই কৈ আছো। এই অভিযানৰ অন্তৰ্গত অসমত এতিয়ালৈকে ১৭৩৪ টা শিবিৰ অনুষ্ঠিত কৰা হৈছে আৰু ইয়াত ৪৫ হাজাৰ কৃষকে অংশগ্ৰহণ কৰিছে। বৰ্তমান প্ৰেক্ষাপটত দেখা যায় যে বিশ্বৰ বহু দেশে জৈৱিক কৃষিক আকোঁৱালি লোৱাৰ দৰে আমাৰ অসমতো বহুতো জিলাৰ বহু কৃষকে জৈৱিক কৃষিৰ প্ৰতি অনুৰাগী হোৱা দেখা গৈছে। অসম চৰকাৰৰ কৃষি বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা উত্তৰ-পূৱৰ বাবে জৈৱিক মূল্য শৃংখল উন্নয়ন অভিযান শীৰ্ষক আঁচনিৰ জৰিয়তে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ পৰা জৈৱিক কৃষি সম্প্ৰসাৰণৰ কাম কৰি থকা হৈছে। এই আঁচনিৰ জৰিয়তে বৰ্তমানলৈ অসমৰ ২০ খন জিলাক সামৰি ২০ হাজাৰ হেক্টৰ কৃষি ভূমি জৈৱিক কৃষিলৈ ৰূপান্তৰ কৰা হৈছে আৰু ৫,৫০০ হেক্টৰ ভূমি কৃষি ভূমিলৈ ৰূপান্তৰকৰণৰ কাম চলি আছে। এই আঁচনিৰ অধীনত আগ্ৰহী কৃষক সকলক নূন্যতম ১০ জনক একত্ৰিত কৰি একোটাকৈ কৃষক উৎপাদক কোম্পেনী গঠন কৰা হয় আৰু কৃষক সকলক জৈৱিক কৃষিৰ উপকাৰিতা আৰু লাভৰ বিষয়ে সজাগতা প্ৰদান কৰা হয়। পৰৱৰ্তী পৰ্য্যায়ত কৃষকসকলক জৈৱিক পদ্ধতিৰ কৃষি কাৰ্য্যৰ ওপৰত প্ৰশিক্ষণ ও দিয়া হয়। তাৰোপৰি কৃষকক জৈৱিক বীজ আৰু ৰোপণ সামগ্ৰী প্ৰদান কৰি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। এই আঁচনিৰ অধীনত কৃষকে নিজৰ কৃষিভূমিত একোটা কেঁচু সাৰ আৰু কেঁচু ৰস উৎপাদন গোট তৈয়াৰ কৰাৰ বাবে সাহায্য প্ৰদান কৰা হয়। প্ৰতিখন পঞ্চায়ত আৰু VCDC ত জৈৱিক বজাৰ স্থাপন কৰাৰ প্ৰয়োজনীয়তা আছে আৰু তাৰ বাবে প্ৰমাণিকৃত জৈৱিক

উৎপাদনৰ প্ৰয়োজন হ'ব। এইক্ষেত্ৰত কৃষক উৎপাদক সংস্থা এফ পি অ'ৰ ভূমিকা লেখতল'বলগীয়া হ'ব পাৰে। উপাধ্যক্ষ মহোদয়, মোৰ এটা কথাত অলপ contradiction আছে। সকলোখিনি যদি অৰ্গেনিক বা জৈৱিক হয় তেতিয়াহ'লে মই ভালেই পাম। কাৰণ অৰ্গেনিক বা জৈৱিক শস্য আমাৰ স্বাস্থ্যৰ কাৰণে ভাল। কিন্তু abruptly কৰিব পৰা নাযায়। কাৰণ abruptly যদি কৰি দিওঁ তেন্তে বস্তুৰ দাম বহুত বাঢ়ি যাব। উদাহৰণস্বৰূপে সাৰ দিয়া বিলাহীৰ দাম যদি প্ৰতি কিলোগ্ৰামত ২০ টকা হয় কিন্তু জৈৱিক পদ্ধতিৰে কৰা বিলাহীৰ দাম হ'বগৈ প্ৰতি কিলোগ্ৰামত ৬০-৭০ টকা। আমি তৎক্ষণিকভাৱে সেইখিনি খাব নোৱাৰিম। কাৰণ বজাৰ মূল্য inflation বহু বেছি হ'ব। আমি প্ৰণালীবদ্ধভাৱে আগবাঢ়িব লাগিব। আমি জৈৱিক খেতি কৰিম আৰু জৈৱিক খেতিৰ কাৰণেই উৎসাহিত কৰিমেই। কিন্তু জৈৱিক খেতি কৰিলে তেওঁলোকৰ উৎপাদন কমিব আৰু বস্তুৰ মূল্য বৃদ্ধি হ'ব, যাৰ ফলত সকলো মানুহে consume কৰিব নোৱাৰিব। একেলগে যদি সকলোৱে জৈৱিক খেতি কৰা হয় দাম আকাশলংঘী হ'ব। আমি দুয়োটা বস্তুৱেই একেলগে আগুৱাই নিব লাগিব। কিন্তু আমি এটা কাম কৰিব লাগিব যে বহুতো খেতিয়কে উৎপাদন বৃদ্ধি কৰিববৈলে যধে-মধে সাৰ প্ৰয়োগ কৰে, কৰ'বাত বেজীও দিয়া হয়। এইটো মই দেখা নাই কিন্তু শুনিববৈলে পাইছো। ইয়াৰ ফলত আমাৰ স্বাস্থ্যৰ অতি ক্ষতি হয়। মই অতি সোনকালে এইবোৰ ঠাইলৈ যাম। এইবোৰ ৰোধ কৰিববৈলে আমাৰ বিভাগে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু মই পুনৰ কৈছো একেদিনে জৈৱিক খেতি কৰিলে অসুবিধা হ'ব, লাহে লাহে আগবাঢ়িব লাগিব আৰু লাহে লাহে গৈ থকাৰ সময়ত যিয়ে কীটনাশক ব্যৱহাৰ কৰে, তেওঁলোকে যাতে ব্যৱসায়িক দৃষ্টিভঙ্গীৰে বেছিকৈ নিদি কমকৈ দিয়ে, তাৰ কাৰণে সেই ব্যৱস্থা আমি হাতত ল'ম।

**माননীয় উপাধ্যক্ষ :** Thank You. Hon'ble Member Sanjoy Kishan wants to draw the attention of the Hon'ble Minister, PWD Department. ''মাকুম সমষ্টিৰ জৰাজীৰ্ণ পথসমূহৰ পুনৰ নিৰ্মাণ আৰু নতুন পথ নিৰ্মাণৰ বাবে বিশেষ আঁচনি গ্ৰহণ।''

**শ্ৰী সঞ্জয় কিষান, (মাকুম) :** ধন্যবাদ, माननীয় উপাধ্যক্ষ মহোদয়। এটা অঞ্চলৰ উন্নয়নৰ প্ৰথম পৰিচয় হৈছে সেই অঞ্চলটোৰ বাট-পথ। পথ কেৱল মানুহৰ অহা-যোৱাৰ মাধ্যম নহয়। পথৰ লগত জড়িত থাকে শিক্ষা, স্বাস্থ্য, কৃষি, ব্যৱসায়, পৰ্য্যটন উদ্যোগ আৰু যুৱ প্ৰজন্মৰ কৰ্ম্ম সংস্থাপনৰ আহিবলগীয়া সম্ভাৱনা। মই ধন্যবাদ জনাইছো যে নতুনকৈ গঠিত মাকুম বিধান সভাৰ বাট-পথ সমূহক লৈ ৩০১ ত মোক ক'বলৈ সুবিধা প্ৰদান কৰা হ'ল। মই নতুনকৈ গঠিত এই সমষ্টিটোৰ বিষয়ে কেইটামান কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিব বিচাৰিছো। দুৰ্ভাগ্যজনকভাৱে এই মাকুম বিধান সভা সমষ্টিত ২০১৮ চনতে এখন RCC দলঙৰ তেতিয়াৰ চাবুৱাৰ মাননীয় বিধায়ক বিনোদ হাজৰিকা ডাঙৰীয়াই আধাৰশিলা নিৰ্মাণ কৰিছিল। এই যিখন দলং, এই দলংখনেৰে বৃহৎ কেইবাখনো চাহ বাগিছা-ললনী ৰঙাগড়া, দিনজান আদিৰ মানুহে এই পথেৰে অহা-যোৱা কৰে। দিনজান আৰু গহিজান এই অঞ্চলটোৰ যোগাযোগৰ মূল পথটোৱেই হৈছে এই পথটো আৰু এই পথটোৰ ওপৰত নিৰ্মাণ হোৱা এই দলংখন। কিন্তু ২০১৮ চনৰ পৰা আজি ২০২৬ চনলৈ প্ৰায় ৭ বছৰ পাৰ হ'ল, এই দলংখনৰ নিৰ্মাণৰ কাম মাজতে সম্পূৰ্ণ হ'ল। কিন্তু ইয়াৰ যি approach road আছে সেই road টো আজি পৰ্য্যন্ত নহ'ল। এই approach road টো নোহোৱাৰ বাবে মানুহে তলফালেৰে অহা-যোৱা কৰে। বৰ্তমান এই ৰাস্তাটোৰ ওপৰত প্ৰায় ৫-৬ ফুট পানী আছে। তাত এতিয়া মানুহে নাৱঁৰে অহা-যোৱা কৰিবলগীয়া হৈছে। প্ৰত্যেক বছৰে মানুহে তাত নাৱেঁৰে অহা-যোৱা কৰে। সৰু সৰু লৰা-ছোৱালীয়ে নাৱেৰে অহা-যোৱা কৰাৰ বাবে তাত এবাৰ দুৰ্ঘটনাও হৈছে। এই সময়ত বিশেষকৈ বহু ৰোগী, কেইবাখনো স্কুলৰ ছাত্ৰ-ছাত্ৰী সেই ফালেৰে অহা-যোৱা কৰে৷ দলংখন নিৰ্মাণ হ'ল কিন্তু দুৰ্ভাগ্যৱশতভাৱে approach road টো নিৰ্মাণ নোহোৱা বাবে আজি পৰ্য্যন্ত কেইবাবছৰ ধৰি এই ৰাস্তাটো তেনেকৈ পৰি ৰ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, আগতে চাবুৱা সমষ্টিত আছিলে। এতিয়া মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত হ'ল। আগতে চাবুৱা সমষ্টি হোৱাৰ কাৰণে এই কাম চোৱাচিতা কৰিছিল নাহৰকটীয়া-ডুলীয়াজান Division-

এ। গতিকে এতিয়ালৈকে এই Division টো পৰিৱৰ্তন হোৱা নাই। ইয়াত দুজন ঠিকাদাৰে এই কামটো কৰিবৰ কাৰণে দায়িত্ব লৈছিল। তেওঁলোকে এই কামটো আজি পৰ্যন্ত পেলাই থ'লে। RB Engineering Private Limited  নামৰ এই সংস্থাটোৱে এই কামটোৰ দায়িত্ব লৈছিল। কিন্তু আজি পৰ্যন্ত এই কামটো তেওঁলোকে নকৰিলে আৰু তেওঁলোকে ইতিমধ্যে আমি জনাত দুজন ঠিকাদাৰ তাৰ পৰা আঁতৰি গৈছে। গতিকে মই অনুৰোধ কৰিছোঁ যাতে এই approaching road টোৰ কাৰণে re-estimate কৰি হ'লেও আৰু যদি নাহৰকটীয়া-দুলীয়াজান Division ৰ পৰা এই অংশটো এতিয়া আঁতৰি গৈছে, আৰু তেতিয়া হলে আছুতীয়াকৈ যিহেতু এতিয়া মাকুম Division হৈছে, গতিকে এই কামটো সম্পূৰ্ণভাৱে বিভাগে মাকুম Division ৰ আওতাৰ ভিতৰত হস্তান্তৰ কৰিবৰ কাৰণে মই বিনম্ৰতাৰে অনুৰোধ কৰিছোঁ। এই অঞ্চলবাসীক আমি এই দলংখন নিৰ্মাণ কৰি দিলে যথেষ্ট  সুবিধা প্ৰদান কৰিব পৰা যাব আৰু এই অঞ্চলৰ বিভিন্ন দিশ আচলতে এই দলংখনৰ ওপৰতে নিৰ্ভৰ কৰিছে। গতিকে মই আজি সদনত বিশেষভাৱে অনুৰোধ কৰিছোঁ। এই কথাটো যাতে বিভাগে অতি শীঘ্ৰে পদক্ষেপ গ্ৰহণ কৰে, তাৰ কাৰণে মই বিনম্ৰতাৰে আজি এই সদনত কথাটো উত্থাপন কৰিছোঁ। লগতে অধ্যক্ষ ডাঙৰীয়া, এই যিটো মাকুম বিধানসভা সমষ্টি, এই বিধানসভা সমষ্টিটোত প্ৰায় সাতটা পঞ্চায়ত গৰাখহনীয়া আৰু বানপানীৰে জৰ্জৰিত অৱস্থাত আছে। গৰাখহনীয়া হোৱাৰ পিছত, ইয়াত প্ৰায় ৰাস্তাবিলাক যথেষ্ট জৰাজীৰ্ণ অৱস্থাত পৰি ৰৈ যায়। আটাইতকৈ ডাঙৰ কথা হৈছে যে যেতিয়া আমাৰ এই নতুনকৈ মাকুম বিধানসভা সমষ্টিটো পুনঃনিৰ্ধাৰণ কৰা হ'ল, সমষ্টিটো এইটো প্ৰায় তিনি বছৰ আগতেই কৰা হ'ল। এই তিনি বছৰ কাৰ্যকালত আচলতে এই অঞ্চলটোৰ বাট-পথবিলাকৰ কামবিলাক যিদৰে অন্যান্য সমষ্টিত হৈ থাকিলে, এই অঞ্চলটো প্ৰায় তিনি বছৰ বহুবিলাক বাট-পথৰ কামৰ পৰা বঞ্চিত হ'বলগীয়া হ'ল। কাৰণ তাতে কোনো বিধায়ক নাছিলে। যিবিলাক অঞ্চলৰ পৰা, যিবিলাক সমষ্টিৰ পৰা এই অঞ্চলটো নতুন বিধানসভা হিচাপে সৃষ্টি হ'ল, তাত কোনো পুঁজি আচলতে আবণ্টন নকৰিলে। যাৰ কাৰণে তিনি বছৰ প্ৰায়

বাট-পথবিলাক ভালদৰে নিৰ্মাণ কৰা নহ'ল। মই বিশেষভাৱে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, যিহেতু এইটো বিধানসভাটো নতুনকৈ গঠিত, গতিকে ইয়াত যাতে বিশেষ পুঁজি  প্ৰদান কৰে আৰু এটা বান-গৰাখহনীয়া অঞ্চল, প্ৰায় সাতটা পঞ্চায়ত, গতিকে ইয়াত যাতে বিশেষ পুঁজি প্ৰদানৰ জৰিয়তে এই অঞ্চলবাসীক আগুৱাই লৈ যাবৰ কাৰণে বাট-পথসমূহ নিৰ্মাণ কৰা হয়। অধ্যক্ষ ডাঙৰীয়া, এই অঞ্চলটোত যথেষ্ট কৃষক আছে, কৃষক সকলে খেতি-বাতি কৰে। প্ৰায় ৩০ খনতকৈ অধিক চাহ-বাগিচা আছে। আৰু আটাইতকৈ ডাঙৰ কথা যে ইয়াতে বহুবিলাক তেলৰ খাদ আছে, য'ত তেল খাদবিলাকৰ পৰা Oil India ই তেল উলিয়াই আছে, কিন্তু Oil India ৰ জৰিয়তেও যিমান বিলাক ৰাস্তা-পদূলি আচলতে তেওঁলোকে নিৰ্মাণ কৰিব লাগিছিল, তেওঁলোকে নিৰ্মাণ কৰা নাই। যাৰ ফলত তেলৰ যিবিলাক ডাঙৰ-ডাঙৰ গাড়ী অহা-যোৱা কৰে, যাৰ কাৰণেও ৰাস্তা-পদূলি বিলাক যথেষ্ট জৰাজীৰ্ণ অৱস্থাত আছে। আমি নিৰ্বাচনৰ সময়ত গৈছোঁ, এই অঞ্চলবিলাকত ৰাইজে কেৱল ৰাস্তাৰ কথা কৈছে। এতিয়া নিৰ্বাচনৰ পাছত আমি সেইবিলাক অঞ্চলত যাবলৈকে আমাৰ অসুবিধা। যাতে ৰাস্তাবিলাক আমি নবনোৱাকৈ তাত গ'লে মানুহৰ নিশ্চয় যথেষ্ট কথা শুনিবলগীয়া হৈছে। গতিকে মই বিশেষভাৱে এই ৰাস্তা-পদূলি বিলাক নিৰ্মাণৰ ক্ষেত্ৰত যাতে চৰকাৰে নতুন সমষ্টি যিহেতু, তাৰ কাৰণে যাতে বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। আমাৰ এই অঞ্চলটোতে Plastic Park আছে আৰু Plastic Park ত ইতিমধ্যে বহু কেইটা ডাঙৰ-ডাঙৰ উদ্যোগ প্ৰতিষ্ঠা হৈছে। অলপ আগতে মন্ত্ৰী ডাঙৰীয়াই কৈ গ'ল যে ইয়াতে Advantage Assam ত বহুবিলাক আঁচনি যেতিয়া অসমলৈ আহিল, আমাৰ তিনিচুকীয়া Plastic Park তো আহিছে। ইতিমধ্যে এটা Skill University ৰ কাম তাতে চলি আছে। গতিকে এই বাট-পথবিলাক যদি ঠিক নহয়, তেতিয়া হলে নিশ্চিতভাৱে এই Plastic Park ত এতিয়া Advantage Assam হৈ যোৱাৰ পাছত বহু কেইটা উদ্যোগ আচলতে ইয়াতে আহিছে। খুব ভাল উদ্যোগ ইয়াতে গঢ়ি তোলাৰ কাৰণে আজিৰ তাৰিখত investment আহিছে। কিন্তু বাট-পথবোৰ যদি নহয়, তেতিয়া হ'লে নিশ্চিতভাৱে ইয়াত industry কৰাৰ ক্ষেত্ৰতো নিশ্চয়

investment যিসকলে কৰিব বিচাৰিছে তেওঁলোকে অসুবিধা পাব। সেইকাৰণে মই ভাবোঁ যে ইয়াৰ বাট-পথবোৰ অতি গুৰুত্ব প্ৰদান কৰিব লাগে। লগতে আৰু এটা কথা মই অনুৰোধ কৰিব বিচাৰিম যে আমাৰ তিনিচুকীয়া সমষ্টি আৰু মাকুম বিধানসভা সমষ্টি যিহেতু একেলগতে সংলগ্ন আৰু ইয়াতে এটা 'অসম মালা' আঁচনি ইতিমধ্যে তাতে কাম আৰম্ভ কৰা হৈছে। এই আঁচনিটো তিনিচুকীয়া গোবিন্দপুৰত আৰম্ভ হৈ মাকুমৰ অভাৰ ব্ৰিজলৈকে এই ৰাস্তাটো হ'ব। কিন্তু এই 'অসম মালা' আঁচনিৰ কামটো একেবাৰে লেহেমীয়া গতিৰে চলি আছে। এতিয়া তিনিচুকীয়াতে অলপকৈ আৰম্ভ হৈছে। গতিকে মোৰ মাকুমত পোৱালৈকে বহু সময় লাগি যাব। গতিকে মই অনুৰোধ কৰিম যাতে মন্ত্ৰী ডাঙৰীয়াই বিভাগক নিৰ্দেশ দিয়ে মাকুমৰ যিটো অঞ্চলত কাম হ'ব, সেই কামটো যাতে ইতিমধ্যে আৰম্ভ কৰি দিয়া হয়। মাকুমৰ যিটো AT Road আছে, ডাঙৰ ডাঙৰ গাত সৃষ্টি হৈছে, বহুবাৰ তাতে accident হৈছে, মানুহৰ মৃত্যু হৈছে। গতিকে তিনিচুকীয়াতো আৰম্ভ হওক আৰু মাকুম সমষ্টিতো আৰম্ভ হওক, এই নিৰ্দেশ যাতে বিভাগলৈ যায়, এই কথাটো মই বিনম্ৰতাৰে অনুৰোধ কৰিছোঁ। লগতে উপাধ্যক্ষ ডাঙৰীয়া, মাকুমৰ বাবে এটা সৌভাগ্যৰ কথা আছিলে যে আমাৰ তিনিচুকীয়া যেতিয়া প্ৰথম কেবিনেট হৈছিলে, তাতে প্ৰত্যেকটো সমষ্টিৰ কাৰণেই কিছুমান package ঘোষণা কৰা হৈছিলে। মাকুম বিধানসভা সমষ্টিতো ড্ৰেইনৰ কাৰণে প্ৰায় ১২০ কোটি টকাৰ এটা package তাতে ঘোষণা কৰা হৈছিলে। কিন্তু যিহেতু তাত কোনো এজন বিধায়ক নাছিলে, গতিকে বিষয়টো তাতে ৰৈ গৈছিলে। মই বিধায়ক হিচাপে দায়িত্ব লোৱাৰ পিছতে ইতিমধ্যে বিভাগলৈ এই প্ৰস্তাৱ টো প্ৰেৰণ কৰা হৈছে। এই ১২০ কোটি টকাৰ যদি ড্ৰেইনবোৰ ইয়াতে হৈ উঠে, তেতিয়া হ'লে মই ভাবোঁ যে মাকুম চহৰখনৰ যিটো নলা-নৰ্দমাৰ সমস্যা আছে, আজি কিছুদিনৰ আগতে প্ৰায়বোৰ ৱাৰ্ডতে যথেষ্ট পানী হৈছিল নেৰানেপেৰা বৰষুণৰ ফলত। গতিকে মানুহৰ যথেষ্ট কষ্ট হৈছে। cabinet decision মতে যিহেতুকে ইয়াত নিশ্চয় পুঁজিৰ ব্যৱস্থা আছে গতিকে আমি যদি এই ড্ৰেইনবোৰ সুন্দৰকৈ নিৰ্মাণ কৰিব পাৰোঁ। আমি ইতিমধ্যে আঁচনি

প্ৰস্তুত কৰি আমি প্ৰেৰণ কৰিছোঁ। গতিকে বিভাগে যাতে অতি শীঘ্ৰে এই cabinet decision ৰ যিটো package ৰ কাম আছে, এই কামটো যাতে অতি সোনকালে আৰম্ভ কৰে, তাৰ কাৰণে মই বিশেষভাৱে অনুৰোধ জনাইছোঁ। আশা কৰিছোঁ এই কামটো হৈ উঠিলে নিশ্চিতভাৱে মাকুমৰ যিটো municipality অঞ্চল আছে, ইয়াৰ ৰাইজে যথেষ্ট উপকৃত হ'বৰ কাৰণে সক্ষম হ'ব। লগতে আমাৰ আৰু এনে যথেষ্ট বাট-পথবোৰ আছে, মই আশা কৰিছোঁ যাতে এনে ধৰণৰ কামবোৰ ইতিমধ্যে আমাৰ চৰকাৰে যথেষ্ট ক্ষিপ্ৰতাৰে এই কামবোৰ আগুৱাই লৈ গৈছে। গতিকে মই আশা কৰিম যাতে এই কামটো সোনকালে আৰম্ভ হয়। লগতে আৰু দুটামান ৰাস্তা আছে উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ মাকুম আৰু ডুলীয়াজান যিটো সংযোগী পথ, সেই পথটো আমি বহলভাৱে নিৰ্মাণ কৰিবৰ কাৰণে ইতিমধ্যে আঁচনি আমি প্ৰেৰণ কৰিছোঁ। তাৰ লগতে আমাৰ যথেষ্ট পৰ্যটনৰ সম্ভাৱনা আছে ডিব্ৰু-ছৈখোৱা, মাগুৰী বিল আৰু আমাৰ বাৰে কুৰি হ'লৌ বান্দৰৰ বাসস্থান। গতিকে ইয়াত যোৱা বছৰো যথেষ্ট পৰ্যটক আহিছিলে, মাগুৰী বিললৈ বহু পৰ্যটক আহে, কিন্তু ৰাস্তা-পদুলিবোৰ জৰাজীৰ্ণ অৱস্থাত থকাৰ কাৰণে পৰ্যটকৰ কাৰণেও যথেষ্ট অসুবিধা আছে। গতিকে পৰ্যটনৰ ক্ষেত্ৰখন যাতে শক্তিশালী কৰিব পৰা যায়, তাৰ কাৰণে যাতে বাট-পথবোৰ নিৰ্মাণ কৰা হয়, তাৰ কাৰণে অনুৰোধ কৰিছোঁ। বাইপাছৰ পৰা বহুজানলৈ যিটো পথ, সেইটো যাতে সুন্দৰভাৱে আমি বহলকৈ নিৰ্মাণ কৰিবৰ কাৰণে ইতিমধ্যে আমি proposal প্ৰস্তুত কৰিছোঁ। গতিকে মন্ত্ৰী ডাঙৰীয়াই যদি এইখিনি কথা সহযোগিতা কৰি বিভাগক নিৰ্দেশ দিয়ে, নিশ্চিতভাৱে মাকুম সমষ্টিটো নতুনকৈ হৈছে আৰু যথেষ্ট আগবাঢ়িব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী):** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিধায়কগৰাকী নতুনকৈ মাকুম সমষ্টিৰ পৰা নিৰ্বাচিত হৈছে। ২০২৩ বৰ্ষৰ পৰা মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনিত মাকুমত চাৰিটা কাম, ১২ কোটি ৭৮ লাখ টকা মূল্যৰ হৈছে। মুখ্যমন্ত্ৰী নগৰীয়া পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ৫ কোটি

টকাৰ মূল্যৰ এটা কাম, NABARD, RIDF, আঁচনিৰ অধীনত চাৰিটা কাম যাৰ মুল্য হ'ল ১৪ কোটি ১৬ লাখ টকা হৈছে। SOPD-G ৰ অধীনত ৩৮ টা কাম, ৫৩ কোটি ৫৭ লাখ টকা মূল্যৰ কাম চলি আছে। উপাধ্যক্ষ ডাঙৰীয়া, তদুপৰি অলপতে PMGSY 14 ৰ Batch 1 ৰ অধীনত ১৪ টা গ্ৰাম্য পথ নিৰ্মাণৰ কাম, ২৬.৭৭ কোটি টকা ভাৰত চৰকাৰৰ পৰা অনুমোদিত হৈছে। এই আঁচনিৰ পৰৱৰ্তী পৰ্য্যায় Batch 2 ৰ অধীনত ১৫ টা পথৰ কাম, ৩২ কোটি ৮৪ লাখ টকা মূল্যৰ প্ৰাককলন প্ৰস্তুত কৰা হৈছে, কিন্তু অনুমোদন হোৱা নাই, অনুমোদন হ'ব। অলপ এই সমষ্টিটোয়ে suffer কৰিছে, মই অস্বীকাৰ নকৰো, যিহেতু delimitation ত এই সমষ্টিটো নতুনকৈ হ'ল। যিকেইজন বিধায়ক এই সমষ্টিটোত আছিলে, তেওঁলোকৰ নতুন-নতুন area হৈ গ'ল। গতিকে দুবছৰ-আঢ়ৈ বছৰ এই সমষ্টিত বিধায়ক নাছিলে। গতিকে অকণমান suffer কৰাটো মই অস্বীকাৰ নকৰো, কিন্তু নিশ্চয়কৈ এই পাঁচ বছৰত মাননীয় সদস্যগৰাকীয়ে যিখিনি কথা কৈছে, এখন দলংৰ approach road কে আদি কৰি, সেই গোটেইখিনি গুৰুত্বপূৰ্ণভাৱে বিবেচনা কৰা হ'ব।

**মাননীয় উপাধ্যক্ষঃ** Thank you. Now, Item Number 4 under Rule 50, Hon’ble Member, Shri Jakir Hussain Sikdar.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী):** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, Rule 50 ৰ অধীনত স্বাস্থ্য বিভাগৰ ওপৰত এইটো এটা গুৰুত্বপূৰ্ণ আলোচনা। অসমত এতিয়াও ৰোগীয়ে নাপায় পৰ্যাপ্ত চিকিৎসা সেৱা। স্বাস্থ্যই পৰম ধন, যাৰ বাবে বিভাগে সু-চিকিৎসা ব্যৱস্থাৰ পণ ল'ব লাগে বুলি যি প্ৰস্তাৱ আগবঢ়াইছো, ইয়াক সদনৰ মজিয়াত আলোচনা কৰাৰ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাইছো আৰু এই প্ৰস্তাৱ অনাৰ ক্ষেত্ৰত সহযোগিতা কৰাৰ বাবে বিধায়ক শ্ৰী আফতাব উদ্দিন মোল্লা ডাঙৰীয়া আৰু শ্ৰী নুৰুল হুদা ডাঙৰীয়াকো ধন্যবাদ জনাইছো। মই এই প্ৰস্তাৱটোৰ বা এই বিষয়ৰ ওপৰত বক্তব্য দিয়াৰ আগতে মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব বিচাৰিছো। কিছুদিন আগতে সমগ্ৰ অসমৰ প্ৰত্যেকটো বিধানসভা সমষ্টিৰ বিধায়কসকলৰ লগতে মোকো পাকাবেতবাৰীৰ বিধায়ক

হিচাপে আমন্ত্ৰণ কৰিছিল আৰু সকলো উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ উপস্থিতিত, জিলা পৰ্যায়ৰ বিষয়াসকলৰ উপস্থিতিত বিধানসভা সমষ্টিত কেনেকুৱা কি অভাৱ-অভিযোগ আছে, স্বাস্থ্যখণ্ড কেনেকৈ ভাল কৰিব পাৰি, তাৰ ওপৰত তেখেতৰ উপস্থিতিত তেখেতে নিজে বুজি লৈছিল আৰু মন্ত্ৰী ডাঙৰীয়াক যথেষ্ট positive দেখিছিলো, আনকি নিজৰ কলমেৰে নিজে কিছুমান note কৰি ৰাখিছিল। গতিকে এটা খুব আশাভৰা মন লৈ সিদিনা মন্ত্ৰী ডাঙৰীয়াৰ meeting ৰ পৰা ওলাই আহিছিলো যে আমাৰ স্বাস্থ্যখণ্ডৰ সকলো সমস্যা সমাধান হ'ব। গতিকে সেই positive এটা মন লৈ আজিও Rule 50 ৰ অধীনত কিছু কথা মই উল্লেখ কৰিব বিচাৰিছো, উপাধ্যক্ষ ডাঙৰীয়া। আমি প্ৰত্যেকজন মানুহ যেতিয়া নিৰোগী হ'ম, তেতিয়াহে আমাৰ মন ভালে থাকিব। ভাল দেহেই ভাল মন দিয়ে আৰু ভাল মনে এজন ভাল সুস্থ মানুহ দিয়ে আৰু ভাল সম্পদ হিচাপে নিজকে গঢ়ি তুলিব পাৰে। তাৰ পিছত ঘৰখনৰ কাৰণে, সমাজখনৰ কাৰণে, নিজৰ অঞ্চলৰ কাৰণে, নিজৰ সমষ্টিৰ কাৰণে, জিলাখনৰ কাৰণে, ৰাজ্যখনৰ কাৰণে, দেশৰ কাৰণে আমি কাম কৰিব পাৰো। যাৰ কাৰণে প্ৰত্যেকজন মানুহে কয় যে, আমাৰ বেংকত হাজাৰ, লাখ লাখ, কোটি কোটি টকা থাকিলেও যেতিয়া স্বাস্থ্য বেয়া থাকে, তেতিয়া আমি কোনো কামত আগবাঢ়ি যাব নোৱাৰো।সেয়েহে স্বাস্থ্যই পৰম ধন আৰু সেই স্বাস্থ্যই পৰম ধন কথাৰে আজি মই মোৰ বক্তব্য আৰম্ভ কৰিব বিচাৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ ৰাজ্যখনত বিভিন্ন চিকিৎসা মহাবিদ্যালয়ে স্বাস্থ্যসেৱা আগবঢ়াই আহিছে। Doctor, Nurse, বিষয়া, কৰ্মচাৰী, Laboratory Technician ৰ পৰা আৰম্ভ কৰি এটা বৃহৎ team লৈ স্বাস্থ্য বিভাগে কাম কৰি আছে যদিও আজিৰ তাৰিখতো স্বাস্থ্য বিভাগত যথেষ্ট পদ খালি আছে। উপাধ্যক্ষ ডাঙৰীয়া, আজিৰ তাৰিখত আমাৰ ৰাজ্যখনত ১৪ খন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় আছে, জিলা চিকিৎসালয় ২৪ খন আছে, মহকুমা চিকিৎসালয় ১৭ খন আছে, সমূহীয়া স্বাস্থ্যকেন্দ্ৰ ২৩৫ খন আছে, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ ১০১০ খন আছে, উপ-স্বাস্থ্যকেন্দ্ৰ ৫০৫৮ খন আছে, চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় এখন আছে, হোমিঅ'পেথিক মহাবিদ্যালয়

এখন আছে আৰু আয়ুৰ্বেদিক চিকিৎসালয় দুখন আছে, যি ৫০ টা বিচনাযুক্ত। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, অসম চৰকাৰৰ আৰু স্বাস্থ্য বিভাগৰ অধীনত ১৪ খন চিকিৎসা মহাবিদ্যালয় আছে, তাতে সৰ্বমুঠ পদ ১৪,৭৯৪ টা। চিকিৎসক বা বিষয়া-কৰ্মচাৰী মিলি সৰ্বমুঠ পদ হ'ল ১৪,৭৯৪ টা আৰু তাৰে বৰ্তমান কৰ্মৰত অৱস্থাত আছে ১০,৫২২ জন। অৰ্থাৎ ১৪ খন চিকিৎসা মহাবিদ্যালয়ত আজিৰ তাৰিখত ৪,২০০ টা পদ খালী হৈ আছে। গতিকে মই মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী আৰু চৰকাৰক অনুৰোধ জনাম যে, চিকিৎসক এই বিষয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ ইয়াত জিলা চিকিৎসালয় হৈছে ২৪ খন। কিন্তু জিলা হিচাপে যদি চাও অসমত ৩৫ খন জিলা। গতিকে জিলা চিকিৎসালয় ২৪ খনৰ ঠাইত ৩৫ খন জিলা চিকিৎসালয় কৰিব লাগে। আমি যদি চাও যে Indian Public Health Standards (IPHS 2022) ৰ নিৰ্দেশনা অনুসৰি প্ৰতি ১,০০০ জনসংখ্যাৰ বিপৰীতে এগৰাকী চিকিৎসক লাগে, এগৰাকী নাৰ্ছ থাকিব লাগে। ঠিক তেনেকৈ বিশ্ব স্বাস্থ্য সংস্থায়ো নিৰ্দেশ দিছে ১,০০০ জনসংখ্যাৰ বিপৰীতে এগৰাকী চিকিৎসক, এগৰাকী নাৰ্ছ আৰু স্বাস্থ্য কৰ্মী থাকিব লাগে। আৰু তেনেকুৱা ভাৱে যদি আমি হিচাপ কৰিবলৈ যাও, আমাৰ গোটেই অসমত যদিও স্বাস্থ্য বিভাগে এই বিধানসভাৰ মাননীয় বিধায়কসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰত বিভিন্ন ধৰণৰ উত্তৰবোৰ দিছে, কিমান চিকিৎসক আছে, কিমান লাগে, গোটেই পৰিসংখ্যা খিনি মই study কৰি চাইছো যে, অসমত প্ৰায় ৬০,০০০ চিকিৎসকৰ দৰকাৰ। আজিৰ তাৰিখত অসমত ৩০,০০০ মান চিকিৎসক আছে আৰু অতিৰিক্তভাৱে আৰু ৩০,০০০ চিকিৎসকৰ দৰকাৰ। ঠিক তেনেকৈ বিষয়া কৰ্মচাৰীসকলৰ ক্ষেত্ৰত যিটো দৰকাৰ, সেইমতে এতিয়াও অসমত যিধৰণে আমাৰ IPHS, Indian Public Health Standards আৰু বিশ্ব স্বাস্থ্য সংস্থাই যিধৰণে নিৰ্দেশনা দিছে স্বাস্থ্যখণ্ডক, আজিৰ তাৰিখতো গ্ৰাম্য চিকিৎসাৰ পৰা আৰম্ভ কৰি চিকিৎসা মহাবিদ্যালয়লৈকে বিভিন্ন চিকিৎসালয়ত মিলি আজিৰ তাৰিখত আৰু ৪০,০০০ পদত নিযুক্তি দিব লাগিব। তেতিয়াহে আমি যিধৰণে বিশ্ব স্বাস্থ্য সংস্থাই কয় বা আমাৰ ২০২২ ৰ যিটো IPHS ৰ নীতি নিৰ্দেশনা, সেইমতে আমি পূৰণ কৰিব

পাৰো বা সেইমতে আমি স্বাস্থ্যক লৈ যাব পাৰো আৰু সুস্বাস্থ্য আমি লাভ কৰিব পাৰো । আমাৰ অসমত মহকুমা চিকিৎসালয় আছে ১৭ খন। কিন্তু আমি কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া বা মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ আগৰ বিধানসভাতো কৈছে বা এই চলিত বিধানসভাতো বিভিন্ন প্ৰশ্নৰ উত্তৰত তেওঁলোকে কৈছে যে, প্ৰতিখন বাজেটতে উল্লেখ কৰিছে, প্ৰতিখন বিধানসভা সমষ্টিভিত্তিক তেওঁলোকে চিকিৎসালয় কৰিব বিচাৰে। আগতে মহকুমা আছিল, এতিয়া co-district হৈ গ'ল। এতিয়া co-district হোৱাৰ লগে লগে সম জিলা হৈ গ'ল। গতিকে আগতে মহকুমা চিকিৎসালয় আছিল ১৭ খন, মই ভাৱো যে, এই মহকুমা চিকিৎসালয়খনক যদি co-district হিচাপে, সম জিলা হিচাপে লৈ যায়, তেন্তে ১২৬ খন co-district বা সম জিলা চিকিৎসালয় লাগে । ঠিক তেনেকৈ আমাৰ ইয়াতে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, PHC ৰ কথা ইয়াতে উল্লেখ কৰিছে। PHC ৰ কথা যিহেতু উল্লেখ কৰিছে, PHC ৰ ক্ষেত্ৰতো সেই Indian Public Health Standards যিধৰণে নিৰ্দেশনা দিয়ে বা বিশ্ব স্বাস্থ্য সংস্থাই যিধৰণে নিৰ্দেশনা দিয়ে যে সাধাৰণতে গ্ৰাম্য আৰু পাহাৰীয়া আৰু জনজাতীয় অঞ্চলত ২০,০০০ জনসংখ্যাৰ বিপৰীতে এখন PHC থাকিব লাগে আৰু সমতল এলেকাত ৩০,০০০ জনসংখ্যাৰ প্ৰতি থাকিব লাগে, নগৰ অঞ্চলত ৫০,০০০ জনসংখ্যাৰ প্ৰতি বিপৰীতে এটা PHC থাকিব লাগে আৰু আমি যদি চাও যে তেওঁলোকে নগৰীয়া বা মহানগৰ এলেকাত ২.৫ ৰ পৰা ৩ লাখৰ বিপৰীতে PHC এখন লাগে, সেই হিচাপে যদি চাওঁ, বৰ্তমান অসমত PHC আছে ১,০১০ খন। আমি যদি এইটোক গড় অনুপাতত হিচাপ কৰো আৰু ৫০০ খন PHC লাগে। ঠিক তেনেকৈ আমি যদি sub-centre ৰ কথা উল্লেখ কৰো তেনেহ'লে বৰ্তমান sub-centre আছে ৫,০৫৮ খন। কিন্তু আমাৰ শিক্ষা ব্যৱস্থা বা আমাৰ Indian Public Health Standards য়ে কৈছে যে গ্ৰাম্য সমতল এলেকাত ৫,০০০ জনসংখ্যাৰ বিপৰীতে এখনকৈ sub-centre থাকিব লাগে। ঠিক তেনেকৈ পাহাৰীয়া, জনজাতীয় এইবিলাক অঞ্চলত য'ত যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা, ৩,০০০ জনসংখ্যাৰ বিপৰীতে এখন sub-centre থাকিব লাগে। নগৰ অঞ্চলত ১৫,০০০

ৰ পৰা ২০,০০০ জনসংখ্যাৰ বিপৰীতে এখন sub-centre থাকিব লাগে। ঠিক তেনেকৈ যদি আমি হিচাপ কৰো ৫,০৫৮ খন বৰ্তমান আছে আৰু এই হিচাপে যদি আমি কৰিবলৈ যাও, নিশ্চিতভাৱে অসমত ৭,৮০০ sub-centre ৰ দৰকাৰ। আমি যদি CHC ৰ ক্ষেত্ৰখনৰ কথা চাওঁ- অসমত বৰ্তমান ২৩৫ খন **CHC** আছে। ভাৰতবৰ্ষৰ যিটো স্বাস্থ্য বিধি সেই অনুসৰি যদি আমি যাওঁ গ্ৰাম্য- পাহাৰীয়া আৰু জনজাতি এলেকাত ঠিক ৮০ হাজাৰ জনসংখ্যাৰ বিপৰীতে এখন **CHC** থাকিব লাগে আৰু সমতল এলেকাত ১ লাখ ২০ হাজাৰ জনসংখ্যাৰ বিপৰীতে এখন চি এচ চি থাকিব লাগে। নগৰ অঞ্চলত আঢ়ৈ লাখ জনসংখ্যাৰ বিপৰীতে চি এচ চি থাকিব লাগে , আৰু মহানগৰ অঞ্চলত ৫ লাখ জনসংখ্যাৰ বিপৰীতে চি এচ চি থাকিব লাগে। এই হিচাপে যদি আমি হিচাপ কৰিবলৈ যাওঁ , বৰ্তমান ২৩৫ খন আছে গড় হিচাপ কৰিলে ৩৭৫ খন **CHC** ৰ দৰকাৰ। ঠিক তেনেদৰে উপাধ্যক্ষ ডাঙৰীয়া চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয় এখন আছে । আয়ুৰ্বেদিক চিকিৎসালয়ৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে যথেষ্ট গুৰুত্ব দিয়া বুলি কৈছে। গুৰুত্ব দি আছে , গতিকে অসমত আৰু ১০ খন আয়ুৰ্বেদিক চিকৎসালয় লাগে । হোমিঅপেথিক মহাবিদ্যালয় এখন আছে আৰু ৫ খন মহাবিদ্যালয় আমাৰ দৰকাৰ । আয়ুৰ্বেদিক চিকিৎসালয় দুখন আছে, আৰু ১০ খন চিকিৎসালয়ৰ দৰকাৰ । এই গোটেইখিনি যদি কৰো নিশ্চিতভাৱে আমি সুস্বাস্থ্য আমি লাভ কৰিব পাৰিম । গতিকে এই কথাখিনি কেৱল মোৰ কথা নহয়, নিশ্চিতভাৱে এইখিনি উপাধ্যক্ষ ডাঙৰীয়া স্বাস্থ্য বিধিয়ে কৈছে – নিয়ম-কানুনে কৈছে। গতিকে স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত যথেষ্ট খিনি গুৰুত্ব দিব বুলি আমি আশা কৰো । ঠিক তেনেকৈ আমি যদি উল্লেখ কৰো উপাধ্যক্ষ ডাঙৰীয়া আমাৰ প্ৰতিজন ৰোগীৰ অনুপাতে আমাৰ বিচনা কিমান লাগে। আমাৰ ভাৰতীয় স্বাস্থ্যৰ মানদণ্ড **IPSHA- 2022** চনতে কৈছে যে, ১০০০ জন জনসংখ্যাৰ বিপৰীতে এটাকৈ বিচনা লাগে হস্পিটেলত গতিকে আজিৰ তাৰিখত স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন প্ৰশ্নৰ উত্তৰত যি ধৰণে কৈছে মই বিধান সভাৰ তথ্য মতে কৈছো , মোৰ মতে বিধান সভাৰ তথ্যত কৈ বেড ক'ম - তথাপি বিধান সভাৰ তথ্যমতে

কৈছো, আজিৰ তাৰিখত অসমত বিচনা আছে হস্পিটেলসমূহত ২০,২৩৫ মই আকৌ কৈছো যদিও হস্পিটেলে দেখুৱাইছে বিচনাটো ক'ৰবাত ক'ৰবাত ব্যৱহাৰ হোৱা নাই , ক'ম আছে কিন্তু আমি যদি **IPSHA- 2022** তথ্য মতে যাওঁ ১০০০ জন মানুহৰ বিপৰীতে এখনকৈ বিছনা তেনেহ'লে আমাৰ অসমত বৰ্তমান বিচনাৰ দৰকাৰ হয়, ৩৭,৫০০ খন বিচনা । স্বাস্থ্য মন্ত্ৰী মহোদয়ে নিশ্চিতভাৱে ব্যৱস্থা গ্ৰহণ কৰিব। ঠিক তেনেদৰে যদি আমি **ICU Bed** ৰ কথা কওঁ , তেনেহ'লে **ICU Bed** যথেষ্ট খিনি দৰকাৰ। বৰ্তমান নতুন নিয়মমতে কিছুমান স্বাস্থ্য বিভাগৰ কিছুমান নিৰ্দিষ্ট নিয়ম নীতিত ইয়াত একেবাৰে স্পষ্ট ভাৱে উল্লেখ নাই তথাপি আমি জানো যে যিসকলে হস্পিটেলত চিকিৎসা লয় ১০ জন ৰোগীৰ পৰিৱৰ্ত্তে এখন **ICU Bed** লাগে। ক'ৰবাত ২০০ খন বেড আছে তাত ৬ খন আই চি ইউ বেড থাকিবই লাগিব । আই চি ইউ কক্ষ বনাব লাগিব । এনেকুৱা নিৰ্দেশনা বিলাক আছে। এই হিচাপে যদি আমি দেখিবলৈ যাওঁ –ৰাজ্য খনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰি গোটেই চিকিৎসা মহাবিদ্যালয় আৰু বিভিন্ন চিকিৎসালয়ত যিধৰণে আই চি ইউ বেড আছে যথেষ্ট খিনি ক'ম আছে । এইটো সন্মানীয় বিধায়কসকলৰ জ্ঞাত, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াও জানে যে সময়ে সময়ে আমাৰ ওচৰত ফোন আহে যে ৰোগীজনক আউ চি ইউৰ দৰকাৰ। ডাক্টৰে কৈছে আই চি ইউত ভৰ্তি কৰিব লাগে , কিন্তু হস্পিটেলত গ'লে কয় আই চি ইউত বেড খালী নাই। তেতিয়া ৰোগীৰ অভিভাৱকে কি কৰিব। সেই সময়ত ৰোগী গৰাকীৰ পিতৃ-মাতৃ হওক, পুত্ৰ- পুত্ৰী হওক বা আন নিকট সম্পৰ্কীয় হওক কেনে অনুভৱ হ'ব উপাধ্যক্ষ মহোদয় আমি এই কথাটো উপলব্ধি কৰিব পাৰিব লাগিব । গতিকে আজিৰ তাৰিখত মই মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো অসমত পৰ্যাপ্ত আই চি ইউ বেডৰ ব্যৱস্থা কৰিব লাগে , আই চি ইউ কক্ষৰ ব্যৱস্থা কৰিব লাগে। সময়মতে আই চি ইউ বেড নোপোৱা বাবে বহু ৰোগীৰো কিন্তু মৃত্যু হয়। কিন্তু এইটো অত্যন্ত জৰুৰী যে আমি আই চি ইউ বেড যথেষ্ট বৃদ্ধি কৰিব লাগিব । ক'ভিডৰ সময়ত আই চি ইউ বেড কিছু বৃদ্ধি হ'ল যদিও আমাৰ স্বাস্থ্য

খণ্ডত আমাৰ কিমান স্বাস্থ্য কৰ্মী, চিকিৎসক- নাৰ্চ , চিকিৎসা আন্ত গাঁথনিৰ অভাৱ আছিল এই কথাখিনি আমাৰ সকলোৱে জ্ঞাত । গতিকে উপাধ্যক্ষ ডাঙৰীয়া এই ক্ষেত্ৰত গুৰুত্ব দিবলৈ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। উপাধ্যক্ষ ডাঙৰীয়া আমি দেখিছো আশা চুপাৰভাইজাৰৰ কথা। অসমত আশা কৰ্মীৰ সংখ্যা হ'ল ৩৩ , ৪৭৯ গৰাকী আৰু চুপাৰভাইজাৰৰ সংখ্যা হ'ল – ২৫৭৫ গৰাকী । আশা কৰ্মী আৰু চুপাৰভাইজাৰ সকলে দিনে ৰাতিয়ে যথেষ্ট কষ্টেৰে কাম কৰে , স্বাস্থ্য খণ্ডত বা হেল্‌থৰ যিটো গ্ৰাফিকেল পৰিসংখ্যাৰ দিশত আমি কিছু আগবাঢ়ি গৈছো । নিশ্চিতভাৱে তাত আশা কৰ্মীসকলৰ যথেষ্টখিনি অবদান আছে । এই অৱদানৰ ক্ষেত্ৰত তেওঁলোকক কেন্দ্ৰীয় চৰকাৰে ২০০০ কৈ টকা দিয়ে আৰু তেওঁলোকে কামৰ বাবদ অৰ্থাৎ কিমান ডিউটি কৰিলে কিমান কেচ হস্পিটেললৈ লৈ গৈছে সেই হিচাপে তেওঁলোকৰ কিছু মাননী বৃদ্ধি হয় , তেওঁলোকৰ গোটেই দিনটোৰ ব্যস্ততাৰ বাবদ ৭০০০ পৰা ৭৫০০ টকা পায়, গতিকে তেওঁলোকৰ মাননী বৃদ্ধিৰ ক্ষেত্ৰত স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই তৎপৰতা দেখুৱাব লাগে যাতে তেওঁলোকে আৰু ভালকৈ কামবোৰ কৰিব পাৰে। উপাধ্যক্ষ ডাঙৰীয়া মই আকৌ কৈছো যে, যিদৰে আমি পৰিসংখ্যাটো পালো সেইদৰে হ'লে নিশ্চিতভাৱে আমি সুস্বাস্থ্যৰ অধিকাৰী হ'ম। যোৱা বাজেটত উল্লেখ কৰিছিল যে, চলিত বৰ্ষত প্ৰতিটো চাব চেন্টাৰতে আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই চিকিৎসকসকলক দেখা সাক্ষাৎ কৰে এইটো আমাৰ কাৰণে ভাল খবৰ । সমগ্ৰ অসমে আশা কৰি আছে যে, অসম চৰকাৰৰ স্বাস্থ্য্মন্ত্ৰী গৰাকী চাব চেন্টাৰবিলাকলৈ গৈ ডাক্টৰক সাক্ষাৎ কৰক। গতিকে সোনকালে এই ব্যৱস্থা হাতত ল'ব লাগে । স্বাস্থ্য পৰীক্ষাৰ ক্ষেত্ৰতো আমাৰ লেৱৰেটৰীবোৰত স্বাস্থ্য পৰীক্ষাৰ বিভিন্ন সা সজুঁলিৰ এতিয়াও বিশেষ সা-সুবিধা নাই। এটা উদাহৰণ দিছো – এজন ৰোগীক ডাক্টৰে যেতিয়া কয় এখন এম আৰ আই কৰি আনক। কিন্তু ৰোগীজন এম আৰ আই কৰিবলৈ গ'লে হস্পিটেলত কয় ফিজ দিব লাগিব । এই এম আৰ আই কৰা মেচিনৰ সংখ্যা হস্পিটেলবিলাকত বহুত কম। গতিকে ৰোগীজন এম আৰ আই কৰাৰ বাবে ১০

-১২ দিন অপেক্ষা কৰিব  লাগে।  তেনেদৰে চিটি  স্কেন, এক্স –ৰে কৰিব লগা হ'লেও   ১০ -১২ দিন অপেক্ষা কৰিব লাগে ৰোগীয়ে।  গুৱাহাটী মেডিকেল কলেজ বা বৰপেটা মেডিকেল কলেজৰ লগতে আন আন চাব চেন্টাৰতো ৰোগীসকল ৰ'ব লগীয়া হৈছে আজিৰ দিনতো । তাৰ ওপৰিও আজিকালি কোনো পৰীক্ষা নকৰাকৈ কোনো ডক্টৰে ৰোগীক ট্ৰীটমেন্ট নকৰে। গতিকে  লেবৰেটৰী টেকনিচিয়ানকে ধৰি – অত্যাধুনিক চিকিৎসা সা- সজুলিৰ লগতে এইবিলাক চলাব পৰা এক্সপাৰ্ট চিকিৎসাকৰ্মী  অতি সোনকালে চৰকাৰে নিয়োগ কৰিব লাগে । তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো । চৰকাৰী খণ্ডৰ চিকিৎসালয়ত পৰ্যাপ্ত  চিকিৎসা সেৱা আৰু আন আন সেৱা নোপোৱা বাবে ৰোগীসকল ব্যক্তিগত চিকিৎসালয়ত যাবলৈ বাধ্য হৈছে  আৰু এটা কথা হ'ল চিকিৎসকক আমি ভগবান ৰূপে জ্ঞান কৰো কিন্তু দেখা যায় চৰকাৰী খণ্ডত কাম কৰা চিকিৎসকগৰাকীয়ে ৰোগীক যিটো ব্যৱহাৰ কৰে সেই একেজন চিকিৎসকে কিন্তু প্ৰাইভেট হস্পিটেলত  ৰোগীৰ প্ৰতি সুব্যৱহাৰ কৰে । এই ক্ষেত্ৰত একাংশ চিকিৎসকৰ আচৰণ বদলি যায় । এই ক্ষেত্ৰত স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব দিব বুলি মই আশা কৰিলো। আমাৰ   একাংশ চিকিৎসকে কেতিয়াবা স্বাস্থ্য মন্ত্ৰীৰ কথা বা বিভাগীয় বিষয়াসকলৰ কথাও নুশুনে আৰু কৰ্মক্ষেত্ৰত  অলপ জোৰ দিলে চাকৰিটোকে বাদ দিয়ে।  কিন্তু মানৱতাৰ ধৰ্ম পালন কৰি বিধানসভাৰ পৰা সকলো চিকিৎসক সকলৰ প্ৰতি অনুৰোধ জনাও যাতে আপোনালোকে আমাৰ অসমৰ ৰোগীসকলক সুচিকিৎসা প্ৰদান কৰক আৰু সুচিকিৎসা ইতিমধ্যে প্ৰদান কৰিছে। অসমত বহু ভাল চিকিৎসক আছে যিসকলে দেশ বিদেশত নাম কৰিছে আমাৰ অসমৰ পৰা জটিল অস্ত্ৰোপ্ৰচাৰ পৰ্য্যন্ত হৈছে যিবিলাক কথা বাতৰি কাকতত আহি গৈছে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া যেতিয়া উপযুক্ত চিকিৎসা নাপাই, যেতিয়া চিকিৎসালয় বিলাকত যায় তাৰ পিছত কি কি হয় তাৰ বিষয়ে মই মাত্ৰ দুই তিনি মিনিট আপোনাক কব বিচাৰিছো। তাৰ আগতে মই মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ কৰিব বিচাৰিছো যে আপোনালোকে আমাৰ বিভিন্ন চিকিৎসালয় সমূহত চাব চেন্টাৰৰ

পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ আপোনালোকে ঔষধ পাতি যোগান ধৰে। বহু ঔষধ পাতি তাত নাথাকে। বিভিন্ন সময়ত বাহিৰৰ পৰা কেইটামান কিনিব লাগে। তাৰে ক্ষেত্ৰত কেইটামান কথা আপোনাক কৈছো যে মোৰ সময় কম তিনি চাৰিটামান আপোনাক উদাহৰণ দিব বিচাৰিছো। সকলোতকৈ ডাঙৰ হৈছে gloves powder free. চিকিৎসকসকলে ৰোগীসকলক চিকিৎসা কৰিবলৈ প্ৰথমে যেতিয়া যায় লিখি দিয়ে gloves আনিব লাগে। চিকিৎসালয়ত নাই দৌৰি গৈ ফাৰ্মাচীৰ পৰা কিনি আনি দিব লাগে। আজিকালি powder free gloves ৰ কথা চিকিৎসকসকলে কয়। সেই gloves টো কিন্তু আমাৰ চৰকাৰী চিকিৎসালয়ত কিন্তু উপলব্ধ হ'ব লাগে, কিন্তু বাহিৰৰ পৰা আনুমানিক মূল্য ৪৫০ ৰ পৰা ৯০০ টকা পৰ্য্যন্ত লয়। গতিকে gloves available কৰিব লাগে। central line যিটো ICU, Chemotherapy, dialasis জটিল চিকিৎসাত এইটো ব্যৱহাৰ কৰা হয়। central line টো সাধাৰণতে চিকিৎসালয়ত থাকিব লাগে কিন্তু সচৰাচৰ নাথাকে, ফাৰ্মাচীৰ পৰা কিনিব লাগে এইটো ১৫০০ ৰ পৰা ৬০০০ টকা পৰ্য্যন্ত মুল্য। পেচ মেকাৰ যিটো আজিৰ তাৰিখত আমাৰ মানুহৰ সাধাৰণতে heart attack যথেষ্ট হয়, পেচমেকাৰৰ দৰকাৰ হয়, এই পেচমেকাৰৰ ক্ষেত্ৰত যিহেতু MRI, City Scan কৰিব পাৰি যিবিলাক পেচ মেকাৰ লগালে সেইবোৰ দিব লাগে আৰু এইবিলাকৰ ক্ষেত্ৰত দেখা যায় যে অসমত পেচ মেকাৰৰ ক্ষেত্ৰত যথেষ্ট quality দুৰ্বল আৰু এই quality দুৰ্বল হোৱাৰ কাৰণে বহু মানুহে পেচ মেকাৰ লগাই পৰৱৰ্তী সময়ত বিপদত পৰে। গতিকে যি সমূহ কোম্পানীয়ে এই পেচ মেকাৰৰ যোগান ধৰে বা যিসকলে ইয়াত পেচ মেকাৰৰ ফাৰ্মাচী সকলে ব্যৱসায় বাণিজ্য কৰি আছে তেওঁলোকৰ ওপৰতে স্বাস্থ্য বিভাগে নজৰ ৰাখিব লাগে। ইয়াৰ আনুমানিক মুল্য ১.৫০ লাখৰ পৰা ৩.৫০ লাখ পৰ্য্যন্ত আছে। গতিকে কিবা ফ্ৰী পেচ মেকাৰ আমি দিব পাৰো নেকি কাৰণ আমি কাৰ্ডৰ জৰিয়তে পেচমেকাৰ পাওঁ, কিন্তু কাৰ্ড ৰ জৰিয়তে যিটো পেচমেকাৰ আমি পোৱা যায় তাৰ গুণগত মান কিন্তু যথেষ্টখিনি দুৰ্বল। ঠিক তেনেকৈ আমি albumin injection ৰ কথা যদি আমি কও উপাধ্যক্ষ ডাঙৰীয়া, দৰকাৰী কথা এইখিনি আপোনাক দুই তিনি

মিনিট সময় মোক ক'বলৈ দিয়ক। albumin injection ৰ কথা যদি কওঁ ৰক্তত albumin কমি গ'লে যকৃত, কিডনী এইবিলাক ক্ষেত্ৰত লাগে। ইয়াৰ ক্ষেত্ৰতো আমি চিকিৎসালয়ে ঔষধ বিলাক সাধাৰণতে নিদিয়ে ৬০০০ ৰ পৰা ১০,০০০ টকা পৰ্য্যন্ত দি কিনি আনিব লাগে। আমি আইৰণ injection আমি ৰক্তহীনতা হ'লে আমাৰ শৰীৰত iron ৰ অভাৱ হলে এইবিলাকক দিয়া যায় ২০০০ ৰ পৰা ৩০০০-৩৫০০ টকালৈ কিনিব লাগে। কিডনী বা কেম'থেৰাপীৰ ক্ষেত্ৰত যিখিনি ঔষধ আমাক লাগে এইখিনি ঔষধ available কৰিব লাগে যাতে বাহিৰৰ পৰা কিনিব নালাগে। আমি froximate lasik injection যিটো কৈছো অতিৰিক্ত পানী জমা হ'লে ভিতৰৰ কিডনী, উচ্চ ৰক্তচাপ এইটোৰ ক্ষেত্ৰত আমি যথেষ্টখিনি available কৰিব লাগে। গতিকে এই কথাখিনি মই আপোনাৰ জৰিয়তে মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। মই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক তথ্যটো পঠাই দিম। আমি দেখিছো কেঞ্চাৰ বা কিছুমান ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত দামী immune therapy ৰ আনুমানিক মুল্য ১ ৰ পৰা ৫ লাখ বা ১০ লাখ পৰ্য্যন্ত আছে। এইবিলাকৰ ক্ষেত্ৰত যদি এইবিলাক বহুত মানুহৰ বেমাৰ নহয় কিছুমান মানুহৰ হ'লে দুখীয়া মানুহে এইবিলাক কিনিব নোৱাৰে। গতিকে এইবিলাকৰ ক্ষেত্ৰত চৰকাৰীভাৱে ব্যৱস্থা কৰিব লাগে। কেম'থেৰাপী ড্ৰাগছৰ ক্ষেত্ৰত ৫০০০ ৰ পৰা ২.৫০ লাখ টকা পৰ্য্যন্ত আছে কেম' দিবলৈ গলে সেইখিনি ঔষধ কিনিব লাগে। এইবিলাকৰ ক্ষেত্ৰত অতিৰিক্ত টকা বহুত লাগে গতিকে চিকিৎসালয়ত এইটো চৰকাৰে ব্যৱস্থা কৰিব লাগে যাতে দুখীয়া মানুহখিনিয়ে যথেষ্টখিনি পায়। আমি antibiotic high antibiotic ৰ ক্ষেত্ৰত সচৰাচৰ আজিকালি antibiotic ব্যৱহাৰ কৰে। high antibiotic ৰ ক্ষেত্ৰত আমি দেখিছো যে high antibiotic ৰ ক্ষেত্ৰত আমাৰ চিকিৎসালয় সমূহত নাথাকি বাহিৰৰ পৰা কিনিব লাগে আৰু যিবিলাকৰ দাম ৫০০ ৰ পৰা আৰম্ভ কৰি ৬০০০ টকা পৰ্য্যন্ত ৪০,০০০ টকা পৰ্য্যন্ত আছে। গতিকে আপোনাক এই কথাবিলাক কৈছো। উপাধ্যক্ষ ডাঙৰীয়া আৰু এটা কথা আপুনি জানি আচৰিত হ'ব যে আজিৰ তাৰিখত বজাৰত উপলব্ধ বিভিন্ন ঔষধ আছে। যিবিলাক আমি কিনিব লাগে। সেইবিলাকৰ পাইকাৰী মূল্য একেবাৰে

কম। পাইকাৰী মূল্য একেবাৰে কমত কিনে, কিন্তু তাত MRP বহু উচ্চ ৰেঞ্জত থাকে। মই এবাৰ আপোনালোকক কেইবাটাও উদাহৰণ দিছো। Paracetamol IB জ্বৰৰ আৰু বিষ কমোৱাৰ ঔষধৰ পাইকাৰী মূল্যৰ বিষয়ে মই বিভিন্ন খা খবৰ লৈ পাইছো। মই এইবিলাক কলে এইবিলাকৰ লগত জড়িত মানুহে মোক বেয়া পাব। তথাপিও মানুহৰ স্বাৰ্থত ক'ব লাগিব। Paracetamol IB জ্বৰৰ আৰু বিষ কমাবলৈ পাইকাৰী মূল্যত তেওঁলোকে কিনে নাৰ্চিং হোমত ফাৰ্মাচীয়ে ১৪ টকা, কিন্তু এজন ৰোগীৰ পৰা তেওঁলোকে ৭০০ টকা পৰ্য্যন্ত তেওঁলোকে লৈ লয়। স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া এই কথাখিনি আপুনি গুৰুত্ব সহকাৰে শুনিব। ঠিক তেনেকৈ **Iron Sucrose বা Absiam** ইনজেকশ্বন, আইৰণ অভাৱজনিতৰ কাৰণে দিয়ে ৩০ টকা তেওঁলোকে পাইকাৰীত কিনে তেওঁলোকে ৰোগীৰ পৰা ৬০০ টকা পৰ্য্যন্ত লয়। তাৰ পিছত আপোনালোকে যদি **Meropenem** দেখে আই চি ইউৰ ক্ষেত্ৰত বা গুৰুত্বৰ সংক্ৰমণ ইনফেকশ্বনৰ ক্ষেত্ৰত আই চি ইউত ব্যৱহাৰ কৰে। ১২০ টকাত তেওঁলোকে পাইকাৰীত কিনে আই চি ইউত যেতিয়া ব্যৱহাৰ কৰে তেতিয়া ২০০০ টকা পৰ্য্যন্ত ৰোগীৰ পৰা তেওঁলোকে লয়। ঠিক তেনেকৈ আপুনি Heparin Injection যিটোৰ ৰক্ত পাতল কৰে, অপাৰেচন কৰিবলৈ গ'লে এইটো যথেষ্ট ব্যৱহাৰ কৰে , এইটোৰ ক্ষেত্ৰত ৮০ টকা তেওঁলোকে কিনে আৰু ৬০০ টকা পৰ্য্যন্ত মানুহৰ পৰা লয়। ঠিক তেনেকৈ উপাধ্যক্ষ ডাঙৰীয়া tacrolimus or tricoplanin এইটো আপোনাৰ অংগ সংস্থাপন, ৰোগ প্ৰতিৰোধ ক্ষমতা নিৰূপণ এইবিলাকৰ ক্ষেত্ৰত যেতিয়া অপাৰেচনৰ ক্ষেত্ৰত যেতিয়া ব্যৱহাৰ কৰে পাইকাৰীৰ পৰা তেওঁলোকে ৩০০ টকা দি কিনে কিন্তু ৰোগীৰ পৰা ২৬০০ টকা পৰ্য্যন্ত তেওঁলোকে লয়। ঠিক তেনেকৈ reteplex kit যেতিয়া মানুহৰ ষ্ট্ৰোক হয় তেতিয়া এই চিকিৎসাত ব্যৱহাৰ কৰা বিশেষ এটা কিট বুলি কয়, ১১,০০০ টকাত তেওঁলোকে কিনে ৩৯,০০০ টকা তেওঁলোকে ৰোগীৰ পৰা লয়। নাৰ্চিং হোম বিলাকত আই চি ইউ বিছনা, সাধাৰণ বিছনা বিলাক আছে এইবিলাকৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে নিয়ন্ত্ৰণ ৰাখিব লাগে। বিভিন্ন আই চি ইউ, নাৰ্চিং হোম বিলাকত প্ৰাইভেট চিকিৎসালয় বিভিন্ন ধৰণে

এটা কেবিনত ১০০০ ৰ পৰা ৪০০০ টকালৈ, এটা শ্বেয়াৰ কেবিনত ৪০০০ ৰ পৰা ৮০০০ টকা , এটা শ্বেয়াৰ কেবিনত চা্ৰি পাঁচজন থাকিলে তেওঁলোকৰ ৰেটবিলাক লয়, executive cabin 5000-10,000 rupees পৰ্য্যন্ত লয়, ডিলাক্স কেবিনত ৮০০০ ৰ পৰা ১৪,০০০ টকা আৰু চুইট কেবিনত ১৫,০০০- ২০,০০০ টকা পৰ্য্যন্ত লয়, প্ৰাইভেট চিকিৎসালয়ত আই চি ইউ বিছনা ১০,০০০-১৫,০০০ টকা পৰ্য্যন্ত লয়। গতিকে এনেকুৱা ৰেট বিলাক চলি আছে, এনেকুৱা অনিয়ম বিলাক চলি আছে। নিশ্চিতভাৱে এইবিলাকৰ ওপৰত স্বাস্থ্য বিভাগে নাকি লগাব পাৰে, ব্যৱস্থা ল'ব পাৰে। ঠিক তেনেকৈ উপাধ্যক্ষ ডাঙৰীয়া আপোনাক আকৌ কৈছো যে আমি বিভিন্ন চিকিৎসালয় বিলাকত, চৰকাৰী চিকিৎসালয় বিলাকত পৰীক্ষা সময়মতে কৰিব নোৱাৰি তাৰ কাৰণে যেতিয়া পৰীক্ষাগাৰত যায় চিকিৎসালয়লৈ যায় এটা ইকো টেষ্টত ১৫০০-৩৫০০ টকা পৰ্য্যন্ত লয়। ই এন টি ২০০০-৪০০০ টকা পৰ্য্যন্ত লয়, cardiac scan 18,000-35,000 rupees, MRI 4000-12,000 rupees, CT Scan 2000-8000 rupees, Endoscopy 2000-5000, Anoscopy 4000-10,000 rupees, Vitamin D 1000-2000 rupees পৰ্য্যন্ত লয়। এনেকুৱা গোটেই বিলাক তথ্য ইয়াত আছে। তেওঁলোকে প্ৰয়োজনতকৈ বহু বেছি ৰোগীৰ পৰা গ্ৰহণ কৰে। উপাধ্যক্ষ ডাঙৰীয়া মই লাষ্ট মিনিট আপোনাক কৈছো চিকিৎসালয়ত ধৰক এজন মানুহক অপাৰেশ্যন কৰিব লাগে যেতিয়া চাৰ্জাৰী বিভাগত যায় তেওঁলোকে অপাৰেশ্যনটো ১৫-২০ দিন বা ১ মাহ পিছত দি দিয়ে কাৰণ তাত চিকিৎসক কম, তেওঁলোকৰ সুবিধাৰ অভাৱ। সেই মানুহজন যেতিয়া বিষত নাবাচে বা কষ্ট পায় দৌৰি দৌৰি তেওঁলোকে নাৰ্চিং হোমত যায় আৰু নাৰ্চিং হোম বিলাকে ব্যক্তিগত চিকিৎসাৰ সময়ত তেওঁলোকৰ নিজৰ ইচ্ছামতে ৰেট ধৰে। মই দুটা তিনিটামান উদাহৰণ দিছো। appendix 35,000-80,000 টকা পৰ্য্যন্ত প্ৰাইভেট চিকিৎসালয় সমূহে লয়, গ'ল ব্লাডাৰ ষ্টোনট ৪০,০০০-১,০০,০০০ লাখ টকা পৰ্য্যন্ত লয়, কিডনী ষ্টোনত লেজাৰ চাৰ্জাৰী যিটো কৰে ৬০,০০০-১.৫০ লাখ পৰ্য্যন্ত লয়। ঠিক তেনেকৈ আমি যদি গোটেইখিনি চাওঁ- ফিচটুলা চাৰ্জাৰী ৪০,০০০-১.২০ লাখ টকা পৰ্য্যন্ত লয়, কিডনী ট্ৰেন্সপ্লান্ট ৬ লাখৰ পৰা ১২ লাখ

পৰ্য্যন্ত লয়, লিভাৰ ট্ৰান্সপ্লান্ট ২০ লাখৰ পৰা ৩৫ লাখ পৰ্য্যন্ত, পেচ মেকাৰ ২ লাখৰ পৰা ৫ লাখ পৰ্য্যন্ত লয় । উপাধ্যক্ষ ডাঙৰীয়া গতিকে এইবিষয়ে নিশ্চিতভাৱে স্বাস্থ্য বিভাগে ব্যৱস্থা কৰিব লাগে। মাত্ৰ ২ মিনিট সময় বিচাৰিছো উপাধ্যক্ষ ডাঙৰীয়া চিকিৎসকজনে যেতিয়া ভিজিট কৰে সাধাৰণতে যেতিয়া ভিজিট কৰে টকা এটা লয়। সেই ৰোগীজন যেতিয়া চিকিৎসালয়ত বিছনাত যায় চিকিৎসালয়ৰ বিছনাত যোৱাৰ লগে লগে ৰোগীজনক চিকিৎসকে যেতিয়া এবাৰ ভিজিট কৰিবলৈ যায় তেওঁলোকে চাব একেবাৰে ৫০০-১২০০ টকা পৰ্য্যন্ত তেওঁলোকে ভিজিট বঢ়াই দিয়ে। তেওঁলোকে ঠিক তেনেকৈ সেই ৰোগীজন যে এটা সাধাৰণ ঠাইত আছে তাৰ পৰা যদি তেওঁ কেবিনত গুছি গৈছে একেইজন চিকিৎসকে এজন সাধাৰণ বিছনাৰ ৰোগীসকলৰ ক্ষেত্ৰত ১২০০ টকা লব আৰু কেবিনত যোৱাৰ লগে লগে সেই ৰেটটো ১৫০০ টকালৈ বাঢ়ি যায় । ঠিক তেনেকৈ আপোনাক মই লাষ্ট আৰু কৈছো যেনেকৈ অ পি ডিত ধৰক এটা আমি এটা গ্লুক'জ পৰীক্ষা এটা কৰিব তেজত গ্লুকজ কিমান আছে পৰীক্ষা কৰিলে অ পি ডি ত ১০০ টকা লয়, সেই ৰোগীজনে যেতিয়া চিকিৎসালয়ৰ বিছনাত যাব একেই কিন্তু পৰীক্ষা কৰিব ২৫০ টকা হৈ যাব। সেই ৰোগীজন যেতিয়া কেবিনত গুছি যাব ৩০০ টকা হৈ যাব অথচ সেই চিকিৎসালয়তে পৰীক্ষা-নিৰীক্ষা হৈ আছে । মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে ধ্যান দি শুনি আছে । এনেধৰণৰ অনিয়মসমূহ আমাৰ ৰাজ্যখনত চলি আছে। অসমৰ ১০৭খন চিকিৎসালয়ত ভাৰতৰ প্ৰধান মন্ত্ৰীৰ জন আৰোগ্য যোজনা আৰু অসমৰ মুখ্যমন্ত্ৰীৰ আয়ুষ্মান অসম আঁচনি আছে। এনে সুবিধা থকা হস্পিতালৰ সংখ্যা মাজতে কমাই দিছিল গতিকে এইবিলাকৰ সংখ্যা বঢ়াই দিব লাগে। উপাধ্যক্ষ মহোদয়, মই গোটেই পৰিসংখ্যা তথ্য-পাতি দিলো কিন্তু মোৰ এটাই কথা যে, মানুহে সু-স্বাস্থ্য পাব লাগে। মই আকৌ কৈছো যে মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে, চৰকাৰে পদক্ষেপ লওঁক। আমি অসমৰ মানুহৰ স্বাস্থ্যই যদি ভাল কৰিব নোৱাৰো, নিৰোগী কৰিব নোৱাৰো, সু-স্বাস্থ্য যদি নাপায় তেন্তে অসম কেতিয়াও আগুৱাই নাযায় । সেয়েহে, উপাধ্যক্ষ মহোদয়, আজি এই কথাখিনিত স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব

দিব বুলি আশা ৰাখি আপোনাক মই বহুত ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিলো।

**মাননীয় উপাধ্যক্ষঃ** Next Member Shri Sherman Ali Ahmed. Only for 2 minutes.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** No Sir, I was a Mover. I have also submitted the proposal. এতিয়া তেওঁ ৩০ মিনিট সময় পালে, মই অন্ততঃ ১৫ মিনিট সময় পাব লাগে চাৰ। I am a co-mover. মই এই proposal টো আনিছো।

**মাননীয় উপাধ্যক্ষঃ** সময় বহুত কম আছে। Only 2 minutes.

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক (মন্দিয়া)ঃ** চাৰ, ২ মিনিটত একো নহ'ব। মই mover, মই proposal আনিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এষাৰি সংস্কৃত শ্লোক –"শৰীৰ মাদ্যং খলু ধৰ্মসাধনম" – এই শ্লোকে আমাৰ স্বাস্থ্য ক্ষেত্ৰটো কিমান গুৰুত্বপূৰ্ণ সেই বিষয়ে সোঁৱৰাই দিয়ে। সেইদিনাখন মন্ত্ৰী মহোদয়ে Orientation ত কৈছিল যে we are concerned about only 1% of the population. ৯৯% ৰ কাৰণে আমি ভাৱিবই পৰা নাই। আমি Patient খিনিক লৈ ব্যস্ত হৈ আছো। 1% ৰ কাৰণে যিখিনি সা-সুবিধা থাকিব লাগে সেইখিনি Indian Public Healthৰ standard মতে নাই সেইয়া আগৰ বক্তাজনে ইতিমধ্যে কৈ গৈছে আৰু যিখিনি আছে সেইখিনিৰ ক্ষেত্ৰতো uneven distribution হৈ আছে। এতিয়া bed ৰ কথা কৈছে। কোনোবাখন জিলাত ৩০০০ মানুহৰ বিপৰীতে এখন বিচনা, কোনোবাখন জিলাত ৯০০ মানুহৰ বিপৰীতে এখন বিচনা, ১০০০ৰ তলত, ডাক্তৰৰ সংখ্যাও তেনেধৰণে uneven distribution হৈ আছে। আমাৰ কিছুমান Aspirational District, Block আছে। সেইবোৰ অন্ততঃ deprive কৰিব নালাগিছিল। দেখা গৈছে Aspirational District বৰপেটা, Aspirational Block মন্দিয়াৰো এই parameter বিলাক সন্তোষজনক নহয়, বহুত shortage আছে। মাননীয় উপাধ্যক্ষ মহোদয়, My

Mandia Block is a aspirational block. মোৰ মন্দিয়া ব্লকত ২০১১ ৰ census মতে মুঠ ৩,৫০,০০০ জনসংখ্যা। তাত sub-centre থাকিব লাগিছিল ৭০ টা, আছে মাত্ৰ ৫৫ টা অৰ্থাৎ প্ৰায় ১৫ টা sub-centreৰ এতিয়াও অভাৱ আছে৷ PHC থাকিব লাগিছিল ১২ টা, আছে মাত্ৰ ৯ টা , এতিয়াও ৩ খন PHC নাই। ঠিক তেনেকৈ CHC থাকিব লাগিছিল ৩ খন, আছে মাত্ৰ এখন। Aspirational Block হোৱাৰ স্বত্বেও আমাৰ ইমান deficiency হৈ আছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে যাতে এই aspirational district আৰু block ৰ ক্ষেত্ৰত বিশেষ নজৰ দিয়ে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মন্দিয়া ব্লকৰ অধীনত bifurcation হৈ PWD and P&RD ৰ অধীনত ব্লকবোৰ re-organize হৈছে। গতিকে স্বাস্থ্য খণ্ডবোৰো re-organize কৰিব লাগে । আমাৰ Chenga Development Block ত ৯ টা পঞ্চায়ত আছে। ২০১১ চনৰ census মতে তাত ১,৩১,০০০ জনসংখ্যা। ইয়াত এখন Community Health Centre থাকিব লাগিছিল । এই ৯ টা পঞ্চায়তত আলোপটী Mini PHCৰ proposal মই কেতিয়াবাই দিছিলো যে সেইটো CHC লৈ উন্নীতকৰণ হ'ব লাগে । মাননীয় উপাধ্যক্ষ মহোদয়, ২০১১ চনৰ census মতে মোৰ মন্দিয়া ব্লকৰ অধীনত ধৰ্মপুৰ, ভাটনাপাইটী, ৰামাপাৰা GP ৰ মুঠ জনসংখ্যা আছে ৩৩ হাজাৰ। তাত এখন PHC থাকিব লাগিছিল কিন্তু এটাও PHC নাই। Satra Kanara GP ৰ জনসংখ্যা ৩৪,৭২৩। তাত ২০২০-২১ চনত এখন PHC sanction হৈছিল কিন্তু আজিলৈ নহ'ল। ঠিক তেনেদৰে জনসংখ্যাত নিমিলিলেও আমাৰ ১ নংবাঘমৰা চৰত এখন sub-centre থাকিব লাগে । Difficult terrain, কাৰণ চাৰিওফালে নদীয়েই আছে। ঠিক তেনেদৰে আলোপটী, মাজৰচৰতো দুটামান sub-centre, Bamundongra GPত এটা sub-centre, Balikuri GP ত এটা sub-centre লাগে । বালাজানচৰ এটা বৃহৎ এলেকা, তাত sub-centre নাই। উজীৰেচৰৰ চাৰিওফালে নদী, তাত এখন PHC লাগে। মই এই কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ক হস্তান্তৰ কৰিম আৰু তেখেতে যাতে এই aspirational block সমূহত topmost priority দি চায়। উপাধ্যক্ষ মহোদয়, আৰু এটা অত্যন্ত

গুৰুত্বপূৰ্ণ কথা যে, এই aspirational block সমূহত পৰ্যাপ্ত পৰিমাণৰ ডাক্তৰতো নাইয়েই, যি বিষয়ে মই ইতিমধ্যে ক'লো, তাত বিচনাও নাই। তাৰ ডাক্তৰবোৰক attach কৰি বেলেগত লৈ যোৱা হৈছে। মন্দিয়া PHC, যিয়ে ৩.৫ লাখ মানুহক চায়, তাৰে Superintendant গৰাকীক আজি কেইবাবছৰো হৈ গ'ল, তেখেতক মৰিগাওঁ হস্পিতালত attach কৰিছে। এই attachment বোৰ cancel কৰিব লাগে। দ্বিতীয়তে, Chandmama Model Hospital **খন** functional **নহয়** । **সেইখন এখন** Model Hospital, কিন্তু তাত delivery **নহয়** কাৰণ তাৰে Deputy Superintendant, M.O, Ayurক attach কৰি ৰাখিছে। নাৰ্চৰ কথা বাৰে বাৰে কোৱাৰ পিছতো তাত পৰ্যাপ্ত নাৰ্চ দিয়া হোৱা নাই । এইখন মডেল হস্পিতালক অন্ততঃ গুৰুত্ব দিব লাগিছিল। তাত আৰু দুজন ডাক্তৰ, ৪ জন ষ্টাফ নাৰ্চ, এজন ড্ৰেছাৰ আৰু Gr.-IV লাগে । Barpeta Civil Hospital ত Pediatrician, Staff Nurse, as per IPHS, ৫০ জন লাগে । **এনেকুৱা এখন** Civil Hospital ত Superintendant ৰ post খালী হৈ আছে । মাননীয় উপাধ্যক্ষ মহোদয়, এনেধৰণৰ বহুত কিছুমান অসুবিধা আছে, মন্ত্ৰী মহোদয়ক মই এইখিনি individually দিম তেখেতে kindly যাতে চায় I Baghbar PHC **খন এজন** AYUR ৰ দ্বাৰা চলি আছে, তাত এজন Allopathic ডাক্তৰ নাই। গতিকে এইখিনি কথা অকণমান গুৰুত্ব সহকাৰে চাব লাগে। বিশেষকৈ এই attachment সমূহ তৎক্ষণাত আঁতৰাব লাগে। মই আৰু এটা গুৰুত্বপূৰ্ণ কথালৈ আহিব খুজিছো- PM ABHIMত ২০২৪ চনত বহুতকেইটা sub-centre দিছিল কিন্তু সেই sub-centre বোৰ আজিলৈ নিৰ্মাণ হোৱা নাই কাৰণ সেইবোৰ low lying area ত দিছে। Mandia itself is a low lying area. আমাৰ MD চাহাবে বাৰে বাৰে DC চাৰলৈ earth filling কৰি দিয়াৰ বাবে লিখিছিল কিন্তু এতিয়ালৈ কৰি দিব পৰা নাই। মই ২০২৫ চনৰ ৭ অক্টোবৰত কেইবাটাও sub-centre ৰ বাবে টকা দিছিলো I LAD ৰ পৰা পশ্চিম বাঘমৰা Health Sub-Centre ৰ বাবে ২ লাখ টকা, মৰিগাওঁ Health Sub-Centre ৰ earth fillingৰ বাবে ১০ লাখ টকা, গৰলা Health Sub-Centre ৰ বাবে ২ লাখ টকা, Agmandia Health Sub-Centre ৰ বাবে ৩

লাখ টকা, ভৈৰাৰপাম Health Sub-Centre ৰ earth fillingৰ বাবে ৩ লাখ টকা দিছো। অক্টোৱৰতেই দিয়া আজি এতিয়ালৈ ৮ মাহ হৈ গ'ল DC য়ে নিজে কৰিব পৰা নাই। NREGA ৰ পৰা Earth filling কৰাৰ বাবে MD য়ে লিখিছে। মই LAD ৰ পৰা দিছো কিন্তু আজিলৈ এই টকাবোৰ release হোৱা নাই। ফলত ঠিকাদাৰবোৰে surrender কৰিলে। এতিয়া আকৌ re-tendering কৰিব লাগিব DC য়ে কৰি নিদিয়াৰ বাবে মই LAD ৰ পৰা টকা দি সহায় কৰিছো তাৰ পিছতো এই tender বোৰ cancel হৈছে । মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি এই বিষয়বোৰ যাতে চায়। উপাধ্যক্ষ মহোদয়, মোৰ last দুটা issue . খাদ্যৰ যি diet দিয়া হয় তাৰ quality অত্যন্ত নিম্ন। আজিৰ দিনত diet ৰ rate ৪০ টকাৰ পৰা আৰম্ভ কৰি ৯০ টকালৈ। লখিমপুৰত মাত্ৰ ৪০ টকা, ধুবুৰীত ৫৫ টকা, বৰপেটাত ৬০ টকা, আকৌ নগাঁও, শিৱসাগৰত ৯০ টকা , এই variation টো কি কাৰণে? বৰঞ্চ difficult area বোৰত বেছিহে হ'ব লাগে। খাদ্যৰ quality বেয়া, কেনেকৈ দিব? খাদ্যৰ যিখন chart, তাত প্ৰত্যেক দিনাই ৰাতিপুৱা breakfast ত দিব লাগে ৪ খন bread, 10 gm jelly, এটা কণী, গাখীৰ চাহ, butter আৰু প্ৰত্যেক দিনাই lunch ত হয়তো মাছ নাইবা মাংস থাকিব লাগে আৰু মাত্ৰ এদিনহে চয়াবিন আছে। ঠিক তেনেকৈ ৩ বজাত চাহ দিব লাগে, তাৰ পিছত থাকে dinner. ৪০ টকাত আজিকালি এইখিনি খাদ্য পাব নেকি? গতিকে quality ইমানেই সৰু হৈছে যে কল্পনাই কৰিব নোৱাৰি। দ্বিতীয় কথাটো হ'ল কিছুমান supplier ক গুৱাহাটীৰ পৰা নিয়োগ কৰি দিয়ে। তেওঁতো গৈ মন্দিয়াত আমাৰ খাদ্য নিদিব। তেওঁ sub-contractor দি এনেয়ে তেওঁৰ লাভ নহয়। ৪০ টকাত tiny meal খানা আৰু sub-contractor দি তেওঁ লাভ নোহোৱাকৈ কাম কৰিব ? গতিকে এই supplier বোৰ প্ৰথম কথা হ'ল যে rate বিলাক revise কৰিব লাগে। চাৰ, এটা পইণ্ট, গতিকে food quality improve কৰিব লাগে আৰু supplier of food should be locally selected. শেষত এটা কথা আমাৰ এইখিনিটো আছেই। কথা হ'ল properly functioning হৈছে নে নাই ? এইটো এটা গুৰুত্বপূৰ্ণ কথা । আমি কেৱল আন্তঃগাঁথনি দিলেই নহ'ব। আমাৰ ডাক্তৰ, নাৰ্চ আশাকৰ্মী সকলে ভালকৈ কাম

কৰিছে নে নাই ? মই কেৱল এটা উদাহৰণ দিব খুজিছো, বৰপেটা District Hospital এখন যোৱা ১৬ মে’ তাৰিখে নিৰ্বাচনৰ পিছত মই এঠাইত গৈ আছিলো। টাউনত দুজনমান মানুহে ৰখালে যে চাৰ, সম্বৰ্ধনা দিম, মই গাড়ীৰ পৰা মাত্ৰ নামিলো, ক’তো যোৱা নাই। ১০-১২ জনে সম্বৰ্ধনা দিলে, ওচৰত কিছু মহিলা মানুহ আছিল, মই ভাবিলো, সম্বৰ্ধনাটো তেখেত আইমাতৃ সকলক দিলে। তেওঁলোকে কৈছে চাৰ, মই আশাকৰ্মী । ১৪ জনীয়া আশাকৰ্মী প্ৰাইভেট হস্পিতালৰ সন্মুখত ৰখি আছে। ইমান আশাকৰ্মী ইয়াত কিয় ? আপোনালোক কিয় আহিছে ? যে চাৰ, patient লৈ আহিছো। আশাকৰ্মীৰ duty এইটো নেকি ? গোটেই মিডিয়াত ভাইৰেল হ’ল। কিন্তু একো action লোৱা আজিলৈকে নহ’ল। মাননীয় উপাধ্যক্ষ মহোদয়, temporary employee আজি আপোনাৰ MD Commissioner অশোক বাবু মই ভিডিঅ’ দিছো, তেওঁলোকে ঘোচ লোৱাৰ ভিডিঅ’ । আজলৈকে এগৰাকীও আশাকৰ্মী খেদোৱা নহ’ল । কেনেকৈ হ’ব ? কেৱল আশাকৰ্মী জড়িত হ’ব নোৱাৰে । There is a nexus involving the doctor, involving the nurses, involving the management. আজি দুমাহ হৈ গ’ল videography দিয়াৰ পাছতো কোনো action নহ’ল। কেৱল আমি এনেয়ে হস্পিতাল বনালে হ’ব নে ? আশাকৰ্মীৰ duty কি ? তেওঁলোকে ফিল্ডত থাকিব লাগে। চাৰ, এইটো গোটেই অসমতে। Please. Please.

**মাননীয় উপাধ্যক্ষঃ** শ্ৰী নুৰুল হুদা। Please.

**শ্ৰীশ্বেৰমান আলী আহমেদ, ( মন্দিয়া ):** Asha kormi should be the link between the village and the hospital. আশাকৰ্মী হস্পিতালত বহি থাকে। গোটেই তথ্য প্ৰমাণ দিয়াৰ পিছত আশাকৰ্মীয়ে মাননীহে পায়। চাকৰিয়াল নহয়, খেদি দিব লাগিছিল। মই MD চাহাবক দিছো। ঘোচ লোৱাৰ ভিডিঅ’ দিছো। মই Joint Director ক দিছো , Commissioner ক দিছো, আশাকৰ্মী যদি ঘৰৰ হস্পিতালত বহি থাকে, তেওঁলোকে কেনেকৈ সম্পৰ্ক ৰক্ষা কৰিব। তেওঁলোকে Sputum collection নকৰে, blood collection নকৰে, তেওঁলোকৰ যদি register enquiry কৰে, কোন আশাকৰ্মীয়ে কি duty কৰিছে ওলাই যাব নহয়

আৰু মই ভাবো, ডাক্তৰ আৰু মেনেজমেণ্ট জড়িত থাকিব লাগিব। শেষত এটা কথা আৰু test district hospital ত test বোৰ নহয়। গোটেই ব্যৱস্থা আছে। তেওঁলোকে দেৰ টা বজাত বন্ধ কৰি দিয়ে, ঔষধ নিদিয়ে, 24X7 হ'ব লাগে।

district hospital ত যদি 24X7 নাথাকে, তেনেহ'লে কেনেকৈ হ'ব ? Ultimately দেৰ টা বজাৰ পাছৰ পৰা ৰোগীৰ সকলো পৰীক্ষা-নিৰীক্ষাৰ কাৰণে ঔষধৰ কাৰণে বাহিৰলৈ যাব লাগে। পৰীক্ষা-নিৰীক্ষাৰ ক্ষেত্ৰত তেওঁলোকে তাৰিখ দিয়ে। জি. এম. চি য়ে তাৰিখ দিয়ে বুজি পাইছো, ২০ দিন পিছত আহিব, তেওঁলোকে তাৰিখ দিয়ে এইকাৰণে যেতিয়ালৈকে পইচাটো নাপায়, তেতিয়ালৈ এইটো নকৰে। গতিকে indirectly test ৰ কাৰণে পইচা তেওঁলোকে collection কৰি আছে। মাননীয় মন্ত্ৰী মহোদয়ে এটা enquiry কৰক। মই এটা classic example দিলো। আপুনি kindly এটা enquiry কৰক। মোৰ অন্তত district hospital খন ভালকৈ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষঃ** Please and you are repeating the same issue.

**শ্ৰীশ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মই মাননীয় মন্ত্ৰী মহোদয়ক মাত্ৰ কেৱল এটা enquiry কৰিবলৈ অনুৰোধ জনাই মই শেষ কৰিছো যাতে মোৰ district hospital ৰ বদনাম নহয়।

**শ্ৰী নুৰুল হুদা, ৰূপহীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Rule-54 ত অসমত এতিয়াও ৰোগীয়ে নাপায় পৰ্য্যাপ্ত চিকিৎসাসেৱা, স্বাস্থ্যই পৰম ধন। এইখিনি বক্তব্য ৰাখিবলৈ দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। মই প্ৰথমেই ধন্যবাদ জনাম আমাৰ অসমৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক, যোৱা ২৩ তাৰিখে আমাক মাতি নি উচ্চ পদস্থ বিষয়া সকলৰ লগত সমষ্টিখনৰ যিবিলাক স্বাস্থ্য সেৱাৰ লগত জড়িত বিষয়, সেইবিলাক বিষয়ৰ ওপৰত আলোচনা কৰি মোৰ সমষ্টিত নগাওঁ মডেল হস্পিতালখন ৩ সপ্তাহৰ ভিতৰত FRU আৰম্ভ কৰাৰ কাৰণে ঘোষণা কৰিছে, তাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বৰ্তমান ৰাজ্যখনত কেইটামান বেমাৰ অতিৰিক্তভাৱে আৰম্ভ হৈছে। যেনে- বৃক্ক

বেমাৰ, হাৰ্টৰ বেমাৰ, নাৰ্ভৰ বেমাৰ, কেঞ্চাৰ এইবিলাক অতিমাত্ৰা আৰম্ভ হৈছে। এই কেঞ্চাৰ বেমাৰ হয়, ইয়াত দেখা গৈছে যে অসমত ৭০ শতাংশ ৰোগীৰ সময়মতে ৰোগ ধৰা নপৰে আৰু দেৰীকৈ ধৰা পৰাৰ কাৰণ হ'ল উন্নত প্ৰযুক্তি পৰীক্ষাগাৰ নথকাৰ কাৰণে, উন্নত প্ৰযুক্তিৰ পৰীক্ষাগাৰ নথকাৰ কাৰণে, পৰীক্ষা কিছুমান বাহিৰত পঠোৱা হয়। এমাহ, ২৫ দিন, ২০ দিন লাগি যায় ৰিপোৰ্ট আহোতে। ৰিপোৰ্ট অহা মানে ৰোগীজনে জুৰুলা হৈ যায় আৰু তেতিয়া চিকিৎসাই কাম নকৰে। এনেকুৱা বহুত উদাহৰণ আছে। আমাৰ অসমত প্ৰতিবছৰে প্ৰায় ৫০ হাজাৰ কেঞ্চাৰ ৰোগত আক্ৰান্ত হয় আৰু তথ্যমতে প্ৰায় ২৫ হাজাৰ মানুহৰ মৃত্যু হয়। গতিকে ইয়াৰ একমাত্ৰ কাৰণ হ'ল সময়মতে ৰোগ হোৱাৰ লগে লগে এই ৰোগটো ধৰা নপৰে। আমাৰ অসমত তেনেকুৱা উন্নত প্ৰযুক্তি পৰীক্ষাগাৰ নাই। গতিকে মই আপোনাৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰীক অনুৰোধ জনাম যে উন্নত প্ৰযুক্তি পৰীক্ষাগাৰ নিৰ্মাণ কৰি তৎক্ষণাত যাতে ৰোগী সকলক পৰীক্ষা-নিৰীক্ষা কৰি ৰোগ ধৰা পেলাই চিকিৎসা কৰা হয়। মাননীয় উপাধ্যক্ষ মহোদয়, কেঞ্চাৰ কিয় হয় ? গৱেষক সকলে কোৱা মতে অত্যাধিক আৰ্চেনিকযুক্ত পানী খালে পিত্তনলীত কেঞ্চাৰ হয়। গতিকে এই পানী এতিয়ালৈকে আমাৰ অসমত আৰ্চেনিকমুক্ত কৰিব পৰা নাই। গতিকে এইক্ষেত্ৰত স্বাস্থ্যবিভাগে মনোযোগ দিব লাগে আৰু এটা হ'ল ধপাত সেৱন কৰাৰ ফলত কেঞ্চাৰ হয়। গৱেষক সকলে কৈছে। ধপাত সেৱন কৰাৰ কাৰণে কেঞ্চাৰ হয়। আজি এই ধপাত যদি বন্ধ কৰি দিয়া হয়, তেতিয়াহ'লে কেঞ্চাৰৰ পৰিমাণ বন্ধ হৈ আহিব। উৰিষ্যা চৰকাৰে ধপাত একেবাৰে নিষিদ্ধ কৰি দিছে, যেনেকৈ ড্ৰাগছ্ নিষিদ্ধ কৰিছে, ধপাতো নিষিদ্ধ কৰিছে। হয়, ধপাত নিষিদ্ধ কৰিলে আমাৰ ৰাজকোষত টেক্স কম আহিব। কিন্তু এই টেক্স পোৱাৰ কাৰণে যদি মানৱ জীৱন ধ্বংস কৰা হয়, তেতিয়াহ'লে এইটো এখন কল্যাণকামী চৰকাৰৰ কাম নহ'ব। যেনেকৈ উৰিষ্যা চৰকাৰে ভাং, ড্ৰাগছ্, ধপাত নিষিদ্ধকৰণ কৰিছে, গতিকে মই এইটো আহ্বান জনাম আপোনাৰ জৰিয়তে মাননীয় অসম চৰকাৰৰ মাননীয় মন্ত্ৰী মহোদয়ক যে মানৱ জীৱন ৰক্ষাৰ কাৰণে ড্ৰাগছ্ লগতে

ধপাত সেৱন কৰা সম্পূৰ্ণৰূপে নিষিদ্ধকৰণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, কিডনীৰ বেমাৰ বিলাক খুব বেছিকৈ আৰম্ভ হৈছে। আজি যদি চায়, য'ত dialysis হয়, তাত দেৰ-দুশ waiting list ত থাকে। Dialysis bed কম। মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে নগাওঁ মেডিকেল কলেজত মাত্ৰ ৪ খন bed আছে। এখন মেডিকেল কলেজত ৪ খন Bed য়ে কেইজন ৰোগীক দিব ? তাত আজি যদি বিচাৰে তেতিয়াহ'লে ১৩৭ জন waiting ত আছে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাৰ নগাওঁ মেডিকেল কলেজত কমপক্ষেও ২০ খনকৈ bed যাতে dialysis ৰ কাৰণে দিয়ে। ইয়াৰ লগতে মোৰ যিটো FRU হ'ব দ গাওঁত, এই FRU টো যাতে dialysis ৰ কাৰণে ৫ খন মান bed দিয়ে তাৰ কাৰণে মই অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, হাৰ্টৰ বেমাৰ অতিমাত্ৰা আৰম্ভ হৈছে। এই এসপ্তাহত মোৰ সমষ্টিত ৩ জন লোক হঠাৎ হাৰ্টত আক্ৰান্ত হৈ ঢুকাইছে। যোৱাকালি আমাৰ এজন অৱসৰপ্ৰাপ্ত শিক্ষক বাথৰূমত সোমাইছে, পৰি গৈ মৃত্যু হৈছে heart attack হৈ। গতিকে heart attack কিহৰ কাৰণে বাঢ়িছে, এটা গৱেষণাৰ প্ৰয়োজন আছে। গতিকে আমাৰ অসম চৰকাৰে এটা গৱেষণাৰ টিম বহুৱাই এই বেমাৰবিলাক কেনেকৈ ৰোধ কৰিব পৰা যায়, কেনেকৈ বেমাৰত আক্ৰান্ত হ'ব নোৱাৰে, তাৰ কাৰণে এটা প্ৰতিষেধকমূলক ব্যৱস্থা লোৱাৰ কাৰণে মই অনুৰোধ জনাইছো। নাৰ্ভৰ বেমাৰ কেনেকৈ আৰম্ভ হৈছে, হঠাৎ ধলি পৰে আৰু হাত-ভৰি বিকল হৈ যায়। তেনেকৈ বহুত আৰম্ভ হৈছে। দুখীয়া লোকসকল উন্নত চিকিৎসাৰ কাৰণে বেলেগ ঠাইত যাবও নোৱাৰে। গতিকে আমাৰ ইয়াত মই নগাওঁ মেডিকেল কলেজৰ কথাটো কৈছো, তাত হাৰ্টৰ cardiology department নাই., neurology department টো নাই। গতিকে এইখিনি নথকাৰ কাৰণে বহুত সমস্যাৰ সৃষ্টি হৈছে। আমি আশা কৰো যে আমাৰ অসমখনৰ লগতে আমাৰ নগাঁও জিলাতো মাননীয় মন্ত্ৰী মহোদয়ে যাতে অলপ সুদৃষ্টি দি চিকিৎসা সেৱা ব্যৱস্থাটো উন্নত কৰে তাৰ কাৰণে অনুৰোধ জনাইছো আৰু যোৱা ২৩ তাৰিখে আলোচনাত মই আমাৰ সমষ্টিটো বিভিন্ন চিকিৎসালয় সমূহৰ যিবিলাক অভাৱ-

অভিযোগ লিখিতভাৱে মই মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত দাখিল কৰিছিলো। আশা থাকিল, মোৰ যিখিনি দাবী এইখিনি জন স্বাৰ্থৰ কাৰণে পূৰণ কৰি যাতে চিকিৎসা সেৱা ব্যৱস্থাটো সুচল কৰে, মানুহৰ জীৱন ৰক্ষাৰ কাৰণে যাতে চেষ্টা কৰে, তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** Sorry, সময় নোহোৱাৰ কাৰণে আপোনাক ক'ব দিব নোৱাৰিম।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোক দুই মিনিট ক'বলৈ দিয়ক। মোৰ সমষ্টিৰ কথা বেলেগে উদাহৰণ দিছে ছাৰ।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতক মাত্ৰ দুই মিনিট সময় ক'বলৈ দিয়ক।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে জানে, সিদিনা মই আনিছো কিন্তু এতিয়া উদাহৰণটো বেলেগ আহিছে। সেইকাৰণে মোক ক'বলৈ দিয়ক।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। সিদিনা আমি আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ লগত যিখন ৰিভিউ মিটিং কৰিছো, তাত তেখেতে খুব গুৰুত্বপূৰ্ণ কথা কৈছে যে ১ শতাংশ ৰোগীৰ কাৰণে আমি চিন্তা কৰিছো, কিন্তু ৯৯ শতাংশ মানুহ কেনেকৈ ভালকৈ জীয়াই থাকিব লাগে এই সংক্ৰান্তত আমি চিন্তা কৰা নাই। সেইকাৰণে স্বাস্থ্যৰ প্ৰতি সজাগতা সৃষ্টিৰ কাৰণে তেখেতে বহুতো ভাল পদক্ষেপ লৈছে, সেইখিনিকো আদৰণি জনাইছো।

**(Hon'ble Speaker in the Chair)**

কিন্তু ছাৰ, delimitation ৰ পিছত সমষ্টিবোৰ এনেকৈ ভাগ হৈছে, যেনেকৈ administrative unit বোৰ কিছুমান সমষ্টিত বেছি গুছি গৈছে আৰু কিছুমান সমষ্টিত একোৱেই নাই। ঠিক তেনেকৈ চেঙা সমষ্টিত FRU ও নাই, Block PHE ও

নাই। আজি উজিগৰ, পালহাজি, ডুংৰা, কদমতলা এই ঠাইবিলাকত বহুত বেছি জনসংখ্যা। তাত বহুত কেইখন  PHC ৰ প্ৰয়োজন। সিদিনা ৰিভিউ মিটিঙত Block PHC ৰ কথা মাননীয় মন্ত্ৰী মহোদয়ৰ সন্মূখত কৈছিলো। আলোপতি মাঝাৰ চৰত Block PHC  হ'ব লাগে। এইবোৰ বহুত বিশাল এলেকা। ৫০০০ ৰ ওপৰত জনসংখ্যা থাকিলে আমি একোখনকৈ চাব-চেন্টাৰ পাওঁ। তেনেকৈ চেঙাৰ প্ৰায় প্ৰতিটো পঞ্চায়তেতেই আৰু এখনকৈ চাব-চেন্টাৰৰ প্ৰয়োজন। সেই তালিকাখনো মই ইতিমধ্যে বিভাগৰ ওচৰত জমা দিছো। গতিকে শেষত মই অনুৰোধ জনাম যে অনতিপলমে, স্বাস্থ্যৰ প্ৰতি যিহেতু চৰকাৰ সদায় সজাগ, আমিও সজাগ আৰু আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰখন আৰু অধিক উন্নত কৰাৰ কাৰণে আমাৰ ও পৰামৰ্শ বিচাৰিছে আৰু কাম কৰিম বুলি কৈছে। সেয়েহে মই অনুৰোধ জনাইছো যে যিকেইটা চাব-চেন্টাৰৰ প্ৰয়োজন, আমাৰ যিবিলাক সমষ্টিত Block PHC, বা FRU ৰ  প্ৰয়োজন  তাত যাতে কমেও এখনকৈ দিব পৰা যায় তাৰ বাবে ব্যৱস্থা কৰিব।  মই শেষত আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে ৰোগীসকলক কিছুমান সুবিধা দিয়াৰ কাৰণে আজি আয়ুস্মান কাৰ্ড, আৰোগ্য নিধিৰ ব্যৱস্থা কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, অতি পৰিতাপৰ বিষয় যে বহুত দুখীয়া পৰিয়াল আছে, যিসকলে ৰেচন কাৰ্ড নথকাৰ কাৰণে আয়ুস্মান কাৰ্ডৰ সুবিধাটো ল'ব নোৱাৰে। ৰেচন কাৰ্ডৰ কথা আপুনি জানেই যে এইটো এটা নিয়মৰ মাজেৰে হয়। বহুত দুখীয়া পৰিয়ালে এতিয়াও ৰেচন কাৰ্ড পোৱা নাই। যদি তেওঁলোকক এটা বিকল্প ব্যৱস্থা কৰি SDC ৰ মাধ্যমেৰে যদি তেওঁলোকৰ ঘৰত চাকৰি-বাকৰি নাই, তেতিয়াহ'লে তেওঁলোকৰ এটা ইনকাম চাৰ্টিফিকেটৰ ব্যৱস্থা কৰি, এটা বিকল্প ব্যৱস্থাৰে আমাৰ আয়ুস্মানৰ ব্যৱস্থা কৰি দিয়ে, তেতিয়াহ'লে মই ভাবো বহুত দুখীয়া মানুহ উপকৃত হ'ব। শেষত মই এটা অনুৰোধ জনাম, আমাৰ আগৰ চৰকাৰে দিছিলে, যিখিনি সাধৰণ Surgery হয়, যেনে কিডনী চাৰ্জাৰী, গোলব্লাডাৰ চাৰ্জাৰী, এইখিনি এতিয়াও allow  আছে। এতিয়া কেৱল চৰকাৰী হস্পিতাল বোৰত এই চাৰ্জাৰীবোৰ allow আছে। আমাৰ যিবোৰ কিডনী বেমাৰী আছে, যিবোৰৰ

dialysis কৰিব লাগে, বৰপেটা মেডিকেল কলেজত খৰৰ ল'ব এজন ৰোগীৰ যদি এবাৰ dialysis কৰে তেতিয়াহ'লে next date ৬ মাহ পিছত পায়, ইমান দীঘলীয়া শাৰীৰ লাইনত ৰোগী থাকিব লাগে। আজি সাধাৰণ চাৰ্জাৰীৰ কাৰণে ৬ মাহ দেৰি কৰিবলগীয়া হয়, কাৰণ ইমানখিনি আমাৰ বেকআপ নাই। হস্পিতাল থাকিলেও ডাক্তৰ নাই, বেকআপ নাই। সেয়েহে মই ক'ব বিচাৰিছো যে ৰোগীয়ে যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈ আছে। গতিকে এই ক্ষেত্ৰত বিভাগে কঠোৰ মনিটৰিঙৰ ব্যৱস্থা কৰি যিখিনি উন্নত মানদণ্ডৰ ব্যক্তিগত চিকিৎসালয় চলাই আছে, তেওঁলোকে যাতে কোনো ৰোগীক ঠগি চৰকাৰৰ পৰা বিল ল'ব নোৱাৰে, সেই ব্যৱস্থাটো চৰকাৰে strict কৰক। কিন্তু অলপ উন্নতমানৰ ব্যক্তিগত চিকিৎসালয় যিখিনি dialysis বা সাধাৰণ যিখিনি চাৰ্জাৰী থাকে, সেইখিনি যাতে আয়ুস্মান কাৰ্ডত allow কৰে। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনালো। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**माननीय अध्यक्षः** ঠিক আছে, মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহল, ( মন্ত্ৰী, স্বাস্থ্য পৰিয়াল কল্যাণ ইত্যাদি ):** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই সদস্য সকলক ধন্যবাদ জনাব বিচাৰিছো যে এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত তেখেত সকলে প্ৰস্তাৱ আনি কথাবোৰ কোৱাৰ কাৰণে। স্বাস্থ্য বিষয়টো ৰুলিং পাৰ্টি বা বিৰোধী পাৰ্টিৰ হ'ব নোৱাৰে। প্ৰত্যেকজন নাগৰিকক সময়মতে affordable and quality care দিয়াৰ সংকল্প চৰকাৰৰ আছে। A healthy child learns better, a healthy mother builds a stronger family and healthy workforce builds a stronger Assam. স্বাস্থ্যখণ্ডত investment ৰ যিটো খৰচ হয়, সেইটো খৰচ নহয় বৰঞ্চ অসমত ভৱিষ্যতে কৰা এটা বিনিয়োগ বুলি ক'ব লাগিব। Demand increase কৰি আছে, তাৰ কাৰণটো হ'ল যে চৰকাৰে সুবিধাবোৰ বঢ়াই দিছে। population বাঢ়ি আছে, মানুহৰ longevity বাঢ়ি আছে, আৰু আটাইতকৈ দুখলগা কাৰণ এটা হৈছে যে সমাজত non-communicable disease, যিটো disease মানুহৰ পৰা মানুহৰ

সংক্ৰমণৰে নহয়, মানুহৰ জীৱন শৈলী, খোৱা-বোৱা যেতিয়া বহুত দিনলৈ গণ্ডগোল হৈ বেমাৰবোৰৰ সৃষ্টি হয়। যেনেকৈ BP আৰু diabetes এই বেমাৰবোৰ বহুতৰে হোৱাৰ কাৰণে চিকিৎসালয়ৰ ওপৰত আৰু চিকিৎসকৰ ওপৰত বহুখিনি pressure অহা আৰম্ভ হৈছে। বহু বক্তাই কওঁতে ক'লে যে কোনো ব্যৱস্থা নাই, doctor নাথাকে, ঔষধ নাথাকে। অধ্যক্ষ মহোদয়, আপোনাৰ মাধ্যমৰে মই ক'ব খুজিছোঁ যে ২০২৪-২৫ চনত চৰকাৰী ব্যৱস্থাত OPD হৈছিল, out-patient, অৰ্থাৎ যিবোৰ ৰোগীক চিকিৎসালয়ত ভৰ্তি কৰোৱা নহয়, তেনেকুৱা ৰোগীৰ সংখ্যা আছিল ৪,৩২,৭১,৬৮৩ । চাৰি কোটি ৩২ লাখ মানুহে চৰকাৰী ব্যৱস্থাত আহি চিকিৎসকক লগ কৰিছে। এই সংখ্যা এবছৰৰ পিছত ২০২৫-২৬ ত এই সংখ্যা হ'ল ৪,৬৩,২৬,৯৮৪ অৰ্থাৎ চাৰি কোটি ৬৩ লাখ মানুহে চৰকাৰী ব্যৱস্থাত আহি ডাক্তৰ, চিকিৎসকক লগ কৰিছে, পৰীক্ষা কৰিছে, ঔষধ পাইছে আৰু ব্যৱস্থাই যদি নাই, ডাক্তৰে যদি নাই, ঔষধে যদি নাই, এই চাৰি কোটি ৬৩ লাখ মানুহ কি কৰিবলৈ hospital ত আহে? অসমৰ চিকিৎসা খণ্ডত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এক ডাঙৰ পৰিবৰ্তন ঘটিছে। IPD আমি কৰিছিলোঁ ২০২৪-২৫ বৰ্ষত ১২,৬১,৪১৬ । ২০২৫-২৬ ত ইয়াৰ সংখ্যা বাঢ়ি হৈ গ'ল ১৩,৩০,৫২০। অৰ্থাৎ ৭০ হাজাৰ extra IPD হৈছে, in-patient, অৰ্থাৎ যিবোৰ patient ক আমি হস্পিতালত ভৰ্তি কৰিলো। ২০২৪-২৫ ত চাৰ্জাৰী হৈছিল ৭১,৬৩৫ ২০২৫-২৬ ত surgery হৈছিলে ৯৮৬৬৬ টা। ২৭০০০ বেছি surgery হৈছিল ১ বছৰত। এই কামবোৰৰ জৰিয়তে ৰাইজৰ যে আস্থা আছে সেইটো প্ৰতিফলিত হৈছে। এটা সময়ত ৰাইজৰ আস্থা বিশ্বাস নাছিল। কিন্তু আমাৰ চৰকাৰৰ দিনত ৰাইজৰ যে আস্থা বিশ্বাস আছে চৰকাৰী চিকিৎসাৰ প্ৰতি সেইটো প্ৰমাণিত হল । OPD বাঢ়িছে । যেতিয়া মই surgery বুলি ক'ম ইয়াত কোনো C-Section নাই। যি Cesarean baby হয় এই ১ লাখত সেই Cesarean baby নাই । এই সংখ্যাই প্ৰমাণিত কৰিছে যে চৰকাৰে নিজৰ লক্ষ্যত উপনীত হৈছে । আমাৰ সমস্যা আছে । মই ক'ব খোজা নাই যে চিকিৎসক যিমান লাগে সিমান আছে । কিন্তু চিকিৎসক কোনো কাৰখানাৰ পৰা জন্ম নহয়। চিকিৎসক পোৱা যায় মেডিকেল

কলেজৰ পৰা। আজি আমাৰ হাতত মেডিকেল কলেজত MBBS ৰ আসন আছে ১৮২৫ টা। কিছুমান মেডিকেল কলেজ দুই এবছৰ হৈছে  বা তিনি বছৰ হৈছে, তাৰ পৰা চিকিৎসক ওলোৱা নাই। মেডিকেল কলেজত চাৰি বা চাৰে চাৰি বছৰত চিকিৎসক ওলাই। এতিয়াও আমি ৮৫০ পৰা প্ৰায় ৯০০ চিকিৎসক মেডিকেল কলেজৰ পৰা পাই আছো। আমি কোনো চিকিৎসকক প্ৰশাসনীয় কামত লগোৱা নাই। চিকিৎসা বিভাগৰ বহুত কম পৰিমানৰ চিকিৎসক প্ৰশাসনীয় কামত জড়িত থাকে। আমাৰ PG আসন হল ৭৮৮ টা। লাহে লাহে চিকিৎসাৰ বিষয়টো নতুন ফালে গতি কৰিছে। অসমে চিকিৎসাৰ আন্তঃগাঁথনিত বিনিয়োগ কৰি আছে, মানৱ সম্পদৰ ওপৰত বিনিয়োগ কৰি আছে, চিকিৎসা মহাবিদ্যালয়ৰ জৰিয়তে স্বাস্থ্য শিক্ষাত বিনিয়োগ কৰি আছে, প্ৰযুক্তি বিদ্যাত বিনিয়োগ কৰি আছে, Preventive Health Care ত বিনিয়োগ কৰি আছে আৰু দুখীয়া ৰাইজক বিত্তীয় নিৰাপত্তা দি আছে। পইছাৰ অভাৱত যাতে চিকিৎসা নোহোৱাকৈ থাকি নাযায় তাৰ ওপৰত বিভাগে গুৰুত্ব দি আছে মাননীয় মুখ্যমন্ত্ৰী নেতৃত্বত। উন্নত মানদণ্ডৰ চিকিৎসা ৰাজ্যত প্ৰত্যেক নাগৰিকে পাব লাগে ভৌগলিক সীমা নিৰ্বিচাৰে, Irrespective of Income and Social Background , Quality Health Care is the right of every citizen . As a Government we are determine that we will provide quality Health care to every citizen. ১ হেজাৰ কেন্দ্ৰত ৰোগ নিৰ্ণয়ৰ ব্যৱস্থা চলি আছে। Assam Cancer Care Model গোটেই ভাৰতবৰ্ষত গ্ৰহণ কৰিব লাগে সেইটো আমি কোৱা নাই। যেতিয়া ভাৰত চৰকাৰৰ স্বাস্থ্য বিভাগে আমাৰ মডেলটো কৃতকাৰ্য্য হোৱা দেখিলে তেতিয়া ভাৰতৰ প্ৰত্যেক ৰাজ্যকে কৈছিলে যে অসমলৈ গৈ অসমৰ Cancer Care Model টো চাব লাগে। আৰু এই দৰে প্ৰতেকে নিজৰ ৰাজ্যত কৰা আৰম্ভ কৰিলে। এটা সময় আছিল যেতিয়া অসমৰ নাম শুনিলে মানুহে পিছপৰা ৰাজ্যে বুলি কৈছিল, আৰু বোমা বাৰুদৰ কথা। আমাৰ বৰ্তমানৰ কামখিনিৰ বাবে কৃতিত্ব দিব লাগিব মুখ্যমন্ত্ৰী ডাঙৰীয়াক। যাৰ সপোন ডাঙৰ যি আকাশ চুব ইচ্ছা কৰে সেই মানুহে সমাজ পৰিবৰ্তন কৰিব পাৰে। ২০১৮ চনত বৰ্তমানৰ মুখ্যমন্ত্ৰী

ডাঙৰীয়াই স্বাস্থ্য মন্ত্ৰী আছিলে আৰু তেওঁ TATA ক Convince কৰিলে যে তেওঁলোকে অসমত আহিব লাগে । তাৰ আগলৈকে অসমৰ লগত TATAৰ কোনো সম্পৰ্ক নাছিলো He could convenience the TATA trust to be partner with Government of Assam. সেইদৰে Cancer Care Foundation ৰ জন্ম হয়। এতিয়ালৈ ১৭ খন হস্পিতেল যাৰ ভিতৰত ১২ খন চলি আছে আৰু ৫ খন নিৰ্মাণ হৈ আছে। আপোনালোকে কয় উন্নত মানদণ্ডৰৰ চিকিৎসা লাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সপোন আছিল যে Proton Therapy মেচিন আমি কেন্সাৰ চিকিৎসালয়ত দিব লাগে। এই ক্ষেত্ৰত ৫৫০ কোটি টকাৰো অধিক বাজেট ৰাখি নিবিদাৰ আহ্বান কৰিছে এই মেচিন অনাৰ বাবে। ভাৰত বৰ্ষৰ কোনো ৰাজ্যতে এই মেছিনৰ ব্যৱস্থা নাই। ভাৰত বৰ্ষৰ মাত্ৰ দুটা মেচিন আছে এটা হ'ল Appllo Chennai আৰু এটা হ'ল TATA Cancer Institute Mumbai ত আছে। এই তিনি নং মেচিনটো আমি আনি আছো । One of the best cancer care facility available in Assam. আগতে কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে ৰোগী বাহিৰত যাব লাগিছিল আৰু তাত থাকিব লগা হৈছিল । কাৰণ কেন্সাৰৰ চিকিৎসাটো দীঘলীয়া। এতিয়া অসমৰ প্ৰতিখন জিলাতে কেন্সাৰ চিকিৎসাৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে। কেন্সাৰৰ প্ৰথম পৰ্য্যয়ত ধৰা পেলোৱাটো আমি আৰম্ভ কৰিছো। মহিলা মানুহৰ দুবিধ কেন্সাৰ হয় এবিধ হল Breast cancer আৰু Uterus Cancer হয়।এই বাৰৰ প্ৰথম পৰ্য্যায়ত ধৰা পেলোৱা ব্যৱস্থা কৰা হৈছে। অসমৰ কেন্সাৰৰ survival সংখ্যাটো হৈছে ৬১ শতাংশ আৰু ভাৰতৰ survival সংখ্যাটো হৈছে ৪১ শতাংশ। এটা সময়ত MMR / IMR ২০০৪ চনত আছিলে ৪৮০, ২০১৬ চনৰ হ'ল ২৩৭ । অৰ্থাৎ প্ৰত্যেক ১ লাখ সন্তান জন্ম দিয়া মাতৃৰ ভিতৰত মৃত্যু হৈছিল ২০০৬ চনত ৪৮০ গৰাকী। ২০১৬ চনত এইটো কমি ২৩৭ হ'ল আৰু ৮ বছৰৰ ভিতৰত ২৩৭ কমাই ৮৪ লৈ আনিব পাৰিছো। This is a commitment মাননীয় অধ্যক্ষ মহোদয়। এই যে কম হৈছে, এইটো নিজে নিজে কম হোৱা নহয়। 100 % institutional delivery হ'ব লাগে। সন্মানীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াই কৈ গ'ল যে আশাই (ASHA) একো নকৰে, ঘোষ খাই। ২৮ হাজাৰ আশাকৰ্মী

আছে, দুই জনীয়ে ঘোষ খালে, তাৰ মানে গোটেই বিধান সভাত আশাকৰ্মীক বদনাম কৰিব, এইটো হ'ব নোৱাৰে, মাননীয় অধ্যক্ষ মহোদয়।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (মন্দিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গোটেইখিনিৰ কথা কোৱা নাই। গোটেই খিনি আশাকৰ্মীৰ ওপৰত ভূল বাৰ্তা যাব নালাগে। ইয়াত যিটো প্ৰমান হৈছে, সেইটো কৈছো।

**শ্ৰী অশোক সিংহল, স্বাস্থ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, robust system আছে। It is very robust system, 99 % home delivery হয়, institutional delivery হৈ আছে। ৩ টাত কৈ বেছি AMC হৈ আছে আৰু তাৰ কাৰণে মৃত্যুৰ হাৰটো কমি ২০২৪ চনত ৮৪ হ'ল। national average ৮৭ আছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানি ভাল পাব যে ২০২১ -২৩ চনত ১১০ আছিল, ২০২২-২৪ চনত কমি এইটো ৮৪ হ'ল। ভাৰতবৰ্ষত ২০২১ -২৩ চনত ৮৮, ২০২২-২৪ চনত ৮৭, মাত্ৰ ১ পইন্ট কমিলে। অসমত কমিলে ২৬ পইন্ট। In a spend of three years. তাৰ অৰ্থটো হ'ল, প্ৰয়োজন আছে, তাত ব্যৱস্থাটো ঠিক কৰা হৈছে। ৮৪ ৰো হ'ব নালাগে , মই ক'ব খোজা নাই যে ভাৰতবৰ্ষত তলত আহিলো বুলি বহুত ডাঙৰ হৈ গলো। এজনী মাতৃৰো মৃত্যু হ'ব নালাগে। এজনো শিশুৰ জন্ম দিয়াৰ পিছত মৃত্যু হ'ল নালাগে। এই সংকল্প চৰকাৰৰ আছে। IMR আমাৰ কমিছে, ২০১৬ চনত আছিল ৪৪, আৰু ২০২৪ চনৰ হ'ল ২৯। কিন্তু ২০১৬ চনত ১০ পইন্টৰ পাৰ্থক্য আছিল। এই পাৰ্থক্যটো কমাই কমাই ৫ শতাংশলৈ আনিছো। মই ভাৰো যে ২০২৫-২৬ চনৰ যেতিয়া ফলাফল আহিব, সেই ফলাফলত IMR ৰো ভাৰতবৰ্ষৰ average তকৈ কম থাকিব।

মাননীয় অধ্যক্ষ মহোদয়, Medical Education ৰ ক্ষেত্ৰত অসমত ১৪ খন মেডিকেল চলি আছে, ১০খন Medical College নিৰ্মাণাধীন আছে, আৰু ৪খন Medical College মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নেতৃত্বত বাজেটত ঘোষণা কৰিছে। অৰ্থাৎ, এই ৪খন Medical College-ৰ construction অহা এবছৰৰ ভিতৰত আৰম্ভ হ'ব। অসমৰ প্ৰত্যেকখন জিলাতে Medical College স্থাপনৰ

চিন্তাৰে চৰকাৰে কাম কৰি আছে। চৰকাৰৰ এই চিন্তা আহিল কৰ পৰা? মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া স্বাস্থ্য মন্ত্ৰী থাকোঁতেই এই পৰিকল্পনাটো কৰিছিল। Doctor লাগে, কিন্তু doctor টো একেদিনাই নাহে মাননীয় অধ্যক্ষ মহোদয়। বাহিৰৰ পৰা আমি investment যেনেকৈ মাতি আছো যে আহি factory স্থাপন কৰক, বিনিয়োগ কৰক, তেনেকৈটো বাহিৰৰ পৰা আমি doctor আনিব নোৱাৰোঁ। কিয় আহিব ? নাহিব ইয়াত। তেতিয়াই চিন্তা কৰা হৈছিল যে সমস্যাৰ মূলটো ক'ত , what is the root cause? Root cause-টো হ'ল doctor যদি নাই, doctor লাগে, Doctor ক'ত হ'ব ? Medical College-ত হব। গতিকে Medical College খুলিব লাগে। এখনৰ পিছত এখন Medical College এ আজি প্ৰায় ১৮০০ ৰো অধিক MBBS চিত অসমত আছে। Post graduate seat বিলাকো আমি বৃদ্ধি কৰি আছোঁ। Nursing Education সম্প্ৰসাৰণৰ কৰিবৰ বাবে আৰু বহল ভিত্তিত দিবৰ কাৰণে প্ৰত্যেকখন Medical College ৰ লগত Nursing Institute সমূহো আমি আৰম্ভ কৰি আছোঁ। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়, যিটো মই ভাবো যে আলোচনা হব লাগে, সেইটো হ'ল preventive healthcare। গোটেই স্বাস্থ্য ব্যৱস্থাটো hospital কেন্দ্ৰিক হ'ব নোৱাৰে। Health care merely cannot depend on hospitals alone. সেইকাৰণে we are moving from sick care to healthcare। বেমাৰ আৰু বেমাৰীৰ আলোচনাৰ পৰিবৰ্তে স্বাস্থ্য কেনেকৈ ভাল ৰাখিব পাৰি, আৰু স্বাস্থ্য ভাল ৰখাৰ বাবে চৰকাৰে কি ব্যৱস্থা ল'ব লাগে বা কৰিব পাৰে, তাৰ কাৰণে চৰকাৰে কাম কৰা আৰম্ভ কৰিছে। উদাহৰণস্বৰূপে মই কব খুজিছোঁ, Ayushman Arogya Mandir, Aaram Health Mela, SNEHA Sparsha, NCD Screening আদি, NCD চৰকাৰে স্ক্ৰিনিং কৰি আছে। ৩০ বছৰ অতিক্ৰম হোৱা জনসংখ্যাৰ ভিতৰত তীব্ৰগতিত Diabetes আৰু High Blood Pressure ৰ সমস্যাবোৰ বাঢ়ি বাঢ়ি গৈ আছে। They are all potential patients. প্ৰায় ১৬ শতাংশ লোকৰ ১৮-High Blood Pressure, Diabetes ওলাই আছে । এইটো যদি আমি ধৰিব নোৱাৰোঁ, এইটো যদি ঠিক কৰিব নোৱাৰোঁ, ইযাক যদি address কৰিব নোৱাৰো, তেন্তে doctor সদায় কম

হৈ থাকিব,  hospital সদায় কম হৈ থাকিব। চৰকাৰৰ আৰু এটা  চিন্তা আছে, চিকিৎসাৰ চাহিদাই পৰিয়ালক আৰ্থিকভাৱে জুৰুলা কৰিব নালাগে। Healthcare should never push families into poverty. আৰু তাৰ কাৰণে বিশ্বৰ আটাইতকৈ ডাঙৰ health insurance scheme ভাৰতীয় জনতা পাৰ্টি চৰকাৰৰ দিনত মাননীয় প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াৰ নেতৃত্বত ভাৰতবৰ্ষত আৰম্ভ কৰা হল Pradhan Mantri Jan Arogya Yojana, যিটো যোজনাৰ অধীনত প্ৰতিটো পৰিয়ালে ৫ লাখ  টকাৰ চিকিৎসা প্ৰতি বছৰ  cashless system  ত কৰিব পাৰে। এই ব্যৱস্থাৰ জৰিয়তে আজি লাখ লাখ মানুহে এই সুবিধা লৈ আহিছে। আগতে Cancer হ'লে মানুহে ঘৰমাটি বিক্ৰী হৈছিলে-, গহনা বন্ধকত গৈছিলে আৰু সকলো কৰাৰ পিছতো চিকিৎসা কৰিব পৰা নাছিল। আমি মাননীয় প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব যে তেওঁ এই ডাঙৰ আঁচনি তেখেতে ভাৰতবৰ্ষৰ লগতে অসমকো দিলে। এই criteria  ত ৪০শ মানুহ এই শতাং ৪৫ - আঁচনিৰ অধীনত আছিল। ধন্যবাদ দিব লাগিব মুখ্যমন্ত্ৰী ডাঙৰীয়াক। যেতিয়া কোৱা গল, একেৰাহে তেখেতে কলে যিমানক কেন্দ্ৰীয় চৰকাৰে দিব আৰু যিখিনি অসমৰ দুখীয়া মানুহ বাচি থাকিব,  তেওঁলোকক Mukhyamantri Jan Arogya Yojana ৰ অধীনত চিকিৎসাৰ সুবিধা দিয়া হ'ব। প্ৰত্যেকজন পৰিয়াল, যাৰ হাতত Ration Card আছে, সেই পৰিয়ালেও এই সুবিধাটো পাব। অসমৰ প্ৰায় ৮৫ শতাংশ মানুহ এই সুবিধাটো পাই আছে।ICU ৰ কথাও ওলাইছে, COVID ৰ সময়ত আমি ICU আমি নিৰ্মাণ কৰিছিলোঁ ঠিকেই, কিন্তু সেই সময়ত ICU ৰ উদ্দেশ্যটো বেলেগ আছিল। আজি এখন Hospital ত যদি ICU ৰাখিব লাগে, Medicine doctor, Anaesthesiologist, Advanced-trained Nurses, ANM, GNM এই সকলো যিটো হাৰত লাগে, সেইটো হাৰত নাই, মাননীয় অধ্যক্ষ মহোদয়। কিন্তু তথাপিও মই ক'ব খুজিছোঁ যে অসমত আজি মোৰ হাতত দুটা তথ্য আহিছে Medical Collegeত 2,800 Doctor আছে, Director of Health Services আৰু NHM যদি আমি মিলাই দিওঁ, 4,000ৰ অধিক Doctor আছে। আৰু এই Doctor সকলক আমি নিয়োগ কৰিছোঁ। অধ্যক্ষ মহোদয়, প্ৰত্যেক

জিলাৰ পৰা বিধায়কসকলক মাতি জিলাৰ পৰিস্থিতি আমি কি কৰিব পাৰোঁ, তেখেতসকলে কি বিচাৰে, তাৰ মাজত কেনেকৈ সামঞ্জস্য হ'ব পাৰে, নতুন Scheme আমি কি লৈ আছোঁ, মই দীঘলীয়া আলোচনা প্ৰত্যেকটো জিলাৰ বিধায়কসকলৰ লগত কৰি আছোঁ। যিদিনা বৰপেটাৰ  আছিল, সেইদিনা মাননীয় সদস্য Sherman Ali ডাঙৰীয়া আহিব পৰা নাই, কিবা বেলেগ কাৰণত হয়তো। কিন্তু পিছতো কেতিয়াবা তেখেত যদি মোৰ তাত আহি গোটেইটো বুজাই দিয়ে, মই বুজি লম। কিবা Indian Standardৰ কথা কৈছে যে কিমান Populationত কিমান Doctor থাকিব লাগে। 1,000 মানুহৰ ওপৰত 1 জন Doctor থাকিব লাগে। আৰে আমিতো 500 জনৰ ওপৰত 1 জন Doctor দিবলৈ সাজু আছোঁ, কিন্তু Doctorতো থাকিব লাগিব। জনসংখ্যা যিমান Speedত বাঢ়ে, Doctorৰ সংখ্যা সিমান Speedত নাবাঢ়ে। কিন্তু মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি 10 বছৰ আগত যিটো কাম আৰম্ভ কৰিলে, Medical College খোলা, এখন Medical College ৰ পৰা 5 বছৰ পিছত Doctor ওলায়। সেই Doctorবোৰক আমি দিম। কিন্তু শতকৰা ৪০ জন Doctor, কম বেছি 40 জন Average বুলি কৈছোঁ, প্ৰত্যেকজন বিধায়কৰ সমষ্টিত আমি দিবলৈ সক্ষম হ'ম। এই Planning লৈ মই কাম কৰি আছোঁ আৰু 15 Augustৰ ভিতৰতে আপোনালোকে এই Announcementটো আৰু আপোনালোক প্ৰত্যেকজন বিধায়কক মই Individually Detail দিম যে কোনজন Doctor আছে, ANM, GNM, Name, Phone Numberসহ আপোনালোকৰ সমষ্টিত Posting হৈ থাকিব। তেখেতসকলৰ Detail আপোনালোকৰ হাতত দিম। MRIৰ কথা ওলাইছে। এটা সময়ত মাত্ৰ 6 খন Hospitalতেই MRI আছিল। যোৱা বছৰ আমি 3 টা Medical Collegeত, Nalbariত, Dhubri, Tinsukiaত আৰম্ভ কৰিলোঁ আৰু এই বছৰ 5 টা Centreত আৰু MRI সুবিধাটো আৰম্ভ হ'ব। Medicineৰ কথা ওলাইছে যে Medicine নাথাকে, Medicine নাথাকে। গুৰুত্ব সহকাৰে দুই তিনিটা কথা কৈ দিব খুজিছোঁ। অধ্যক্ষ মহোদয়, Medicine কোনটো ৰাখিব লাগিব সেইটোতো মন্ত্ৰীয়ে ঠিক কৰিব নোৱাৰে। সেইটো Doctorৰহে কাম। আৰু সকলো Doctor

য়ে নোৱাৰে। Cancer Specialist য়ে Cancerৰ কোনটো Medicine লাগিব বুলি ক'ব, Cardio Doctor য়ে Cardioৰ কোনটো ঔষধ লাগিব বুলি ক'ব, Medicine Doctor য়ে Medicineৰ কোনটো লাগিব তাৰ বিষয়ে ক'ব। আৰু তেনেকুৱা EDL ত আমি Medicineবোৰ Decide কৰিম। Medical Collegeৰ Expert আছে, Medical Collegeৰ Committee আছে। MRD এটা Committee পাতে। প্ৰত্যেক বছৰত পাতে। EDLৰ List বনোৱা হয়। EDL, অৰ্থাৎ Essential Drug List, জৰুৰী ঔষধৰ সূচী। আৰু EDL প্ৰত্যেক বছৰ আগ-পিছ হৈ থাকে। কেতিয়াবা 2 টা সোমায়, 2 টা ওলাই যায়, কেতিয়াবা 5 টা সোমায়, 1 টাও নোলায়। প্ৰত্যেক বছৰ আমি Review কৰোঁ এই EDL List. আৰু EDL Listত ধৰা আছে যে Sub Centreত কোনকেইটা Medicine থাকিব, PHCত কোনটো Medicine থাকিব, CHCত কোনটো Medicine থাকিব, District Hospitalত কোনটো Medicine থাকিব। District Hospitalত যিটো Medicine আছে, সেইটোতো Sub Centreত ৰাখি লাভ নাই। District Hospitalত যিটো Patient আহিব আৰু যিজন Doctor বহি আছে, সেই Doctorজনে এইটো Medicine Prescribe কৰিব পাৰে। Medical Collegeৰ সূচী আৰু দীঘলীয়া আছে। যে Medical Collegeত কেইবিধ Medicine আমি পাওঁ। Medicine নাপায়, Medicine নাপায় বুলি এটা ভুল ধাৰণা বিধানসভাৰ মজিয়াৰ পৰা যাব নালাগে। মই স্বাস্থ্য মন্ত্ৰী হিচাপে কৈছোঁ, District Hospital, Medical Collegeত 99% ঔষধ Available আছে at any given point of time. যোৱাকালি মই Sivasagar আৰু Charaideo জিলা ভ্ৰমণ কৰি আহিলোঁ। প্ৰত্যেকটো Campত Rescue কৰি মানুহখিনিৰ কাৰণে Relief দি আছে। প্ৰত্যেকটো Campত 2 জনকৈ Doctor ৰাতিপুৱাৰ পৰা গধূলীলৈ স্বাস্থ্য পৰীক্ষা কৰি আছে, Medicine দি আছে। Medicine আছে নে নাই মই সোধোঁতে, একদম 100% Stock আছে। So, Health is a collective responsibility. Health অকল স্বাস্থ্য বিভাগৰ Responsibility নহয়। Health is a collective responsibility. Healthৰ বাবে ৰাইজৰ সহযোগ লাগিব, ৰাইজৰ লগত আমাৰ সম্পৰ্ক থাকিব লাগিব। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যিটো কয়, Public Participation

"Jan Bhagidari",  এই Jan Bhagidariটো হ'ব লাগিব ইয়াত। আজি বহু ধৰণৰ Digital Initiative আমি লৈছোঁ। এই Digital Initiativeৰ ভিতৰত আপোনাৰ ABHA ID Create কৰা, UWIN Create কৰা, Online Registration আৰু বিভাগে চিন্তা কৰি আছে, আলোচনা কৰি আছে যে Hospitalত গৈ Appointment নহয়, ঘৰত বহি Online Appointment কেনেকৈ ল'ব পাৰে। অকল Medical Collegeতেই নহয়, District Hospital, CHC, PHCলৈ লাহে লাহে আমি লৈ যাম। 100% Digital Intervention কৰাৰ কাৰণে বিভাগ সংকল্পবদ্ধ আছে। কিন্তু অসমত Healthcare চলোৱা, Hospital চলোৱাটো এটা প্ৰত্যাহ্বান। কাৰণ এফালে পাহাৰীয়া জিলা আছে, তাত মানুহ সিচঁৰিত হৈ আছে। আনফালে চৰ-চাপৰি আছে, য'ত নাওৰ বাহিৰে বেলেগ বিকল্প নাই। আনফালে পাহাৰীয়া জিলা আছে, যে তাত কিমান Hospital বনাব আপুনি? মানুহ বহুত সিচঁৰিত হৈ থাকে। এইবাৰ বিভাগে সিদ্ধান্ত লৈছে, পাহাৰীয়া জিলাত Mobile Medical Unit Extra কৈ আমি দিম আৰু প্ৰত্যেকদিন ধাৰ্য কৰি দিম যে এই গাঁৱত, অমুকবাৰ এই গাঁৱত যাব, অমুক দিনা এই গাঁৱত যাব, তেতিয়া চিকিৎসাটো গাঁৱৰ মানুহে নিজৰ গাঁৱতেই উপলব্ধ হ'ব। Handheld X-ray অনা হৈছে। ডাঙৰ X-rayটো লৈ যাব নোৱাৰি, কিন্তু Handheld X-ray, TBৰ কাৰণে প্ৰয়োগ হয়  আৰু বেলেগ ব্যৱস্থাও আমি কৰি আছোঁ। আনফালে চৰ-চাপৰি আছে, আমাৰ স্বাস্থ্য কৰ্মী যায় অধ্যক্ষ মহোদয় । চৰকাৰৰ যিটো টিকাকৰণ কাৰ্যক্ৰম, 12 বিধ Vaccine দিয়া হয়, Injection দিয়া হয় জন্মৰ পৰা। তাত কাকো আমি বাদ নিদিওঁ। প্ৰত্যেক ৭ দিনত Review হয় যে কিমান Baby জন্ম হ'ল, কাৰ কাৰ Immunization হ'ল, কোন বাদ পৰিল, কিয় বাদ পৰিল। So, আমি প্ৰত্যেকজন ব্যক্তিৰ যাৰ প্ৰয়োজন আছে, তাৰ ওচৰ চাপিবলৈ চেষ্টা কৰি আছোঁ । অধ্যক্ষ মহোদয়, প্ৰায় ২০২৫-২৬ ত আমাৰ বিনামূলীয়া ঔষধ দিয়াৰ Budget আছিল ৪৫০ কোটি। আৰু Supply Chainটো বহুত মজবুত কৰা হৈছে। অধ্যক্ষ মহোদয়, এতিয়া সমস্যাবোৰ বহুখিনি কমিছে বুলি আপোনাৰ মাধ্যমেদি ক'ব খুজিছোঁ। অধ্যক্ষ মহোদয়, জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই CDC Hospital বনাব লাগে, CHCত Doctor

দিব লাগে, PHCতে Doctor দিব লাগে। Doctor আমি দিম। আমাৰ চিন্তাটো হ'ল, য'ত য'ত উপলব্ধ হ'ব আৰু য'ত প্ৰয়োজন হ'ব, C Section প্ৰতিটো সমষ্টিত আমি আৰম্ভ কৰিব পাৰোঁ নেকি, এই চিন্তাৰে আমি কাম কৰি আছোঁ। আপোনাৰ CHC আছে, PHC আছে। য'ত য'ত আপোনালোকে ক'ব, 4 টা 5 টা Centreত আমি Extra কৈ Doctor দি দিব পাৰিম, য'ত নেকি 24 ঘণ্টা আপোনালোকে এজন Doctor সেই Hospitalত ৰাখিব পাৰিব। সমষ্টিত এটা C-Section যদি চলি আছে আৰু 2 খন বা 3 খন Hospitalত 24 ঘণ্টা যদি Doctor থাকে, মই ভাবোঁ যে ডাঙৰ এটা সমস্যা আমি এই অহা 3 মাহতে সমাধান কৰি দিব পাৰিম। আপুনি ক'লে যে চাব-চেন্টাৰবোৰ খুলিব লাগে। চাব- চেন্টাৰ কম আছে, প্ৰাইমেৰী হেল্থ চেন্টাৰ কম আছে। কম হোৱা নাই, আপুনি জনসংখ্যা অনুপাতত ভাগ কৰি  দিলে যে ইমান জনসংখ্যা, ইয়াত ইমান টা হ'লে ইমান টা লাগে। কিন্তু আপুনি পাহৰি গ'ল যে য'ত চাব-চেন্টাৰ আছে, য'ত কমিউনিটি হেল্থ চেন্টাৰ আছে,তাত পি. এইচ. চি. নালাগে নহয়, তাত চাব-চেন্টাৰ নালাগে নহয়  আৰু মই নাভাবো যে বহুত কিবা প্ৰয়োজন আছে, আছে যদি আমি দিম। কিন্তু আমি amalgamation কৰাৰ চিন্তাত আছো যে একেটা ঠাইত প্ৰথম চাব-চেন্টাৰ খুলিছিল আৰু তাৰ পাছত সেই মাটিতে চি এইছ চি খুলিলে, পি. এইছ. চি. খুলিলে, পি.এইছ. চি. ক প্ৰাইমাৰী হেল্থ চেন্টাৰক expand কৰি Community Health Centre খোলা হ'ল, এতিয়া তিনিটাই চলি আছে। সেইটো amalgamation কৰিব লাগিব। post বোৰ কমাব লাগিব, য'ত প্ৰয়োজন আছে, তাত দিব লাগিব। ICU দিয়াৰ ব্যৱস্থা আমি কৰি আছো। প্ৰয়োজন সাপেক্ষে মেডিকেল কলেজত ICU আছে, ক'ৰবাত District Hospital ত ক'ৰবাত প্ৰয়োজন আছে isolated District আছে,তাত আমি দিয়াৰ ব্যৱস্থা কৰিম। MRI, C T Scan প্ৰয়োজন সাপেক্ষে চলি আছে। পেচমেকাৰৰ ক্ষেত্ৰত আপুনি ক'লে যে নিম্নমানৰ পেচমেকাৰ দিয়া হয়। অমৃত ফাৰ্মাচীৰ মাধ্যমত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোঁজনা, মুখ্যমন্ত্ৰী জন আৰোগ্য যোঁজনাত যিটো পেচমেকাৰ দিয়া হয় সেইটো tested, proven,  কিন্তু কোনোবা দালালে যদি patient ক বুজাই যে এই পেচমেকাৰ নলগাব, কাম

নিদিয়ে আৰু তেওঁক ২ লাখ টকাৰ পেছমেকাৰ দিব খোজে, তেওঁলোকে যদি ল'ব খোজে তাতটো বিভাগে বাধা দিব নোৱাৰে। কিন্তু জন আৰোগ্য যোঁজনা, অমৃত ফাৰ্মাচীত যিটো পেচমেকাৰ পাই আছে, proven পেচমেকাৰ testedপেচমেকাৰ আৰু কোনো complain বিভাগে এতিয়ালৈকে পোৱা নাই। ঔষধৰ কথা আপুনি ক'লে যে ক'ৰবাত ১৩ শ টকা লয় পেৰাচিতামলত ক'ৰবাত ৭ শ টকা লয়, এই বিষয়টো মই বিভাগক তদন্ত কৰিবলৈ দিম। ইমানটো difference হ'ব নালাগে, ঔষধৰ branding ৰ নামত পইচা অলপ বেছিকৈ লয়। কিন্তু পেচেন্টক ক'ব লাগে যে কিয় মেডিচিন বাহিৰৰ পৰা ল'ব লাগে। চৰকাৰী ব্যৱস্থাত মেডিচিন উপলব্ধ আছে, পেৰাচিটামল যদি ল'ব লাগে ডাক্তৰক দেখাব লাগে, ডাক্তৰে লিখি দিব, বিনা পইচাৰে মেডিচিন পাব। ১৩ শ টকাৰ মেডিচিন কিয় ল'ব লাগে ? কোনোবা ধনী মানুহে যদি ১৩ শ টকাৰ মেডিচিন কিনিব খোজে, লওঁক আমাৰ টো ক'ব লগা একো নাই। তেনেকৈ আপুনি আৰু ক'লে যে কেবিনট cost OPD ত, ওৱাৰ্ডত, ল'লে cost extra এইটো প্ৰাইভেট হস্পিতালত ধনী মানুহে যদি চুটত থাকি ২০ হাজাৰ টকা দি ভাল পায় তাতটো বিভাগৰ ক'ব লগা একো নাই। তেনেকে দুখীয়া মানুহকটো তেনেকে চাৰ্জ কৰিব নোৱাৰিব। এতিয়া টো চৰকাৰে train যিটো চলাইছে , flight যিটো চলাইছে, train ত general class আছে, second class AC আছে, third class AC আছে, First Class AC আছে, 4 টা Category আছে। এতিয়া general class ত যিয়ে যায়, বা second class AC ত যি জনে যায়, ইয়াৰ পৰা দিল্লী যায় ট্ৰেইনত, General Classত যোৱা মানুহ আৰু First Class AC ত যোৱা মানুহ একেলগে গৈ পাব তাত। এইটো নহয় যে First Class AC ত বহি থকাজন আগতীয়াকৈ পাব আৰু general Class ত থকাটো পিছত পাব। ট্ৰেইন এখন একে সময়ত যাব কিন্তু যাৰ পইচা বেছি, যিয়ে facility বেছি বিচাৰে সি First Class AC ত যাব। চৰকাৰী ব্যৱস্থাত দুখীয়া যদি কোনোবা আছে, সি এচি থ্ৰী টায়াৰত যাব। কিন্তু ট্ৰেইনখন টো একে সময়ত যায়,তথাপিও টো মানুহ First Class AC ত যায়। তেনেকুৱা কথা নাই, শ্বেৰমান আলি আহমেদ ডাঙৰীয়াইও ক'লে যে Aspirational District,

Aspirational Block, তাৰ পাছত তেখেতে মন্দিয়া ব্লকটো re-organize কৰাৰ কথা কৈছে , চাব-চেন্টাৰ লাগে, CHE ত ডেলিভাৰী হ'ব লাগে, ডায়েতৰ  কথা ক'লে, আশাৰ কথা ক'লে District হস্পিতাল ২৪ ঘন্টা চলিব লাগে। এই গোটেই বিষয়বোৰ, মই বুজি পাইছো আৰু অনাগত দিনবোৰত সময় আৰু বাজেট যেনেকৈ মিলিব আৰু ডাক্তৰৰ সংখ্যা যেনেকৈ মিলিব তেনেকৈ  আমি কাম কৰি যাম। নুৰুল হুদা ডাঙৰীয়াই কেঞ্চাৰৰ Advance Treatment, Dialysis ইয়াৰ কথা ক'লে, মই গোটেই কথাটো বুজাই দিলো। নগাঁৱত cardiology আৰু neurology নাই বুলি ক'লে। একেদিনাই নহয় নুৰুল হুদা ডাঙৰীয়া cardiology, neurology হ'বলৈ' হ'লে বয়স হ'ব লাগিব। মোৰ জনামতে শিলচৰতো cardiology, neurology নাই বোধহয় । neurology এইকেইদিনত হৈছে। যোৱা কাৰ্য্যকালত মই guardian Minister আছিলো, তেতিয়া neurology full fledged বিভাগ হোৱা নাছিল। কলিকতাৰ পৰা এজন ডাক্তৰ কেবিনেটে অনুমোদন লৈ appoint কৰি আমি neurology টো চলাইছিলো, আৰু হলে মই খুব ভাল পাওঁ। অসমৰ 14 খন মেডিকেল কলেজত যদি neurology, cardiology কৰিব পাৰো, মোতকৈ আৰু সুখী মানুহ নহ'ব। মোৰ জীৱনত এটা উপলব্ধি থাকি যাব। কিন্তু মই ভাবিলে নহ'ব। Cardiology চলাবৰ কাৰণে, সেইটো Super specialty Department, Cardiology পঢ়ি কিমান ল'ৰা- ছোৱালী ওলায় ? আৰু তাৰ পাছত আকৌ Super specialty, কিবা Robotic intervention ৰ training ল'বলৈ  বাহিৰত যায় , এই বিলাক বহুত highly qualified, highly precision ৰ কাম। Cardiology লাগে বুলি cardiology দিব নোৱাৰি। এইটো বেজী দিয়া কাম নহয় নহয়। এই বিভাগত পঢ়াবৰ কাৰণে professor লাগিব, Head of the Department লাগিব। Asstt. Professor লাগিব। Registrar লাগিব । NMC ক ক'ব লাগিব যে আমি Professor ৫জন পালো। ৫ জন cardiology ভাল জনা অভিজ্ঞ ব্যক্তি আমি যেতিয়া পাম, যাৰ ২০ বছৰ অভিজ্ঞতা আছে HOD হোৱাৰ কাৰণে, Professor হোৱাৰ কাৰণে ২০ বছৰৰ  অভিজ্ঞতা লাগে, ২০ বছৰৰ অভিজ্ঞতা থকা cardiologist কেইজন আছে ? তেতিয়াহে cardiology বিভাগটো আৰম্ভ হয়। মই বিচাৰিলো, আপুনি

বিচাৰিলে cardiology আৰম্ভ নহয়। দৰ্খাস্ত দিব লাগিব NMC ৰ inspection আহিব। Inspection ত চাব ২০ বছৰ experience আছে, সুধিব আপুনি থাকিবনে ইয়াত ? Declaration দিব, Under-taking দিব যে মই থাকিম। Assistant Professore ইমান বছৰ অভিজ্ঞতা লাগে। ক'ত কাম কৰিছিল চাব। Registrar ইমান বছৰ অভিজ্ঞতা লাগে। চাৰিটা যেতিয়া মিলিব তেতিয়া আকৌ Inspection ৰ পাছত go-ahead দিব। তিনিটা নে চাৰিটা আমি পঢ়াবলৈ পাম, তিনিবছৰ লগিব । মাননীয় অধ্যক্ষ মহোদয়,চেষ্টা কৰা যায়, আজিৰ দিনত চৰকাৰৰ তাত পইচাৰ অভাৱ নাই, সদিচ্ছাৰ অভাৱ নাই। কিন্তু তৎস্বত্তেও বিচাৰিলেই কৰিব নোৱাৰে, চৰকাৰৰ এটা ব্যৱস্থা আছে। কাইলৈ যদি মই কওঁ neurologist ক মই ১০ লাখ টকা দি আনিম, neurology, Head of the Department হ'ব। ২০ বছৰৰ অভিজ্ঞতা থকা মানুহ মই বাহিৰৰ পৰা লৈ আহিম, তেনেকুৱাটো ব্যৱস্থা চৰকাৰৰ নাই। এজন ডাক্তৰক মই ৩ লাখ দিম, Head of the Department ক , আৰু এজনক মই ১০ লাখ দিম। লাহে লাহে হৈ আছে, আহি আছে, হৈ গৈ আছে এটা সময়ত হ'ব। ময়ো বিচাৰিছো হোৱাটো। কিন্তু মোৰ আৰু আপোনাৰ হাতত নাই। যেতিয়ালৈকে এইটো নাপাম তেতিয়ালৈকে এইটো ন'হব। চেঙাৰ বিধায়ক ডাঙৰীয়াইয়ো কথা বিলাক ক'লে প্ৰত্যেকতো কথাক আমি অনুধাৱন কৰিছো, আৰু আগবঢ়াই লৈ যাম। এটা ভাল খবৰ হয়তো আমি পাব পাৰো আমি লাগি আছো, All India Institute of Ayurveda অসমত আনিবৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো চেষ্টা কৰি আছে। তিনিখন হ'ব গোটেই ভাৰতবৰ্ষত। হয়তো এখন পাবলৈ আমি সক্ষম হ'ব পাৰো। আমি চেষ্টা কৰি আছো বহুত criteria আছে, আৰু মই ভাবো প্ৰাইভেট হস্পিতালৰ ক্ষেত্ৰত ভাৰত চৰকাৰে CGHS rate আৰু PMJAY package ৰ rate নিৰ্ধাৰণ কৰি দিছে, কোনোবাই যদি treatment কৰায় আৰু সেই treatment যদি PMJAY ৰ অধীনত হয়, এই package ৰ ৰেটৰ ভিতৰতে হ'ব লাগিব। package ৰ rate ৰ ওপৰত এই treatment টো কৰিব নোৱাৰে। ৰাজ্য চৰকাৰৰ PMJAY আৰু MMJAY যিটো আছে তাৰ approve package rate আছে, এই package rate তে কৰিব লাগিব। কি কি package

rate আছে public আৰু private ত সেইটো display ত আছে portal ত আপোনালোকে চাব পাৰে। মেডিকেল কলেজবোৰেও এইটোৱে follow কৰে আৰু সদৌ শেষত অধ্যক্ষ মহোদয়, মই আপোনাৰ মাধ্যমত স্বাস্থ্য বিভাগৰ লগত প্ৰত্যেক্ষভাৱে জড়িত সেই সমস্যাটো আপোনাক ক'ব বিচাৰিছো। হাস্পিতাল বনাওঁতে আমি কংক্ৰিটেৰে বনাওঁ, টকা পইচা থাকিলে আমি হাস্পিতাল বনাব পাৰো কিন্তু Health care দিবলৈ মানৱ সম্পদৰ প্ৰয়োজন। মানৱ সম্পদ ভালে থাকিলে এই কামটো হ'ব পাৰে। And today I place on record my sincere appreciation for all the Doctos, Nurses, ANM, Asha worker , Laboratory technician, pharmacist, Ambulence person, Sanitary worker, support staff আৰু এই সকলৰ বাবে আজি স্বাস্থ্য সেৱাটো ভাল হৈছে। মই প্ৰত্যেকজন ডাক্টৰ, নাৰ্ছ, ANM, GNM, Asha worker, Laboratory technician, pharmacist, Ambulence person, Sanitation কামৰ লগত জড়িত আৰু support staff তেখেতসকলক মই ধন্যবাদ দিব বিচাৰিছো, শলাগ ল'ব খুজিছো যে তেখেত সকলে প্ৰত্যেকটো চেলেঞ্জ স্বীকাৰ কৰি, স্বাস্থ্যখণ্ডটো উন্নত কৰি আছে, ভাল কৰি আছে আৰু লগতে আপোনালোকে দিয়া যিখিনি suggestion আছে, advice আছে, পৰামৰ্শ আছে তাক মই গ্ৰহণ কৰিছো। Specialist ৰ যিটো shortage আছে অহা দিনবোৰত কেনেকৈ পূৰণ কৰিব পাৰি তাৰ ব্যৱস্থা আমি কৰিম, patient load বাঢ়ি আছে তাৰ কাৰণেও কেনেকৈ চিকিৎসা ব্যৱস্থাটো বিভিন্ন হস্পিতালত আৰম্ভ কৰি অলপ মেডিকেল কলেজৰ প্ৰেছাৰটো আমি কম কৰিব পাৰো, মেডিকেল কলেজক কেনেকৈ আমি referral hospital ত পৰিণত কৰিব পাৰো, ICU capasity টো আমি বঢ়াম, strong Dingnosis ৰো চিন্তা আমাৰ হাতত আছে, We will do it and ইয়াৰ মাধ্যমত এটা ভাল হ'ব, আমাৰ চিন্তাটো হ'ল যে অকল হস্পিতাল বনোৱা য়ে নহয়, আমাৰ মাতৃ স্বাস্থ্যৱান হ'ব লাগে, আমাৰ শিশু স্বাস্থ্যৱান হ'ব লাগে, Dingnosis early হ'ব লাগে, timely treatment হ'ব লাগে, affordable health care হ'ব লাগে, ভাল চিকিৎসাৰ পিছত ৰোগীয়ে ভাল এটা অনুভৱ পাব লাগে, চিকিৎসাৰ অনুভৱটো খুব ভাল থাকিব লাগে, আৰু

out of pocket expenses টো যিমান পাৰে আমি কমাই লৈ যোৱা চেষ্টা কৰি আছো, ইয়াৰ বাবে District hospital আৰু মেডিকেল কলেজক আৰু মজবুত কৰা হ'ব, পেৰিফেৰিয়েলত থকা হস্পিতালবোৰতো C-section আৰু 24 hour ডাক্টৰ ৰখাৰ ব্যৱস্থা আহে একমাহৰ ভিতৰত আমি য'ত য'ত সম্ভৱ হ'ব আমি কৰিম, কিন্তু health care একে দিনে হৈ যোৱা subject নহয়, কিছু সময় লাগিব আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এই যাত্ৰাটো এক গৌৰৱময় যাত্ৰা, এই যাত্ৰাত বহুতখিনি সহায় সহযোগ সকলে দিলে, কিন্তু স্বাস্থ্যকৰ্মী ডাক্টৰ নাৰ্ছৰ প্ৰতি নিজৰ গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰি আগন্তুক দিনত স্বাস্থ্য বিভাগ আৰু উন্নত মানদণ্ডৰ ব্যৱস্থা কৰিব, এই আশ্বাসন আপোনাৰ মাধ্যমত দি নিজৰ বক্তব্যটো মই শেষ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৫, মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই ''The Assam Land and Revenue Regulation (Amendment) Bill, 2026'' বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ 'The Assam Land and Revenue Regulation (Amendment) Bill, 2026'' সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যি সকলে সপক্ষে আছে কওক 'হয়'

যি সকলে বিপক্ষে আছে কওক 'নহয়',

মই ভাবো 'হয়'ৰ সাপেক্ষে

'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীগৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ 'The Assam Land and Revenue Regulation (Amendment) Bill, 2026'' **সদনত উত্থাপন** কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৬, মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2026" বিধেয়কখন উত্থাপন কৰিবলৈ সদনত অনুমতি বিচাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই সন্মানীয় মন্ত্ৰী শ্ৰী  কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে?

যি সকলে সপক্ষে আছে কওক 'হয়'

যি সকলে বিপক্ষে আছে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীগৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2026" খন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৭, মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই "The Registration (Assam Amendment) Bill, 2026" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ "The Registration (Assam Amendment) Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ?

যি সকলে সপক্ষে আছে কওক 'হয়'

যি সকলে বিপক্ষে আছে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীগৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ "The Registration (Assam Amendment) Bill, 2026" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৮, মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই "The Indian Stamp (Assam Amendment) Bill, 2026" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ "The Indian Stamp (Assam Amendment) Bill, 2026" সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছেনে ?

যি সকলে সপক্ষে আছে কওক 'হয়'

যি সকলে বিপক্ষে আছে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে

'হয়'ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰীগৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, ( সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** সন্মানীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে মই মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ "The Indian Stamp (Assam Amendment) Bill, 2026" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৯, এটা ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল—

Under the provision of article 207 (3) of the Constitution of India I Shri Lakshman Prasad Acharya, Governor of Assam recommended that The Assam Goods and Services Tax (Amendment) Bill, 2026" be taken into consideration in the House Legislative Assembly.

এতিয়া মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, ( বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Goods and Services Tax (Amendment) Bill, 2026” বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া The Assam Goods and Services Tax (Amendment) Bill, 2026” বিবেচনাৰ বাবে লোৱা হওক

যি সকলে সপক্ষে আছে কওক ‘হয়’

যি সকলে বিপক্ষে আছে কওক ‘নহয়’

মই ভাবো ‘হয়’ৰ সাপেক্ষে ‘হয়’ৰ সাপেক্ষে

‘হয়’ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ’ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ’ব।

দফা নং ২, ৩ আৰু ৪ সংশোধনী প্ৰস্তাৱ নাই।

দফা নং ২,৩ আৰু ৪ বিধেয়কখনৰ অংশ হ’ব।

যি সকলে সপক্ষে আছে কওক ‘হয়’

যি সকলে বিপক্ষে আছে কওক ‘নহয়’

মই ভাবো ‘হয়’ৰ সপেক্ষে ‘হয়’ৰ সপেক্ষে

‘হয়’ৰ সপেক্ষে দফা নং ২, ৩ আৰু ৪ বিধেয়কখন অংশ হ’ল।

এতিয়া দফা নং ১ অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু শীৰ্ষ দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ’ব।

যি সকলে সপক্ষে আছে কওক ‘হয়’

যি সকলে বিপক্ষে আছে কওক ‘নহয়’

মই ভাবো 'হয়'ৰ সাপেক্ষে 'হয়'ৰ সাপেক্ষে

'হয়'ৰ সাপেক্ষে দফা নং ১ অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু শীৰ্ষ দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত কৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী জয়ন্তমল্ল বৰুৱা (মন্ত্ৰী, বিত্ত ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে "The Assam Goods and Services Tax (Amendment) Bill, 2026" খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ :** এতিয়া বিধেয়কখন পাৰিত কৰা হওঁক,

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১০, মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** সন্মানীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ "Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Bill, 2026" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ :** এতিয়া "Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Bill, 2026" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল ।

দফা নং ২ আৰু ৩ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২ আৰু ৩ বিধেয়কখনৰ অংশ হ'ব,

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'......

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** অধ্যক্ষ ডাঙৰীয়া, এই বিধেয়কখন যোৱা ২২ তাৰিখ, বুধবাৰে সদনত lay কৰা হ'ল, বিধেয়কখনৰ কপি আমাক দিয়া হোৱা নাই, লবীটো ইয়াৰ কপি আমি পোৱা নাই। যোৱা শনিবাৰে কপি পাইছো, আমি amendment দিম কিন্তু amendment দিবলৈ আমি সময় পোৱা নাই, যিহেতু এই বিধেয়কখন অত্যন্ত স্পৰ্শকাতৰ আৰু ৰাজহুৱা স্বাৰ্থজনিত, সেয়ে এই বিধেয়কখন UPA চৰকাৰে ২০১৩ চনত আনিছিল আৰু তাৰ ওপৰত 10(A) ধাৰাটোৰ ব্যাপক সংশোধনী কৰিব বিচাৰিছে, য'ত কৃষকৰ অধিকাৰ, satellite city বা aerocity নিৰ্মাণৰ কাৰণে যি প্ৰকল্প লৈছে তাৰবাবে ভূমি অধিগ্ৰহণ কৰাৰ কিছু নিয়ম ইয়াত বৰ্ণনা কৰিছে, যিটো একপ্ৰকাৰৰ arbitrary law হৈছে, গতিকে এই বিষয়টোত আপুনি হস্তক্ষেপ কৰিব লাগে, প্ৰয়োজন হ'লে Select Committee ত দিয়ক নহ'লে পৰৱৰ্তী বিধান সভালৈ আমাক সময় দিয়ক, নহ'লে শেষৰ দিনটোত বিধেয়কখন আনক, এই বিষয়টোত আমাৰ amendment দিব লগীয়া আছে।

**মাননীয় অধ্যক্ষ :** আপোনালোকে amendment দিয়া নাই, বিধেয়কখনৰ কপি আপুনি সচিব মহোদয়ৰ ওচৰত বিচাৰিলে পালেহেতেঁন !

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** ছাৰ, বিধেয়কখনৰ কপি আমি শনিবাৰে পাইছো।

**মাননীয় অধ্যক্ষ :** শনিবাৰে পোৱাৰ পিছত শনিবাৰ গ'ল, দেওবাৰো পাৰ হৈ গ'ল। যোৱাকালিয়ে দিব লাগিছিল, আজি ৰাতিপুৱা দিলেও কথা নাছিল, মই তেতিয়া চালো হেতেঁন !

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (চেঙা) :** ছাৰ, আমি পৰ্য্যাপ্ত সময় নাপালো।

**মাননীয় অধ্যক্ষ :** দফা নং ২ আৰু ৩ ত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২ আৰু ৩ বিধেয়কখনৰ অংশ হ'ব,

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

দফা নং ২ আৰু ৩ বিধেয়কখনৰ অংশ হ'ল ।

এতিয়া দফা নং ১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ'ব-

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

দফা নং ১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** সন্মানীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হৈ প্ৰস্তাৱ উত্থাপন কৰো যে "Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Bill, 2026" খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ :** এতিয়া বিধেয়কখন পাৰিত কৰা হওঁক,

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১১, এতিয়া মাননীয় মন্ত্ৰী ডা° ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ডা° ৰণোজ পেগু (মন্ত্ৰী, উচ্চশিক্ষা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মই "The Majuli University of Culture (Amendment) Bill, 2026" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ :** এতিয়া "The Majuli University of Culture (Amendment) Bill, 2026" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল ।

এতিয়া বিধেয়কখন সদনত দফাই দফাই আলোচনাৰ বাবে লোৱা হ'ব। দফা নং ২ ৰপৰা ৯ লৈ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া দফা নং ২ ৰপৰা ৯ বিধেয়কখনৰ অংশ হ'ব

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

দফা নং ২ আৰু ৯ বিধেয়কখনৰ অংশ হ'ল ।

এতিয়া দফা নং ১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ'ব-

যিসকল সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে, 'হয় সপক্ষে, 'হয় সপক্ষে'

দফা নং ১ অধিনিয়ম সূত্ৰে প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, উচ্চশিক্ষা ইত্যাদি) :** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে “The Majuli University of Culture (Amendment) Bill, 2026” খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ :** এতিয়া বিধেয়কখন পাৰিত কৰা হওঁক,

যিসকল সপক্ষে আছে কওঁক ‘হয়’

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’

মই ভাবো ‘হয় সপক্ষে, ‘হয় সপক্ষে, ‘হয় সপক্ষে’

প্ৰস্তাৱটো গৃহীত হ’ল আৰু বিধেয়কখন পাৰিত কৰা হ’ল।

The House adjourned till 9.30 AM on 28th July, 2026.